Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, MARCH 25, 2025 ■ মঙলবাৰ, ১১ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৭ Guwahati, Assam ।। মূল্যঃ এটকা

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

কল ৰেকৰ্ডিং প্ৰসংগ!

## বিধানসভাৰ এথিক্স কমিটীয়ে কৰিব তদন্ত



ই-সংবাদ, ২৪ মাৰ্চঃ ভাৰতীয় কমিউনিষ্ট পাৰ্টি-মাৰ্ক্সবাদী ৫ পৃষ্ঠাত চাওক

উপাধ্যক্ষক আক্ৰমণৰ অভিযোগ, আক্ৰমণাত্মক মুখ্যমন্ত্ৰী

# জাতি-ধৰ্মৰে উত্তাল বিধানসভা!

ই-সংবাদ, ২৪ মাৰ্চঃ সোমবাৰে বাজেট অধিৱেশন আৰম্ভ হোৱাৰ পিছতে অসম বিধানসভা উত্তপ্ত হৈ পৰে। অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত কৰিবলগীয়াত পৰে। কংগ্ৰেছৰ বিধায়ক দ্বিতীয় পৃষ্ঠাত



## অৱশেষত মুকলি হ'ল আচাৰ্য মহবুবুল হক

ই-সংবাদ, ২৪ মাৰ্চঃ অৱশেষত অন্তৰ্বৰ্তীকালিন জামিন লাভ কৰি আজি তেজপুৰস্থিত কাৰাগাৰৰ পৰা মুকলি আকাশৰ তললৈ আহে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিশ্ববিদ্যালয় শেষাংশ ৪ পৃষ্ঠাত

## অসমত বন্দী ১৩ বাংলাদেশীক বিতাড়ন কেন্দ্ৰৰ

ই-সংবাদ, ২৪ মাৰ্চঃ উচ্চতম ন্যায়ালয় কঠোৰ হোৱাৰ পিছতে কেন্দ্ৰীয় ৪ পৃষ্ঠাত

## নিঃকিন জনতা! ২৪ হাজাৰ টকাকৈ প্ৰতিমাহে বাঢ়িল জন প্ৰতিনিধিৰ দৰমহা



নতুন দিল্লী, ২৪ মাৰ্চঃ সাধাৰণ জনতা ভোকত মৰিলেও কাণসাৰ নিদিয়া চৰকাৰে বৃদ্ধি কৰিলে জনপ্ৰতিনিধিৰ দৰমহা, পেঞ্চন আজি সংসদৰ সদস্যসকলৰ দৰমহা আৰু ৩ পৃষ্ঠাত চাওক

## গঁড় সুৰক্ষাত ব্যৰ্থ কংগ্ৰেছ!

ই-সংবাদ, ২৪ মাৰ্চঃ বিধানসভাৰ মজিয়াত সোমবাৰে ১৬ পৃষ্ঠাত চাওক

বাৰ এছ'চিয়েশ্যনৰ প্ৰতিবাদ

## হাই কৰ্ট নহয়, ৰাজধানী সলনি কৰক হিমন্ত চৰকাৰে!

ই-সংবাদ, ২৪ মাৰ্চঃ গুৱাহাটী উচ্চ ন্যায়ালয় বাৰ এছোচিয়েচনে আজি উচ্চ ন্যায়ালয় ৰংমহললৈ স্থানান্তৰৰ বিৰুদ্ধে পুনৰ প্ৰতিবাদ সাব্যস্ত শেষাংশ ৩ পৃষ্ঠাত

কাকত ফাদিলৰ বিৰুদ্ধে কংগ্ৰেছৰ উত্তাল প্ৰতিবাদ

## ইতিহাসৰ কলংকিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাঃ ৰিপুণ

ই-সংবাদ, ২৪ মাৰ্চঃ ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ধ্বংস কৰিবলৈ অপচেষ্টা চলোৱা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ জৈনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ দাবীত আজি শিক্ষা শেষাংশ ৩ পৃষ্ঠাত



## ভূপেন বৰাৰ নিৰ্বাচনী সভাত বাধাৰ চেষ্টা গেৰুৱা বাহিনীৰ!

ই-সংবাদ, ২৪ মাৰ্চঃ ২ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ব ২ পৃষ্ঠাত

উপাধ্যক্ষক প্ৰহাৰৰ অভিযোগ!

## বিধায়ক নুৰুলৰ বিৰুদ্ধে দিছপুৰ থানাত দাখিল এজাহাৰ

ই-সংবাদ, ২৪ মাৰ্চঃ আজি অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে দিছপুৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰে। কেইবাজনো বিজেপি শেষাংশ ২ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ 'প্ৰতিবাদ শূন্য' অসমত শিক্ষকৰ চিৎকাৰ!

ই-সংবাদ, গুৱাহাটী, ২৪ মাৰ্চঃ প্ৰতিবাদত উত্তাল হৈ উঠিছে গুৱাহাটী মহানগৰ। দিছপুৰ লাষ্টগেটৰ পৰা চচলৰ ধৰ্ণাস্থলীলৈকে বিজেপি



দিছপুৰত প্ৰতিবাদী শিক্ষকৰ মুখ্যমন্ত্ৰীক প্ৰশ্ন- 'আপোনাৰ মানবীয়তা নাইনে?'

মিত্ৰজোঁটৰ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ। অসমত প্ৰতিবাদ নেদেখা হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে গুৱাহাটী মহানগৰতেই ৫ পৃষ্ঠাত চাওক

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধায়ক নুৰুতলৰ বিৰুদ্ধে দিছপুৰ

বিধায়কৰ সৈতে দিছপুৰ আৰক্ষী থানাত উপস্থিত হৈ এজাহাৰ দাখিল কৰে উপাধ্যক্ষ মমিনে। এজাহাৰ দাখিল কৰি উপাধ্যক্ষ মমিনে বিধানসভাত কি হৈছিল সেয়া আকৌ এবাৰ সংবাদ মাধ্যমত বিৱৰণ দিয়ে। বিধায়ক নুৰুল হুদাৰ বিৰুদ্ধে দাখিল হোৱা এজাহাৰৰ ভিত্তিত গোচৰ ৰুজু হোৱা বুলি জানিব পৰা গৈছে। বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে গোচৰ ৰুজু কৰাত দিছপুৰ আৰক্ষীয়ে নুৰুল হুদাক গ্ৰেপ্তাৰৰ আশংকা দেখা গৈছে। শাসকীয় দলে কংগ্ৰেছ বিধায়ক নুৰুল হুদাই সদনৰ বাহিৰত উপাধ্যক্ষ নোমল মমিনক আক্ৰমণ কৰাৰ অভিযোগ উত্থাপন কৰাৰ পিছত আজি বাজেট অধিৱেশনৰ সময়ত অসম বিধানসভাত হাই-ভল্টেজ ড্ৰামা দেখা যায়। যাৰ ফলত ১০ মিনিটৰ বাবে সদন স্থগিত ৰখা হয়। অধিৱেশন আৰম্ভ হোৱাৰ আগতে কংগ্ৰেছ আৰু অল ইণ্ডিয়া ইউনাইটেড ডেমক্ৰেটিক ফ্ৰন্টৰ সদস্যসকলে কুৰ্মীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীত অধ্যক্ষৰ কক্ষৰ বাহিৰত প্ৰতিবাদ কৰিছিল। ৰূপজ্যোতি কুৰ্মীৰ দ্বাৰা প্ৰহাৰৰ প্ৰয়াসৰ বিৰুদ্ধে অসুৰক্ষা দাবী কৰে। বিৰোধীৰ বিধায়কসকল বিজেপি বিধায়কৰ পৰা সুৰক্ষিত নহয়। আক্ৰমণৰ অভিযোগৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষক হস্তক্ষেপ কৰিবলৈ আহ্বান জনায়। মই নোমল মমিনৰ সৈতে বাৰ্তালাপ কৰিছিলো। তেওঁ কৈছিল যে তেওঁ দিছপুৰ আৰক্ষী থানাত বিষয়টো সন্দৰ্ভত এজাহাৰ দাখিল কৰিব। মই অধ্যক্ষক বিষয়টো চোৱাচিতা কৰিবলৈও অনুৰোধ জনাইছো-- কয় মুখ্যমন্ত্ৰীয়ে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই আৰক্ষীৰ তদন্তৰ পৰিৱৰ্তে গৃহ সমিতিৰ তদন্তৰ দাবী জনায় যদিও শাসকীয় দলে বিৰোধিতা কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাতি-ধৰ্মৰে উত্তাল বিধানসভা!

নুৰুল হুদাই উপাধ্যক্ষ নোমল মমিনক প্ৰহাৰ কৰাৰ অভিযোগৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি শাসক দলৰ নেতৃত্বত মন্ত্ৰী-বিধায়কে বিধানসভা উত্তপ্ত কৰে। নুৰুল হুদাক গ্ৰেপ্তাৰৰ দাবী জনায়। আনকি কংগ্ৰেছে মিঞা ডকাইতক টিকট প্ৰদান কৰিব নালাগে বুলিও দাবী উত্থাপন কৰে শাসকীয় পক্ষই। মুঠৰ ওপৰত বিজেপি দলে সভাই-সমিতিয়ে ধৰ্মবিশেষক টাৰ্গেট কৰি সাম্প্ৰদায়িক কথা কোৱাৰ দৰেই আজি খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাম্প্ৰদায়িকতাৰ সকলো সীমা চেৰ পেলায়। উপাধ্যক্ষ ড০ নোমল মমিনক প্ৰহাৰৰ অভিযোগৰ মাজতে মুখ্যমন্ত্ৰীয়ে সদনৰ ভিতৰত ধৰ্ম, জাতপাতক লৈ বিধানসভাৰ ভিতৰতে মন্তব্য প্ৰদান কৰা পৰিলক্ষিত হয়। দুদিন পূৰ্বে ৰূপজ্যোতি কুৰ্মীয়ে আসনৰ পৰা উঠি আহি অখিল গগৈ, শ্বেৰমান আলীৰ ফালে চোঁচা লৈ প্ৰহাৰ কৰিবলৈ উদ্যত হোৱা ঘটনাক লৈ কংগ্ৰেছ আৰু এআইইউডিএফৰ বিধায়কসকলে প্ৰতিবাদ সাব্যস্ত কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ৰূপজ্যোতি কুৰ্মীৰ আচৰণৰ বাবে আলোচনা বিচাৰি পত্ৰ প্ৰদান কৰিছিল অধ্যক্ষক। সদন আৰম্ভ হোৱাৰ পিছতে শইকীয়াই অধ্যক্ষপ উদ্দেশ্যি কৈছিল যে আমি আপোনাক এখন চিঠি দিছিলো। তেতিয়া অধ্যক্ষই কৈছিল যে প্ৰশ্নকাল যাবলৈ দিয়ক। লগতে আজি দলপতি দেৱব্ৰত শইকীয়াৰ নেতৃত্বত ক'লা পোছাক পৰিধান কৰি বিধানসভালৈ আহে কংগ্ৰেছৰ বিধায়কসকলে। আনহাতে এআইইউডিএফৰ বিধায়কসকলে জেওৱা লৈ বিধানসভালৈ আহে। ফলত বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। কংগ্ৰেছৰ বিধায়কসকলে বিধানসভা ভৱনৰ উপাধ্যক্ষৰ গেটত বিৰোধী বিধায়কসকলৰ সুৰক্ষাৰ দাবীত বিভিন্ন শ্ল'গান দি আছিল। সেই সময়তে গেটত টনা-আঁজোৰা লাগে। সেই সময়ত বিধানসভাত উপাধ্যক্ষৰ প্ৰৱেশদ্বাৰলৈ আহিছিল উপাধ্যক্ষ ড০ নোমল মমিন। নোমল মমিনে সদনত দিয়া ভাষ্য অনুসৰি তেওঁ অহাৰ সময়তে কলা কাপোৰ পিন্ধি নুৰুল হুদা আৰু তেওঁৰ সতীৰ্থসকলে বাধা প্ৰদান কৰিছিল। তেওঁ কয় যে ঠেলা-হেঁচাত মই হাতত আঘাত পাইছো। মই চিকিৎসা কৰিছো। মই সোমাইছিলো, বহিলো। তেতিয়া দেখিছো যে হাতৰ পৰা তেজ ওলাইছে। মই বিধানসভাৰ ফাৰ্মাচীত গৈ চিকিৎসা কৰিলো। ড্ৰেছিং কৰি, পেইন কিলাৰ লৈ মই আহিছো। কিন্তু পেইন কিলাৰ খাবলগীয়া হোৱা আৰু ড্ৰেছিং কৰা সেই হাতখন বাৰে বাৰে জোকাৰি কথাখিনি কৈ গৈছিল উপাধ্যক্ষ নোমল মমিনে। কিন্তু বিধানসভাত নোমল মমিনৰ অভিযোগৰ প্ৰত্যুত্তৰ দিব খুজিছিল কংগ্ৰেছে। কিন্তু কংগ্ৰেছৰ পক্ষক প্ৰত্যুত্তৰ দিবলৈ অনুমতি নিদিলে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। কিন্তু নুৰুল হুদাই জোৰ কৰি থিয় হৈ কচম খাই কয় যে চিচিটিভি চাওক। হাত মোৰ নিজৰ গাত লাখি থকা বুলি ইংগিতত দেখাই দিয়ে। মই পৱিত্ৰ সদনত কৈছো, তেনেকুৱা একো হোৱা নাই। কিন্তু অধ্যক্ষই ক'লে এই বিষয়টোক লৈ আৰু একো ক'ব নালাগে। কিন্তু সেই সময়ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ আৰু বিৰোধীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। হিমন্ত বিশ্ব শৰ্মাই কয় যে চাহ জনগোষ্ঠীৰ লোক, জনজাতীয় লোকক টাৰ্গেট কৰাৰ এটা ছিষ্টেম বনাই লৈছে। এফালে জনজাতীয় লোকক আনফালে টী গাৰ্ডেনৰ লোক। আপোনালোকে নিজেই বুজি লওক। আপোনালোকে যিবিলাক মানুহক লৈ গাত হাত তুলি আছে ইয়াত সামাজিক বাতাৱৰণো বেয়া হ'ব। যিবিলাক মানুহে ট্ৰাইবেল মানুহৰ গাত হাত তুলিছে এইবিলাক মানুহৰ যদি পিছফালটো চোৱা যায় ঘটনাটো ডাঙৰ এটা কথা হ'ব। আকৌ এইবিলাকে কোকৰাঝাৰ, ওদালগুৰিৰ ঘটনালৈ লৈ যাব। এইবিলাকৰ পৰা ঘটনা হৈছিল। এনেকুৱা আজিলৈকে আমাৰ হাউছ হৈছে নেকি? ৰূপজ্যোতি কুৰ্মীয়ে অলপমান আগবাঢ়ি যাওঁতে আপোনালোকে ইছ্যু কৰি পেলালে। এতিয়া গাত হাত দি দিলে। কিন্তু বিৰোধীয়ে বিষয়টো ডাইভাৰ্ট কৰাৰ অভিযোগ আনে। বিষয়টো সদন সমিতিলৈ প্ৰেৰণ কৰাৰ দাবী জনায়। তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যিবিলাক মানুহ নুৰুল হুদা, ৰাজেদ আলী চৌধুৰী থিয় হৈ আছে। আপোনালোকে যদি গাত হাত দিছে নহয় এইটো বহুত বেয়া কথা হৈছে। নুৰুল হুদাই গাত হাত দিছে বুলি স্পষ্ট কৰে মুখ্যমন্ত্ৰীয়ে। এইবিলাক কলা কাপোৰ পিন্ধি আহি ভূতৰ দৰে কি কৰি আছে। সেই সময়তে মুখ্যমন্ত্ৰীয়ে আসনত বহি যদিও কেইবাজনো বিজেপিৰ বিধায়কে আসনৰ পৰা থিয় হৈ কংগ্ৰেছক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। এজন বিধায়কে কয় যে কংগ্ৰেছে মিঞা ডকাইতক টিকট দিব নালাগে। মুঠতে উপাধ্যক্ষক আক্ৰমণৰ অভিযোগক কেন্দ্ৰ কৰি আজি অসম বিধানসভা দিনটোৰ বাবে উত্তপ্ত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভূপেন বৰাৰ নিৰ্বাচনী সভাত বাধাৰ

শাসিত পৰিষদৰ নিৰ্বাচনত অসম প্ৰদেশ কংগ্ৰেছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি দৰংগিৰিত দিনজোৰা প্ৰচাৰ কাৰ্যসূচী চলায়। দৰংগিৰিৰ কোঁচদোৱাৰ, কথাসুথিৰ লগতে ধনুভঙা সমষ্টিত আজি প্ৰচাৰ কাৰ্যসূচী চলায়। কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যসূচীত বাধা দিবলৈ বিজেপিৰ একাংশ গুণ্ডা প্ৰকৃতিৰ লোকে অপচেষ্টা চলাইছিল যদিও কংগ্ৰেছ কৰ্মীসকলৰ তৎপৰতাত সুকলমে সভা অনুষ্ঠিত হয়। কংগ্ৰেছৰ সভাপতিজনে কাইলৈ ৰাভা হাছং এলেকাত ৫ খন সভাত অংশগ্ৰহণ কৰিব। কামৰূপ গ্ৰাম্য জিলাৰ শিলপোতা এলেকাত ৰাতিপুৱা প্ৰথমখন সভা অনুষ্ঠিত কৰাৰ পিছত বৰদোৱাৰ বাগানত নিৰ্বাচন প্ৰচাৰ চলাব। দিনৰ ভাগত ৰাণীৰ অন্ধেৰাজুলি এলেকাত প্ৰচাৰ চলাব। যোৱা ২৩ মাৰ্চৰ পৰা সভাপতি ভূপেন কুমাৰ বৰাই দলৰ জ্যেষ্ঠ নেতা-কৰ্মীসকলক লৈ ৰাভা হাছঙত প্ৰচাৰ অব্যাহত ৰাখিছে। বিধায়ক ৰেকিবুদ্দিন আহমেদ, যাদৱ স্বৰ্গীয়াৰী, প্ৰাক্তন মন্ত্ৰী প্ৰণয় ৰাভা, অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱা, উপ-সভাপতি মেহদী আলম বৰা, নৃপেন ঠাকুৰীয়া প্ৰমুখ্যে নেতা-কৰ্মীসকলে সভাপতি বৰাক প্ৰচাৰত সংগ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইতিহাসৰ কলংকিত মুখ্যমন্ত্ৰী হিমন্ত

পৰিষদৰ কাৰ্যালয় ঘেৰাও কৰে কংগ্ৰেছে। গুৱাহাটী মহানগৰ কংগ্ৰেছৰ উদ্যোগত কেইবা শ কংগ্ৰেছ নেতা-কৰ্মীয়ে আজি বামুণীমৈদামত থকা পৰিষদৰ কাৰ্যালয় ঘেৰাও কৰি হিমন্ত বিশ্ব শৰ্মা হায়ঃ হায়ঃ, মুখ্যমন্ত্ৰী হায়ঃ হায়ঃ-শিক্ষামন্ত্ৰীৰ কাম নাই, ৰমেশ জৈনক কোনে পায়-ছেবা এতিয়া খীৰতী গাই, বিজেপি হায়ঃ হায়ঃ-ৰণোজ পেগুৰ দৰকাৰ নাই, বিজেপিৰ চৰকাৰ ৰাইজক নাই দৰকাৰ, অকৰ্মণ্য ৰণোজ পেগুৱে পদত্যাগ কৰক, শিক্ষাৰ্থীৰ জীৱন ধ্বংস কৰা ৰমেশ জৈন হায়ঃ হায়ঃ আদি শ্ল’গান দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰি শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ পদত্যাগ দাবী কৰে। প্ৰতিবাদী কংগ্ৰেছ নেতা-কৰ্মীসকলে কয় যে ৪ দিনত তিনিখনকৈ প্ৰশ্নকাকত ফাদিল হৈছে। বৰপেটাত নৰম শ্ৰেণীৰ বছৰেকীয়াৰ ইংৰাজী বিষয়ৰ প্ৰশ্নকাকত ফাদিল হৈছে। ২০ মাৰ্চত কাকত ফাদিল হোৱাৰ বাবে স্থগিত ৰাখিছিল উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ অংকৰ পৰীক্ষা। আনহাতে, উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ অৰ্থনীতি বিভাগৰ কাকত ফাদিল হোৱাৰ পিছতো পৰীক্ষা অনুষ্ঠিত কৰে। উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ ২৪ মাৰ্চৰ পৰা অনুষ্ঠিত হ’বলগীয়া পাঁচটা পৰীক্ষা চৰকাৰে বাতিল কৰিছে। ফলত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ কেইবা হাজাৰ অভিভাৱক অনিশ্চিয়তাত ভুগিছে বুলি কংগ্ৰেছ চিন্তা ব্যক্ত কৰে। আজি কংগ্ৰেছে হাতে হাতে বেনাৰ-পোষ্টাৰ লৈ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক পত্ৰত শিক্ষা বিভাগ চলোৱা সম্পূৰ্ণ ৰূপে ব্যৰ্থ হোৱা ৰণোজ পেগুক অপসাৰিত কৰাৰ দাবী জনায়। এইজন শিক্ষামন্ত্ৰীয়ে পৰীক্ষা এটাও ভালকৈ অনুষ্ঠিত কৰিব নোৱাৰে বুলি অভিযোগ কৰে কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰিপুন বৰা আৰু মহানগৰ কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাৰ লগতে মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাৰ নেতৃত্বত যোৱা কংগ্ৰেছ কৰ্মীসকলে। আজি বামুণীমৈদামত আকাশ-বতাহ কপাই অসমৰ নতুন প্ৰজন্মৰ ভৱিষ্যত ধ্বংস নকৰিবলৈ চৰকাৰক সকীয়াই দিয়ে। প্ৰাক্তন সাংসদ ৰিপুন বৰাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক অসমৰ ইতিহাসৰ এজন কলংকিত মুখ্যমন্ত্ৰী বুলি উল্লেখ কৰি কয় যে তেওঁ দীৰ্ঘদিন ধৰি শিক্ষামন্ত্ৰী হোৱাৰ পিছতো অসমৰ শিক্ষা বিভাগটো সংস্কাৰ কৰিব নোৱাৰিলে। ৰবৰ ষ্টাম্প সদৃশ এজন শিক্ষামন্ত্ৰীক আসনত বহুৱাই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ধ্বংস কৰি অসমীয়া মাধ্যমক চৰকাৰে নিঃশেষ কৰিব ওলোৱা বুলি বৰাই অভিযোগ কৰে। মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মাই স্বাক্ষৰ কৰা এক স্মাৰক পত্ৰ উপ-আৰক্ষী আয়ুক্তক অৰ্পণ কৰে আৰু শিক্ষামন্ত্ৰীৰ পদত্যাগ দাবী কৰে। মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই পৰিষদৰ অধ্যক্ষ আ.ৰি জৈনৰ প্ৰতি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কিয় ইমান দৰদ বুলি প্ৰশ্ন কৰে? জৈনক অব্যাহত নিদিয়া পৰ্যন্ত অসম প্ৰদেশ কংগ্ৰেছে সংগ্ৰাম অব্যাহত ৰাখিব বুলি বৰাই উল্লেখ কৰে। প্ৰতিবাদকাৰীসকলৰ মাজত গুৱাহাটীৰ প্ৰাক্তন মেয়ৰ কুশল শৰ্মা, অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক মইনাজান বেগম, গুৱাহাটী মহানগৰীৰ আটাইকেইটা ব্লক কংগ্ৰেছৰ সভাপতি, জিলা কংগ্ৰেছৰ প্ৰায়সকল নেতাও উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাই ক’ৰ্ট নহয়, ৰাজধানী সলনি কৰক

কৰে। উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে আজি তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰি গুৱাহাটী উচ্চ ন্যায়ালয় কোনো কাৰণত স্থানান্তৰ কৰিব নিদিয়াৰ হুংকাৰ দিয়ে। ৰংমহললৈ স্থানান্তৰৰ চৰকাৰৰ প্ৰস্তাৱৰ বিৰুদ্ধে প্ৰতিবাদ কঠোৰ হোৱাৰ হুংকাৰ দিয়ে। উত্তৰ গুৱাহাটীৰ ৰংমহলত উত্তৰ-পূব অঞ্চলৰ বাবে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠ স্থাপনৰ দাবী জনাইছে। উচ্চ ন্যায়ালয় বাৰ এছোচিয়েচনৰ নেতৃত্বই কয় যে আমি উত্তৰ-পূবৰ বাবে উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠ দাবী কৰিছো। আমি প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ পৰা ১০ বছৰ আগতে দাবী কৰিছিলো। গুৱাহাটী উচ্চ ন্যায়ালয় স্থানান্তৰৰ পৰিৱৰ্তে যদি চৰকাৰে ৰংমহলত উত্তৰ-পূবৰ উচ্চতম ন্যায়ালয়ৰ বিচাৰপীঠ স্থাপন কৰে আমি বিশ্বাস কৰো যে অসমৰ সন্মান বৃদ্ধি হ’ব। এই পদক্ষেপে চৰকাৰ আৰু বাৰ এছ'চিয়েচন দুয়োৰে বাবে এক পথ হিচাপে কাম কৰিব। বাৰ এছ'চিয়েচনে সম্পূৰ্ণ আদালতৰ প্ৰস্তাৱৰ বিৰুদ্ধেও প্ৰতিবাদ কৰি স্থানান্তৰ সন্দৰ্ভত বাৰক বিশ্বাসত নোলোৱা বুলি কয়। অসন্তুষ্টি ব্যক্ত কৰি বাৰ এছ'চিয়েচনে চৰকাৰৰ নিৰ্দেশ অনুসৰি উচ্চ ন্যায়ালয় স্থানান্তৰ হ’ব নেকি বুলি প্ৰশ্ন কৰে? এছোচিয়েচনৰ নেতৃত্বই কয় যে আমি কিয় যাম? ক্ষমতালৈ অহা চৰকাৰে উচ্চ ন্যায়ালয়ক আজি এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰ কৰাৰ কথা কয়। কাইলৈ যদি বেলেগ চৰকাৰ আহে তেতিয়া ক’ব যে আমি আন এটা অঞ্চললৈ যাব লাগিব। এয়া কেনেদৰে হ’ব। ১৯ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰস্তাৱিত স্থানান্তৰ সম্পৰ্কে আলোচনা কৰিবলৈ এক সাধাৰণ সভা আহ্বান কৰিছিল। মুখ্য ন্যায়াধীশ, অন্যান্য ন্যায়াধীশ আৰু বাৰ কাউন্সিল, অসম, নাগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু ছিকিমৰ বাৰ কাউন্সিল আৰু সদৌ অসম উকীল সন্থাৰ মাজত অনুষ্ঠিত বৈঠকত পৰামৰ্শ বিচৰা হৈছিল। বাৰ এছ'চিয়েচনে উক্ত সভা বহিষ্কাৰ কৰিছিল। পুংখানুপুংখ আলোচনাৰ পিছত সাধাৰণ সভাই প্ৰস্তাৱিত সমিতিখনৰ সভাত অংশগ্ৰহণ নকৰাৰ সংকল্প লয়। উচ্চ ন্যায়ালয়ৰ প্ৰস্তাৱিত স্থানান্তৰৰ বিৰোধিতা কৰি ৰংমহলত ন্যায়িক আন্তঃগাঁথনি স্থাপনৰ তত্বাৱধানৰ বাবে গঠন কৰা যিকোনো সমিতিত অংশ নোলোৱাৰ সিদ্ধান্ত লয়। আজি প্ৰতিবাদথলীৰ পৰা প্ৰস্তাৱিত স্থানান্তৰ সন্দৰ্ভত আদালতৰ প্ৰস্তাৱৰ প্ৰতিলিপি, বাৰৰ সৈতে আলোচনা নকৰাকৈ এনে সিদ্ধান্ত লোৱা পৰিস্থিতিৰ বিষয়ে স্পষ্টীকৰণ দাবী কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিঃকিন জনতা! ২৪ হাজাৰ টকাকৈ

পেঞ্চন ২৪ শতাংশ বৃদ্ধিৰ সন্দৰ্ভত কেন্দ্ৰই এক অধিসূচনা জাৰি কৰিছে। এই বৃদ্ধিৰ হাৰ ২০২৩ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ’ব বুলি ঘোষণা কৰা হৈছে। সোমবাৰে সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এক অধিসূচনা অনুসৰি বৰ্তমানৰ সংসদ সদস্যৰ দৈনিক ভাট্টা আৰু প্ৰাক্তন সংসদ সদস্যৰ পেঞ্চন আৰু অতিৰিক্ত পেঞ্চনো বৃদ্ধি কৰা হৈছে। নতুন নিয়ম অনুসৰি এতিয়া সংসদৰ এজন সদস্যই পূৰ্বৰ ১ লাখ টকাৰ বিপৰীতে এতিয়া লাভ কৰিব ১.২৪ লাখ টকাৰ মাহিলী দৰমহা। ইয়াৰ উপৰিও দৈনিক ভাট্টা ২০০০ টকাৰ পৰা ২৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। অন্যহাতে প্ৰাক্তন সাংসদৰ মাহিলী পেঞ্চনো ২৫ হাজাৰ টকাৰ পৰা ৩১ হাজাৰ টকালৈ বৃদ্ধি কৰা হৈছে। ইয়াৰ উপৰিও পাঁচ বছৰতকৈ অধিক সময় সংসদৰ সদস্য হিচাপে থকাসকলৰ অতিৰিক্ত পেঞ্চনো ২০০০ টকাৰ পৰা ২৫০০ টকালৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধিসূচনা অনুসৰি সাংসদ সকলৰ এই দৰমহা বৃদ্ধিৰ সিদ্ধান্ত ‘সাংসদৰ দৰমহা, ভাট্টা আৰু পেঞ্চন আইন’ অনুসৰি লোৱা হৈছে। আয়কৰ আইনৰ অধীনত নিৰ্ধাৰিত ব্যয় মুদ্ৰাস্ফীতি সূচকাংকৰ ভিত্তিত এই কাম কৰা হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিয়ে। কিন্তু লক্ষ্যণীয়ভাৱে, যি সময়ত দেশৰ লক্ষ লক্ষ দৰিদ্ৰ জনতাই এসাজ ভাতৰ বাবেও হাহাকাৰ কৰিবলগীয়া হৈছে, সেই সময়তে জনতাক প্ৰতিনিধিত্ব কৰি সংসদলৈ নিৰ্বাচিত হোৱা লোকসকলৰ দৰমহা, ভাট্টা বৃদ্ধিৰ সিদ্ধান্তক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত মুকলি হ'ল আচাৰ্য মহবুবুল

মেঘালয় চমুকৈ ইউএছটিএমৰ উপাচাৰ্য মহবুবুল হক। গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি মহবুবুল হকৰ জামিন মঞ্জুৰ কৰাৰ পিছতে নিশা প্ৰায় ৭ বজাত তেজপুৰ কাৰাগাৰৰ পৰা মুকলি কৰি দিয়া হয়। তেজপুৰৰ পৰা গুৱাহাটীৰ ঘৰলৈ ৰাওনা হৈছে হক। ঢেকীয়াজুলি থানাত ৰুজু ষষ্ঠটো গোচৰত মহবুবুল হকক জামিন প্ৰদান কৰিছে ন্যায়ালয়ে। ইতিমধ্যে পাথাৰকান্দিৰ দুটা গোচৰত মহবুবুল হকে জামিন লাভ কৰিছিল। আনহাতে, কোকৰাঝাৰ, গোসাইগাঁও, বৰপেটাৰ গোচৰত স্থগিতাদেশ জাৰি কৰিছে। উচ্চ ন্যায়ালয়ে জামিনক লৈ শুনানি সমাপ্তিৰ অন্তত ৰায় সংৰক্ষণ কৰিছিল কিন্তু আজি উপাচাৰ্যগৰাকীক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰা হৈছে। আদালত ৰায়ৰ পিছতে হক মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত হৈছে। সোনকালে মুকলি হ'ব বুলি আশা কৰা হৈছে। আদালতে যোৱা সপ্তাহত জামিন আবেদনক লৈ শুনানি সমাপ্তি কৰিছিল যদিও ৰায় সংৰক্ষিত ৰাখিছিল। পাথাৰকান্দিৰ গোচৰত জামিন লাভৰ পিছতে হকক ২২ ফেব্ৰুৱাৰীত পুনৰ গ্ৰেপ্তাৰ কৰা হৈছিল। আদালতে পাথাৰকান্দিৰ দ্বিতীয়টো গোচৰত জামিনৰ ৰায় সংৰক্ষণৰ মাজতে ঢেকিয়াজুলিৰ গোচৰত ১২ মাৰ্চত হকক আকৌ এবাৰ গ্ৰেপ্তাৰ কৰে। ১১ মাৰ্চত ঢেকিয়াজুলি আৰক্ষী থানাত ৰুজু কৰা হৈছিল এটা গোচৰ। মুকচেদ আলী নামৰ লোকজনে ঢেকীয়াজুলি আৰক্ষী থানাত গোচৰ ৰুজু কৰিছিল। জানিব পৰা মতে, মুকচেদ আলীৰ পুত্ৰও ইউএছটিএমৰ ছাত্ৰ আৰু পাথাৰকান্দি পাব্লিক স্কুলত পৰীক্ষা দিবলৈ গৈছিল। কিন্তু এটা নিউজ চেনেলত মন্তব্য দি মুকচেদ আলীয়ে গোচৰ দিয়াৰ কথা অস্বীকাৰ কৰিছিল। মুকচেদ আলীয়ে কৈছিল যে আৰক্ষীৰ দল আহি মোক কথা থকা বুলি কৈ আৰক্ষী থানালৈ নিয়ে। তাত মোৰ ল'ৰাৰ কথা সোধে। মই ২ৰ পৰা ৩ লাখ টকা দিয়া বুলি অভিযোগ আনে। কিন্তু মই টকা দিয়া নাই বুলি কও। কিন্তু মোক বহু সময় থানাত বহুৱাই থৈ বাৰে বাৰে মোৰ ল'ৰাৰ বাবে টকা দিয়া বুলি কয় যদিও মই অস্বীকাৰ কৰো। কিন্তু তেওঁলোকে কয় যে মই টকা দিছো। যদি গোচৰ দিও সেই টকা উলিয়াই দিম বুলি কয়। মই অস্বীকাৰ কৰা যদিও মোৰ পৰা এটা চহী লয়। পিছত গম পাও যে মোৰ চহীৰে গোচৰ ৰুজু কৰা হৈছে। হকৰ অধিবক্তাই জামিন আৰেদন কৰিছিল যদিও শোণিতপুৰৰ ন্যায়িক দণ্ডাধীশৰ প্ৰথম শ্ৰেণীৰ ন্যায়াধীশ হৃদয়জ্যোতি কাশ্যপে দুয়ো পক্ষৰ যুক্তি শুনি হকৰ জামিনৰ আবেদন নাকচ কৰি ৫ দিনৰ ন্যায়িক জিম্মাত প্ৰদান কৰিছিল। ১৮ মাৰ্চত পুনৰ আদালতত হাজিৰ কৰাৰ নিৰ্দেশ দিছিল। হকৰ বিৰুদ্ধে দুটা গোচৰ শ্ৰীভূমিত, এটা গোচৰ বৰপেটাত, এটা গোচৰ কোকৰাঝাৰত, এটা গোচৰ গোসাঁইগাঁৱত আন এটা ১১ মাৰ্চত ঢেকীয়াজুলিত ৰুজু কৰা হয়। শ্ৰীভূমিৰ এটা গোচৰত জামিন দিছিল উচ্চ ন্যায়ালয়ে। দ্বিতীয়টো গোচৰত জামিনক লৈ ১১ মাৰ্চত শুনানি সমাপ্ত হয় যদিও ৰায় নিদি সংৰক্ষণ কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ে। জামিনৰ ৰায় ঘোষণাৰ পূৰ্বেই ষষ্ঠটো গোচৰত ৰুজু কৰা হয়। হকৰ বিৰুদ্ধে ৰুজু তিনিটা গোচৰত গ্ৰেপ্তাৰ নকৰিবলৈ উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছিল। হকৰ বিৰুদ্ধে পঞ্চমটো গোচৰ গোসাঁইগাঁও আৰক্ষী থানাত ৰুজু হৈছিল। উত্তীৰ্ণ কৰাই দিম বুলি এগৰাকী শিক্ষাৰ্থীক পৰীক্ষাত বহুৱাৰ অভিযোগ তুলি শিক্ষাৰ্থীগৰাকীৰ অভিভাৱকে এজাহাৰ দাখিল কৰিছিল। গোসাইগাঁও আৰক্ষী থানাত ৰুজু তৃতীয় গোচৰৰ সন্দৰ্ভত মহবুবুল হকক গ্ৰেপ্তাৰ কৰাত বাধা দি নিৰ্দেশ জাৰি কৰিছিল উচ্চ ন্যায়ালয়ে। ক্ৰিপাঞ্জলি বসুমতাৰী নামৰ ছাত্ৰীৰ মাতৃ লিলাৱতী বসুমতাৰীয়ে গোসাঁইগাঁও আৰক্ষী থানাত গোচৰ ৰুজু কৰি গোসাইগাঁৱৰ পৰিৱৰ্তে প্ৰায় ৪০০ কিলোমিটাৰ দূৰৰ পাথাৰকান্দিত ক্ৰিপাঞ্জলিক পৰীক্ষা দিবলৈ নিয়াৰ অভিযোগ আনি পৰীক্ষাৰ নম্বৰ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়াৰ অভিযোগ উত্থাপন কৰিছিল। ইউএছটিএমৰ আচাৰ্য মহবুবুল হকক ২১ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ডেৰ বজাত গ্ৰেপ্তাৰ কৰিছিল অসম আৰক্ষীয়ে। মহানগৰীৰ ঘোঁৰামৰাৰ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি বৰাক উপত্যকাৰ শ্ৰীভূমি নিছিল। উল্লেখ্য যে, মহবুবুল হকৰ ইআৰডি নামৰ এটা ফাউণ্ডেচনপ অধীনত চলা চিবিএছইৰ শ্ৰীভূমিৰ পাথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুল চিবিএছইৰ পৰীক্ষাৰ কেন্দ্ৰ কৰা হৈছিল। পথাৰকান্দিৰ চেণ্ট্ৰেল পাব্লিক স্কুলৰ পৰীক্ষা কেন্দ্ৰত ২০ ফেব্ৰুৱাৰীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পৰীক্ষা কেন্দ্ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ ইআৰডি ফাউণ্ডেচনৰ অধীনৰ শিক্ষানুষ্ঠানৰ ২১৪গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষা হ'লত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰিছিল। পৰীক্ষাৰ্থীকসকলক বিশেষ সুবিধা দিয়াৰ প্ৰতিশ্ৰুতি দিয়াৰ অভিযোগ আনি সেই সুবিধা নোপোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। পূৰ্বেই কোকৰাঝাৰ, বৰপেটা আৰু গোসাইগাঁৱৰ গোচৰৰ লগতে সকলো বিচাৰাধীন গোচৰত উচ্চ ন্যায়ালৰ তৰফৰ পৰা স্থগিতাদেশ লাভ কৰিছে। হকৰ গ্ৰেপ্তাৰক লৈ যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈ আহিছে। আৰোপ ভিত্তিহীন আৰু ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিযোগ উঠি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসমত বন্দী ১৩ বাংলাদেশীক বিতাড়ন

চৰকাৰে অসমৰ বন্দী বিদেশীক বহিষ্কাৰ কৰিবলৈ বাধ্য হৈছে। চৰকাৰ বিদেশীক বহিষ্কাৰ নকৰাত বাৰে বাৰে উচ্চতম ন্যায়ালয়ে ভৰ্ৎসনা কৰিছিল। তাৰ মাজতে কেন্দ্ৰীয় চৰকাৰে উচ্চতম ন্যায়ালয়ক জাননী দি কয় যে অসমৰ গোৱালপাৰা জিলাৰ মাটিয়া ট্ৰেনজিট কেম্পত বন্দী ৬৩ জন বাংলাদেশী নাগৰিকৰ ভিতৰত ১৩ জনক সফলতাৰে বিতাড়ন কৰা হৈছে। শুনানিৰ সময়ত কেন্দ্ৰ আৰু অসম চৰকাৰ দুয়োকে প্ৰতিনিধিত্ব কৰা ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ন্যায়াধীশ অভয় এছ ওকা আৰু উজ্জ্বল ভূঞাৰ বিচাৰপীঠক এই কথা অৱগত কৰিছে। উচ্চতম ন্যায়ালয়ক কেন্দ্ৰই কয় যে অসমৰ ডিটেনচন চেণ্টাৰত বাস কৰা বাকী অবৈধ অনুপ্ৰৱেশকাৰীসকলক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ বাবে আলোচনা চলি আছে। বাংলাদেশ উচ্চায়ুক্তই নিৰ্বাসন প্ৰক্ৰিয়াত সক্ৰিয় ভূমিকা পালন কৰে। প্ৰথমে বন্দীসকলৰ ৰাষ্ট্ৰীয়তা নিশ্চিত কৰিব লাগিব। ৪ ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ে ট্ৰেনজিট কেম্পত থকা ৬৩ জন লোকক বিতাড়ন নকৰি চৰকাৰ নিষ্ক্ৰিয় হৈ থকাৰ বিষয়ে উদ্বেগ প্ৰকাশ কৰিছিল। যিসকলৰ ৰাষ্ট্ৰীয়তা ইতিমধ্যে নিশ্চিত কৰা হৈছিল। ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ব্যাখ্যা কৰিছিল যে দুটা শ্ৰেণীৰ অবৈধ বিদেশী আছে। নিশ্চিত ৰাষ্ট্ৰীয়তা থকা অ-ভাৰতীয় বুলি চিনাক্ত কৰা আৰু আনসকল হৈছে যাৰ ৰাষ্ট্ৰীয়তা ন্যায়াধিকৰণৰ দ্বাৰা অ-ভাৰতীয় ঘোষণা কৰা। তেওঁ আৰু কৈছিল যে বাকী বন্দীসকলৰ বাবে প্ৰমাণীকৰণ প্ৰক্ৰিয়া বৰ্তমান বাংলাদেশ উচ্চায়ুক্তৰ সহযোগত চলি আছে। ছলিচিটৰ জেনেৰেলে দৃঢ়তাৰে কয় যে চৰকাৰে এই লোকসকলক স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰাৰ বাবে কূটনৈতিক প্ৰচেষ্টা চলাই আছে আৰু তেওঁলোকৰ নাগৰিকত্ব প্ৰমাণীকৰণৰ পিছত তেওঁলোকৰ যাৱতীয় নথিপত্ৰৰ প্ৰক্ৰিয়া চলিব। আটকাধীন ব্যক্তিসকলৰ ৰাষ্ট্ৰীয়তা স্থিতি প্ৰমাণীকৰণ বিন্যাস ১৪ ফেব্ৰুৱাৰীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে অসম চৰকাৰক \৩০ এপ্ৰিলৰ ভিতৰত ৰাষ্ট্ৰীয়তা প্ৰমাণীকৰণৰ স্থিতি আৰু অতিৰিক্ত বিতাড়নৰ বিৱৰণ দি এখন শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। পৰৱৰ্তী শুনানি ৬ মেত হ'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাৰ এথিক্স কমিটীয়ে কৰিব

(চিপিআই-এম)ৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা ভাইৰেল ফোন ৰেকৰ্ডিং প্ৰসঙ্গই শেহতীয়াকৈ ৰাজ্যৰ ৰাজনীতিত সৃষ্টি কৰিছে তীব্ৰ বিতৰ্কৰ। জনৈক হৰ্ষ নামৰ এজন লোকৰ সৈতে ফৌনিক আলাপৰ এই ৰেকৰ্ডিং ভাইৰেল হোৱাৰ পিছতে বিৰোধীৰ টাৰ্গেট হৈ পৰিছে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ। অৱশ্যে এই ভাইৰেল অডিঅ' ভুৱা আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা নিৰ্মাণ কৰা বুলি দাবী কৰিছে বিধায়ক তালুকদাৰে। কিন্তু তেওঁৰ এই দাবীৰ মাজতে আজি বিধানসভাৰ মজিয়াতো উত্থাপন হ'ল মনোৰঞ্জন তালুকদাৰে তথাকথিত চিণ্ডিকেটৰ পৰা 'হেভী এমাউন্ট' বিচৰা এই কল ৰেকৰ্ডিঙৰ প্ৰসংগ। লখিমপুৰৰ বিধায়ক মানৱ ডেকাই সদনৰ মজিয়াত উত্থাপন কৰে এই বিষয়টো। তাৰ পিছত ক্ষন্তেক বাক-বিবাদৰ পিছত কল ৰেকৰ্ডিঙৰ বিষয়টো বিধানসভাৰ এথিক্স কমিটিলৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিয়ে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে। ইয়াৰ পূৰ্বে মানৱ ডেকাই সদনত দাবী কৰে যে তালুকদাৰে চিণ্ডিকেটৰ বিষয়ে সদনত আলোচনাৰ সময়ত কেইজনমান লোকৰ নাম উল্লেখ কৰিছিল, কিন্তু আমোদজনকভাৱে একে কেইজন লোকৰ সৈতেই তেওঁ ধনৰ বিনিময়ৰ কথা-বতৰা পাতিছে। ডেকাই কয়, "তালুকদাৰে নিজৰ ইচ্ছামতে কাম কৰিব পাৰে, কিন্তু সদনক ব্লেকমেইলৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰাটো গ্ৰহণযোগ্য নহয়।" ইয়াৰ বিপৰীতে তালুকদাৰে প্ৰথমে এই বিষয়টো সদনত উত্থাপনৰ বিৰোধিতা কৰি কয় যে ই বিধানসভাৰ আলোচনাৰ বাবে উপযুক্ত নহয়। তেওঁ দাবী কৰে যে ভাইৰেল অডিঅ'টো কৃত্ৰিম বুদ্ধিমত্তাৰ (এআই) দ্বাৰা সৃষ্টি কৰা হ'ব পাৰে আৰু ইয়াৰ সত্যতা প্ৰমাণৰ বাবে তেওঁ আদালতৰ কাষ চাপিব। তেওঁ কয়, "যদি কোষাগাৰে প্ৰমাণ কৰিব পাৰে যে মই চিণ্ডিকেটৰ লোকৰ সৈতে কথা পাতি ধন দাবী কৰিছো, মই ৰাজনৈতিক জীৱন ত্যাগ কৰিম।" এই অডিঅ' ৰেকৰ্ডিঙৰ প্ৰসংগত আদালতৰ দাৰস্থ হ'ব বুলিও বিধানসভাত পুনৰবাৰ স্পষ্ট কৰে সৰভোগৰ বিধায়কগৰাকীয়ে। একে সময়তে তালুকদাৰে অসমত চলি থকা চিণ্ডিকেটৰ সমালোচনা কৰি কয়, "এক সমান্তৰাল অৰ্থনীতিৰ জৰিয়তে হাজাৰ কোটি টকা ব্যক্তিৰ পকেটত সোমাইছে, যিটো ৰাজহুৱা কোষাগাৰত থাকিব লাগিছিল। চৰকাৰে এইবোৰ ৰোধ কৰাত ব্যৰ্থ হৈছে।" পৰৱৰ্তী সময়ত সদনৰ মজিয়াত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও এই প্ৰসংগত নিজৰ মন্তব্য প্ৰকাশ কৰি কয় যে চিণ্ডিকেটৰ বিষয়টো আগতেও আলোচনা হৈছে, সেয়ে এই ফোন কলৰ প্ৰসঙ্গ উত্থাপন কৰা হৈছে। তেওঁ কয়, "অডিঅ'টোত কৃত্ৰিম বুদ্ধিমত্তাৰ সম্ভাৱনা আছে, ই সঁচা হ'ব পাৰে বা নহ'বও পাৰে। সদনত এই বিষয়ে চূড়ান্ত সিদ্ধান্ত ল'ব নোৱাৰি।" বিৰোধী নেতা দেৱব্ৰত শইকীয়াই তদন্ত অবিহনে সদনৰ নিন্দা গ্ৰহণযোগ্য নহয় বুলি আপত্তি দৰ্শায়। অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে কয়, "যদি অডিঅ'টো সঁচা বুলি প্ৰমাণিত হয়, তালুকদাৰৰ কাৰ্যকলাপক সদনে গৰিহণা দিয়ে।" তালুকদাৰে প্ৰতিক্ৰিয়াত কয়, "বিষয়টো আদালতলৈ যাব, কিয়নো সদনৰ বাহিৰৰ কথা-বতৰাক ইয়াত টানি আনি আলোচনা কৰা হৈছে।" তেওঁ অধ্যক্ষৰ এই সিদ্ধান্তক মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ ফল বুলিও কটাক্ষ কৰে। প্ৰসংগক্ৰমে শাসকীয় দলৰ বিধায়ক মানৱ ডেকাৰ বিৰুদ্ধে চিণ্ডিকেটৰ সৈতে জড়িত থকাৰ অভিযোগ একাধিকবাৰ উত্থাপন হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত সেইগৰাকী মানৱ ডেকায়েই মনোৰঞ্জন তালুকদাৰে চিণ্ডিকেটৰ পৰা ধন দাবী কৰা বুলি সদনৰ মজিয়াত ডিণ্ডিৰ শিৰ ফুলোৱা কাৰ্যক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে বিৰোধীয়ে। একে সময়তে সংখ্যাগৰিষ্ঠ বিজেপিৰ এথিক্স কমিটীলৈ এই বিষয়টো প্ৰেৰণ কৰা মানে যে বিজেপি চৰকাৰে অডিঅ' ৰেকৰ্ডিংটো সঁচা বুলি প্ৰতিপন্ন কৰিব বিচাৰিছে, তাত কোনো সন্দেহ নাই বুলিও মত ব্যক্ত কৰিছে একাংশই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীৰ 'প্ৰতিবাদ শূন্য' অসমত

সাব্যস্ত হৈছে এই প্ৰতিবাদসমূহ। অসম বিধানসভাত বাজেট অধিৱেশন চলি থকাৰ সময়তে প্ৰাপ্য বিচাৰি শিক্ষাগুৰুৱে উত্তাল কৰি তুলিলে দিছপুৰ লাষ্টগেট। সোমবাৰে দিছপুৰ লাষ্টগেটৰ পৰা প্ৰতিবাদী সমদল বাহিৰ কৰাৰ পৰিকল্পনা কৰিছিল অপ্ৰাদেশীকৃত শিক্ষক-কৰ্মচাৰী সন্থাই। কিন্তু প্ৰতিবাদলৈ ভয় কৰা চৰকাৰে আধাতেই এই প্ৰতিবাদ মষিমূৰ কৰাৰ পৰিকল্পনা সাজু কৰি ৰাখিছিল। সেই অনুসৰি প্ৰতিবাদৰ পূৰ্বৰে পৰা সমৰসদৃশ তৎপৰতাৰে সাজু হৈ থকা আৰক্ষীয়ে একাংশ শিক্ষকক লাষ্টগেটতেই আটক কৰে। কিন্তু তাৰ পাছতো নকমিল প্ৰতিবাদৰ চোক। ৰাজপথতেই বাগৰি বাগৰি প্ৰতিবাদকাৰীয়ে সমালোচনা কৰিলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। প্ৰতিবাদকাৰীয়ে দিছপুৰ লাষ্টগেটৰ পৰা সমদল কৰি বিধানসভাৰ সন্মুখলৈকে যোৱাৰ কথা আছিল। বিধানসভাৰ সন্মুখত থিয় হৈ তেওঁলোকে সাক্ষাৎ কৰিব বিচাৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। তেওঁক প্ৰদান কৰিবৰ বাবে প্ৰতিবাদকাৰীয়ে এখন স্মাৰক-পত্ৰও সাজু কৰি আনিছিল। কিন্তু মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি স্মাৰক-পত্ৰ প্ৰদান কৰাৰ পূৰ্বেই আটক কৰে আৰক্ষীয়ে। এগৰাকী প্ৰতিবাদকাৰীৰ অভিযোগ, এগৰাকী শিক্ষকে এখন বিদ্যালয়ত ২০-২৫ বছৰ ধৰি শিক্ষকতা কৰি আহিছে। কিন্তু তাৰ পাছতো তেওঁলোকে প্ৰাপ্য লাভ কৰা নাই। দৰমহা-পেন্সন সকলো সা-সুবিধাৰ পৰা বঞ্চিত এইসকল শিক্ষাগুৰু। সেয়ে প্ৰতিবাদকাৰীৰ দাবী, এগৰাকী বিধায়ক ৫ বছৰৰ বাবে এটা সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহে। কিন্তু তাৰ পাছতো তেওঁ গোটেই জীৱনৰ বাবে লাভ কৰে পেন্সন আদিৰ সুবিধা। এনে বৈষম্য কিয় বুলি ৰাজপথত বাগৰি বাগৰি প্ৰশ্ন কৰে প্ৰতিবাদী শিক্ষাগুৰুৱে। নিজৰ প্ৰাপ্য বিচাৰি আহিলেও মুখ্যমন্ত্ৰীয়ে আৰক্ষী বাহিনীৰ হতুৱাই অত্যাচাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। সেয়ে মুখ্যমন্ত্ৰীক শিক্ষাগুৰুৰ প্ৰশ্ন, আপোনাৰ মানৱতা, দয়া নাই নেকি? আপোনাৰ আজি মানৱতা ক'ত হেৰাই গ'ল? আন এগৰাকী শিক্ষকে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক সকীয়নি প্ৰদান কৰি কয়, অতি শীঘ্ৰেই যদি তেওঁলোকৰ পদ প্ৰাদেশিকীকৰণ কৰা নহয়, তেতিয়া তেওঁলোকে শদিয়াৰ পৰা ধুবুৰীলৈকে ব্যাপক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব। এই আন্দোলনৰ কালত যদি কিবা অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়, তেতিয়া ইয়াৰ বাবে মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীয়েই জগৰীয়া হ'ব বুলিও হুংকাৰ প্ৰদান কৰে। আনফালে, সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই আজি চচলত প্ৰতিবাদ সাব্যস্ত কৰে। পুৰণি পেন্সন ব্যৱস্থা বাহাল ৰখাৰ দাবীত আজি কেইবাশ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম এনপিএছ কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সমিতিৰ আহ্বানমৰ্মে গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰি কৰ্মচাৰীসকলে কয় যে এজন চৰকাৰী কৰ্মচাৰীৰ অৱসৰৰ পাছত পেন্সন প্ৰদান কৰাটো চৰকাৰৰ নৈতিক দায়িত্ব। এজন বিধায়ক বা সাংসদে মাত্ৰ পাঁচবছৰৰ বাবে নিৰ্বাচিত হৈ আজীৱন পেন্সন লাভ কৰিব। বিপৰীতে জীৱনৰ ৬০টা বছৰ চৰকাৰ তথা দেশসেৱাত নিয়োজিত হৈ এজন কৰ্মচাৰীয়ে কিয় পেন্সন লাভ নকৰিব তাৰ উত্তৰ দিয়ক চৰকাৰে। আন্দোলন অবিহনে এই দেশত কিবা প্ৰাপ্য আদায় কৰিব পাৰি জানো বুলিও উদ্বেগ প্ৰকাশ কৰে সদৌ অসম চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাই। মুখ্যমন্ত্ৰীয়ে প্ৰতিবাদ নেদেখা ৰাজ্যত এতিয়া এনেকৈয়ে নিতৌ সাব্যস্ত হৈছে প্ৰতিবাদ। ইয়াৰ পাছতো মুখ্যমন্ত্ৰীৰ গা লৰিবনে?

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



আঘাতপ্ৰাপ্ত হাতেৰেই ‘গে’ম’ খেলিলে উপাধ্যক্ষ নোমল মমিনে, ফটোঃ সাংবাদিক অমৰেন্দ্ৰ ডেকাৰ ফেছবুক প্ৰফাইলৰ পৰা

## ৩.৩২ লাখ পৰিক্ষাৰ্থীৰ জীৱনৰ সৈতে হেতালি

# অনিৰ্দিষ্ট কাললৈ ৫ বিষয়ৰ পৰীক্ষা বাতিল

**ই-সংবাদ, ২৪ মাৰ্চঃ** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ সকলো পৰীক্ষা স্থগিত ঘোষণা কৰে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰাৰ পিছতহে সংশোধিত পৰীক্ষাৰ সময়সূচী ঘোষণা কৰিব। আজি পৰিষদে উল্লেখ কৰি কয় যে উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ ২৪ মাৰ্চৰ পৰা অনুষ্ঠিত হ’বলগীয়া পাঁচটা পৰীক্ষা চৰকাৰে বাতিল কৰা হৈছে। ফলত ছাত্ৰ-ছাত্ৰীৰ শেষাংশ ৭ পৃষ্ঠাত

# আত্মসন্মান লাঘৱ হোৱাৰ ভয়, চৰম সিদ্ধান্ত গ্ৰহণ বালিকাৰ!

## লাহোৱালৰ বকুল কাঠগাঁৱত শোকাৱহ ঘটনা

**ই সংবাদ, চাবুৱা-লাহোৱাল, ২৪ মাৰ্চঃ** অবুজ মনৰ বালিকাই সামান্য ভুল কৰি আত্মসন্মান লাঘৱ হোৱাৰ ভয়ত ভয়ংকৰ কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপন হৈছে ডিব্ৰুগড় জিলাৰ লাহোৱালত। ওচৰ-চুবুৰীয়াৰ পৰা এটা মোবাইল চুৰি কৰাৰ অভিযোগ উঠাত সমাজত আত্মসন্মান লাঘৱ হোৱাৰ ভয়ত ঘৰৰ পৰা ওলাই যায় এগৰাকী কিশোৰী। ৩ দিনৰ মূৰকত সেই কিশোৰীৰ মৃতদেহ দেওবাৰে সন্ধিয়া নৈত উদ্ধাৰ হয়। লাহোৱালৰ বকুল কাঠগাঁৱত সংঘটিত হৈছে এই ঘটনা। জানিব পৰা মতে, শেষাংশ ৭ পৃষ্ঠাত

# উগ্ৰ হিন্দুত্ববাদীৰ আগ্ৰাসী কাৰ্যকলাপত শ্ৰীভূমিত উত্তেজনা, ৪ জন আৰক্ষীৰ জিম্মাত

**ই-সংবাদ, ২৪ মাৰ্চঃ** বৰাক উপত্যকাৰ শ্ৰীভূমিত ইফতাৰ পাৰ্টি চলি থকাৰ সময়তে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। দুজন হিন্দু মহিলাক অন্য ধৰ্মৰ লোকৰ সৈতে হিন্দু সুৰক্ষা দলৰ সদস্যই দেখাৰ পিছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। ২৩ মাৰ্চত শেষাংশ ৮ পৃষ্ঠাত

# চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ দাবীৰে চেলেংহাটত আটছাৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, মৰিয়নি, ২৪ মাৰ্চঃ** যোৰহাট জিলাৰ মৰিয়নিৰ চেলেং চাহ বাগিচাত অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ চেলেংহাট উপ-শাখাৰ উদ্যোগত আৰু সংগঠনটোৰ বিভিন্ন প্ৰাথমিক গোট আৰু স্থানীয় ৰাইজৰ সহযোগত আজি এক প্ৰতিবাদী কাৰ্যসূচী পালন কৰে। চেলেং চাহ বাগিচাৰ শ্ৰমিকসকলে দীৰ্ঘদিন ধৰি ভুগি থকা জলন্ত শেষাংশ ৮ পৃষ্ঠাত

# প্ৰগতিশীল নাৰী সন্থাৰ দেশৰ মুখ্য ন্যায়াধীশলৈ স্মাৰক-পত্ৰ প্ৰেৰণ

**ই-সংবাদ, বেৰেঙীয়া, ২৪ মাৰ্চঃ** সদৌ ভাৰত প্ৰগতিশীল নাৰী সন্থা চমুকৈ 'আইপোৱা'ৰ কেন্দ্ৰীয় সমিতিয়ে যোৱা ১৭ মাৰ্চত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশে দিয়া ৰায়ৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদী স্মাৰক-পত্ৰ প্ৰদানৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই সোমবাৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিয়ে নগাঁও জিলা আয়ুক্তৰ জৰিয়তে শেষাংশ ৭ পৃষ্ঠাত

# জিএছপিৰ উত্থানত শংকিত প্ৰমোদ বড়োঃ নিতুল হালৈ

**ই-সংবাদ, মুছলপুৰ, ২৪ মাৰ্চঃ** গণ সুৰক্ষা পাৰ্টী চমুকৈ জি এছ পি দলৰ উত্থান দেখি শংকিত হৈছে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো। যাৰবাবে তেওঁ যিকোনো যুৱকক ইউ পি পি এল দলত যোগদান কৰোৱাই গণ সুৰক্ষা পাৰ্টীৰপৰা যোগদান কৰা বুলি প্ৰচাৰ কৰিছে। এই মন্তব্য ৰাজনৈতিক দল গণ শেষাংশ ৮ পৃষ্ঠাত

# ভৱানীপুৰৰ যুৱক দীপাংকৰ দাসৰ ‘যুৱ ভাৰতৰ কণ্ঠ’ শিতানত ৩য় স্থান

**ই-সংবাদ, ভৱানীপুৰ, ২৪ মাৰ্চঃ** ভৱানীপুৰৰ উত্তৰ নহাটী গাঁৱৰ বাসিন্দা তথা উদীয়মান যুৱক দীপাংকৰ দাসে অলপতে বিহাৰৰ ৰাজধানী পাটনাৰ সদাকট আশ্ৰমত সৰ্বভাৰতীয় যুৱ কংগ্ৰেছৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয়পৰ্যায়ৰ আঞ্চলিক ভাষাৰ চূড়ান্ত প্ৰতিযোগিতাত দেশৰ বিভিন্ন ঠাইৰ অংশগ্ৰহণকাৰী তিনি সহস্ৰাধিক প্ৰতিযোগীৰ মাজত তৃতীয় স্থান লাভ কৰিছে।ৰাজ্যখনত অসম প্ৰদেশৰ যুৱ শেষাংশ ৮ পৃষ্ঠাত

# জনজাতীয় ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে ডিমৰীয়াত নাগৰিক সভা

**ই-সংবাদ, ২৪ মাৰ্চঃ** গুৱাহাটী মহানগৰীৰ ডিমৰীয়াত ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত আছে। ডিগাৰুত বায়ু সেনা কেন্দ্ৰৰ বাবে ভূমি অধিগ্ৰহণ আৰু দশম অসম আৰক্ষী বেটেলিয়ন কঁচুতলিলৈ স্থানান্তৰৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত থকাৰ মাজতে এইবাৰ বৃহত্তৰ ডিমৰীয়া নগৰিক সুৰক্ষা সমিতিয়ে নাগৰিক সভা অনুষ্ঠিত কৰে। সদৌ অসম ছাত্ৰ সন্থা, জনজাতি মহা সংঘ অসম, অল টিৱা ষ্টুডেন্টছ ইউনিয়ন, কাৰ্বি ছাত্ৰ সন্থা, কাৰ্বি বাংথে আচেম, বড়ো-কছাৰী যুৱ ছাত্ৰ সন্থা, কামৰূপ মহাগৰ ভূমি সুৰক্ষা সমিতি, চাহ জনজাতি ভূমি সুৰক্ষা সমিতি, সদৌ ডিমৰীয়া মহিলা সংঘ, ডিমৰীয়া বাথৌ সমিতি আৰু অসম চাহ শেষাংশ ৭ পৃষ্ঠাত

**জনজাতীয় বেল্টৰ সুৰক্ষা আৰু অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ আইন, ১৮৮৬ উলংঘাৰে ডিমৰীয়াত স্থাপন কৰিবলৈ গৈ আছে ১০ম এপিবিএন**

---

**জনজাতীয় লোকক লাভান্বিত কৰিব পৰা প্ৰকল্পৰ সলনি নিৰাপত্তা প্ৰতিষ্ঠানবোৰহে জনজাতীয় এলেকাৰ মাটিত জাঁপি দিয়াৰ অভিযোগ**

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অনিৰ্দিষ্ট কাললৈ ৫ বিষয়ৰ পৰীক্ষা

ভৱিষ্যতক লৈ কেইবা হাজাৰ অভিভাৱক অনিশ্চিয়তাত ভুগিছে। লাখ লাখ পৰিক্ষাৰ্থীয়ে দীৰ্ঘদিনীয়া প্ৰস্তুতিৰ অন্তত পৰীক্ষা বহিবলৈ সাজু হৈ আছিল যদিও অনিশ্চয়তাত সময় পাৰ কৰিছে। প্ৰায় ৩.৩২ লাখ শিক্ষাৰ্থীয়ে শিক্ষা বিভাগৰ স্পষ্টতাৰ বাবে অনিশ্চিত শৈক্ষিক ভৱিষ্যতৰ দিশে আগবাঢ়িছে। প্ৰশ্নকাকত লিক গোচৰ সন্দৰ্ভত চিআইডিত এটা গোচৰ ৰুজু কৰিছে পৰিষদে। দ্ৰুততাৰে পাঁচ জনীয়া চিআইডিৰ দলে বিষয়টো তদন্ত কৰিবলৈ আজি পৰিষদৰ কাৰ্যালয়লৈ গৈছিল। দলটোৱে পৰীক্ষা নিয়ন্ত্ৰকক কাকত ফাদিল সম্পৰ্কে জেৰা কৰিছিল বুলি জানিব পৰা গৈছে। কাকত ফাদিলত জড়িত সকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ ইংগিত দিয়ে চিআইডিয়ে। ইফালে, প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত কেবাখনো বিদ্যালয় চিনাক্ত কৰা হৈছে। ধেমাজি জিলাৰ ছখন বিদ্যালয় পৰীক্ষাৰ কাকত লিকত জড়িত থকাৰ অভিযোগ উত্থাপিত হৈছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জনজাতীয় ভূমি অধিগ্ৰহণৰ বিৰুদ্ধে

জনজাতি ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ উপস্থিতিত নাগৰিক সভা অনুষ্ঠিত হয়। ডিমৰীয়াৰ কেইবাটাও থলুৱা সংগঠনে স্থানীয় জনজাতিৰ অধিকাৰ আৰু কল্যাণৰ বাবে ক্ষতিকাৰক সিদ্ধান্ত বুলি কয়। দশম অসম আৰক্ষী বেটেলিয়ন (এপিবিএন)ক সোণাপুৰৰ কঁচুতলিলৈ স্থানান্তৰৰ ৰাজ্য চৰকাৰৰ সিদ্ধান্তৰ লগতে ডিগাৰু বায়ু সেনা কেন্দ্ৰৰ ওচৰত নিৰ্মাণ, নিৰন্তৰ ঔদ্যোগিক প্ৰদূষণ আৰু অঞ্চলটোত দীৰ্ঘদিন ধৰি বিলম্বিত পানী যোগান প্ৰকল্পৰক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। দশম এপিবিএনক গুৱাহাটীৰ পৰা সোণাপুৰৰ জনজাতীয় ভূমিলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্তই অসম ভূমি আৰু ৰাজহ নিয়ন্ত্ৰণ আইন, ১৮৮৬-ৰ অধ্যায় দশম উলংঘা কৰাৰ লগতে জনজাতীয় বেল্টৰ সুৰক্ষা উলংঘা কৰা বুলি কয়। ডিমৰীয়া নগৰিক সুৰক্ষা সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰংহাঙে কয় যে ডিমৰীয়াত এছএছবি, আইটিবিপি, এনআইএ আৰু বায়ু সেনাৰ বাবে জনজাতীয় অঞ্চলৰ বিস্তীৰ্ণ ভূমি দখল কৰা হৈছে। প্ৰকল্পবোৰে আমাৰ লোকসকলক লাভান্বিত কৰাৰ পৰিবৰ্তে নিৰাপত্তা প্ৰতিষ্ঠানবোৰ কিয় আমাৰ ওপৰত জাপি দিয়া হৈছে বুলি কয়। তেওঁ লগতে কয় যে আমি উন্নয়নৰ বিৰোধী নহয়, কিন্তু চৰকাৰে কিয় জনজাতীয়-নিৰ্দিষ্ট প্ৰকল্প যেনে মীন পালন বা কৃষি প্ৰকল্প, কৃষি গৱেষণা কেন্দ্ৰ, বিশ্ববিদ্যালয় বা সংগ্ৰহালয় আনিব নোৱাৰে। যাৰ দ্বাৰা লোকসকলক উপকৃত কৰিব পাৰে? আমাৰ বায়ু, পানী আৰু মাটি প্ৰতিদিনে দূষিত হৈছে। আন এজন নেতা ৰমেন কাথাৰে কয় যে চৰকাৰে ঔদ্যোগিক সম্প্ৰসাৰণত সহায় কৰি খিলঞ্জীয়া বাসিন্দাসকলৰ মৌলিক পাৰিপাৰ্শ্বিক অধিকাৰক উপেক্ষা কৰি আহিছে। ডিমৰীয়াক বিশুদ্ধ খোৱা পানী প্ৰদান কৰাৰ বাবে ২০১০ চনত আৰম্ভ কৰা পানী যোগান আঁচনি অসম্পূৰ্ণ হৈ আছে। বিশ্ব বেংকৰ সহায়ত এটা প্ৰকল্প ইমান দিনধৰি কেনেকৈ অসম্পূৰ্ণ হৈ আছে সেয়া চিন্তাৰ কাৰণ। আমাৰ ভূগৰ্ভস্থ পানী ফ্লুৱাইড-দূষিত আৰু এই প্ৰকল্পটো আমাৰ বিশুদ্ধ খোৱা পানীৰ একমাত্ৰ আশা আছিল। চৰকাৰে আমাক বআশাহত কৰিছে। নাগৰিক সভাৰ নেতাসকলে প্ৰতিবাদ অব্যাহত থকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অঞ্চলটোৰ সমস্যাসমূহৰ বিষয়ে স্থানীয় লোকসকলক সজাগ কৰিবলৈ ডিমৰীয়াৰ ১২ খন গাঁও পঞ্চায়তত সজাগতা সভা অনুষ্ঠিত কৰাৰ পৰিকল্পনা ঘোষণা কৰে। দশম এপিবিএন ৰ স্থানান্তৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ বিষয়ৰ বিৰুদ্ধে সমূহীয়া প্ৰতিবাদ কৰাৰ সংকল্প লয়। চৰকাৰে আমাক ৰাজপথলৈ যোৱাৰ বাহিৰে আন কোনো উপায় এৰি দিয়া নাই। আমি নিৰাপত্তাৰ বাবে জনজাতীয় বেল্ট বলি দিবলৈ নিদিওঁ। এই বিষয়ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জৰুৰী হস্তক্ষেপ বিচাৰি এখন যুটীয়া স্মাৰকপত্ৰ দাখিল কৰাৰ পৰিকল্পনা কৰিছে সংগঠনসমূহে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আত্মসন্মান লাঘৱ হোৱাৰ ভয়, চৰম

লাহোৱালৰ বকুল কাঠগাঁৱৰ চাপৰি লাইনৰ জনৈক ৰবি দাসৰ কন্যাৰ বিৰুদ্ধে ওচৰৰ এঘৰ লোকে এটা মোবাইল চুৰি কৰাৰ অভিযোগ আনিছিল। পিতৃ তথা পৰিয়ালৰ জ্যেষ্ঠসকলে যদি মোবাইল চুৰি কৰি আনিছা তেন্তে উভতাই দিয়া বুলি কন্যাক কঠোৰ নিৰ্দেশ দিছিল। বাৰ বাৰে কন্যাই মোবাইল চুৰি কৰা নাছিল বুলি কৈ চুৰি কৰাৰ কথা নস্যাৎ কৰিছিল। কিন্তু পিছত কিশোৰীয়ে মোবাইলটো পৰিয়ালৰ এজন সদস্যক চমজাই দিছিল। মোবাইল চমজাই দিয়াৰ পিছতে পিতৃয়ে খঙৰ ভমকত নিজ কন্যাৰ ওপৰত হাত উঠাই। পিতৃৰ শাস্তি, চুৰি কৰি ভুল কৰাৰ অনুশোচনা আৰু আত্মসন্মান লাঘৱ হোৱাত কিশোৰীয়ে ২১ মাৰ্চত ঘৰৰ পৰা ওলাই যায়। কন্যাই যি ওলাই যায় ঘৰলৈ আৰু উভতি নহাত পৰিয়ালে স্থানীয় আৰক্ষীক অৱগত কৰে। বিগত তিনিটা দিন কন্যাৰ কোনো শুংসূত্ৰ উদ্ধাৰ নোহোৱাত দুচিন্তাত সময় পাৰ কৰিছিল পৰিয়ালটো। কিন্তু দেওবাৰে সন্ধিয়া কিশোৰীৰ মৃতদেহ নৈৰ পানীত ওপঙি থকা অৱস্থাক উদ্ধাৰ হয়। লাহোৱালৰ বকুল-টিমনা সংযোগী দলঙৰ কাষৰ চেঁচা নৈত শৰীৰটো উদ্ধাৰ হয়। কিশোৰীৰ মৃতদেহ উদ্ধাৰৰ পিছতহে কিশোৰীগৰাকী ঘৰৰ পৰা নিৰুদ্দেশ হোৱাৰ কাহিনী পিতৃৰ ভাষ্যৰ জৰিয়তে পোহৰলৈ আহিছে। ঘটনাস্থলীত লাহোৱাল আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰিছে আৰু মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। আৰক্ষীয়ে তদন্তও আৰম্ভ কৰিছে। কিশোৰীয়ে আত্মহত্যা কৰাৰ সন্দেহ কৰা হৈছে যদিও হত্যাৰ বলি হ'ব পাৰে বুলিও একাংশ লোকে সন্দেহ কৰিছে। একাংশ লোকে ঘটনাক গুৰুত্বসহকাৰে লৈ তদন্ত কৰিবলৈ আৰক্ষীৰ অনুৰোধ জনাইছে। তিনিদিনে নিৰুদ্দিষ্ট কিশোৰীগৰাকীক দুষ্কৃতিকাৰীয়ে হত্যা কৰাৰো সন্দেহৰ থল আছে বুলি কয় একাংশ লোকে। কিয়নো এমাহৰ পূৰ্বেই একেখন নৈত এগৰাকী যুৱতীক দলবদ্ধ ধৰ্ষণ কৰি পেলাই দিছিল দুৰ্বৃত্তই। পিতৃৰ ভাষ্য অনুসৰি মোবাইল ফোনটোৱে কিশোৰীগৰাকীৰ কাল হ'ল নেকি? এই প্ৰশ্নও উত্থাপন হ'ব ধৰিছে। এতিয়া সমগ্ৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰগতিশীল নাৰী সন্থাৰ দেশৰ মুখ্য

দেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। এক বিবৃতিৰ দ্বাৰা সদৌ ভাৰত প্ৰগতিশীল নাৰী সন্থাৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ নগাঁও জিলা সমিতিৰ সভানেত্ৰী, অধিবক্তা পৰী কুমাৰী বৰুৱা আৰু জিলা সমিতিৰ সম্পাদিকা আয়েফা বেগমে এই বিষয়ে জানিবলৈ দি কয় যে, যোৱা ১৭ মাৰ্চত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰাম মনোহৰ নাৰায়ণ মিশ্ৰই এগৰাকী ১১ বছৰীয়া নাবালিকাক ধৰ্ষণ কৰিবলৈ চেষ্টা কৰা সন্দৰ্ভত যি ৰায়দান কৰিলে ই সঁচাকৈয়ে দেশৰ নাৰী সমাজক স্তম্ভিত কৰি তুলিছে। ন্যায়াধীশ মিশ্ৰই দিয়া ৰায়ে ধৰ্ষণ কৰিবলৈ চেষ্টা কৰা দুজনক সুৰক্ষা দিয়াৰ লগতে দেশত বলাৎকাৰ সম্পৰ্কীয় ভাৰতীয় দণ্ডবিধি আইনৰ ৩৫৪ (খ) আৰু ৩৭৬ (ক) ধাৰা তথা প'কচ' আইনৰ ৮, ৯, ১০ আৰু ৩০ ধাৰাকো নাকচ কৰিছে। যিয়ে সামগ্ৰিকভাৱে ধৰ্ষণৰ বিৰুদ্ধে নাবালিকা তথা কন্যা শিশুৰ সুৰক্ষা বিষয়ৰ আইনগত নীতিসমূহকেই নাকচ কৰিছে। দৰাচলতে এই ৰায়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰ গৰ্ভৰপৰা সৃষ্ট ভাৰতৰ সংবিধানক হেয় কৰি মনুসংহিতাক প্ৰতিষ্ঠা কৰাৰহে পথ প্ৰশস্ত কৰিছে বুলি নেত্ৰী দুগৰাকীয়ে দাবী কৰে। স্মাৰক-পত্ৰত মহামান্য উচ্চতম ন্যায়ালয়ে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ সন্দৰ্ভত স্বতঃপ্ৰণোদিত হৈ গোচৰ ৰুজু কৰিবলৈ দাবী জনোৱাৰ লগতে নাৰীৰ স্বাধীনতা, অধিকাৰ, সমতা আৰু ন্যায় প্ৰদান কৰাটো সুৰক্ষিত কৰিবলৈ দাবী জনায়। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী ৰতি ৰাও আৰু সাধাৰণ সম্পাদিকা মীনা তিৱাৰীৰ স্বাক্ষৰিত স্মাৰক-পত্ৰখন জিলা আয়ুক্তৰ হৈ অতিৰিক্ত আয়ুক্ত অৰুণাভ চৌধুৰীয়ে গ্ৰহণ কৰে। এই কাৰ্যসূচীত জিলা সভানেত্ৰী-সম্পাদিকাৰ লগতে কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জিএছপিৰ উত্থানত শংকিত প্ৰমোদ

সুৰক্ষা পাৰ্টী যুৱ মৰ্চাৰ বাক্সা জিলা সমিতিৰ সভাপতি নিতুল হালৈৰ। মুছলপুৰত এক সংবাদমেল সম্বোধন কৰি এনেদৰে মন্তব্য কৰে যুৱনেতাজনে। তেওঁ কয় যে আজি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলপ্ৰধান প্ৰমোদ বড়োৱে চম্পক দত্ত আৰু বিশাল ৰয় নামৰ দুগৰাকী যুৱকক বাক্সা জিলা গণ সুৰক্ষা পাৰ্টী যুৱ মৰ্চাৰ সাংগঠনিক সম্পাদক আৰু সহকাৰী সম্পাদক হিচাপে চিনাকী দি যোগদান কৰোৱাইছে। কিন্তু এই দুগৰাকী যুৱক গণ সুৰক্ষা পাৰ্টীৰ সাধাৰণ সদস্যও নহয়। যুৱনেতাজনে প্ৰমোদ বড়োক প্ৰত্যাহ্বান জনাই কয় যে যোগদান কৰা যুৱক দুগৰাকীৰ গণ সুৰক্ষা পাৰ্টীৰ সৈতে থকা এটা স্নেপশ্বট যদি দেখুৱাব পাৰে তেন্তে আমি ৰাজনৈতিক জীৱন ত্যাগ কৰিম। তেওঁ ক্ষোভ উজাৰি কয় যে এনেদৰে ভুৱা প্ৰচাৰেৰে যোগদান কৰাই বিটিচিৰ কাৰ্যবাহী সদস্যগৰাকীয়ে আচলতে কি বুজাব বিচাৰিছে। মূলতঃ প্ৰমোদ বড়ো গণ সুৰক্ষা পাৰ্টীৰ উত্থানক লৈ শংকিত হৈছে। তেওঁ এনেয়ে দিহিঙা পৰিষদীয় সমষ্টিৰ পাৰিষদ ঘনশ্যাম দাসক লৈ শংকিত। কিয়নো ঘনশ্যাম দাসৰ বাবেই প্ৰমোদ বড়োৱে মুখ্য কাৰ্যবাহী সদস্যৰ আসনখনত বহাৰ সুযোগ পাইছিল আৰু সেইগৰাকী প্ৰমোদ বড়োৱে ঘনশ্যাম দাসৰ ই এম পদ কৰ্তন কৰিছিল। কিন্তু তাৰপিছতো ঘনশ্যাম দাস আজিও সমষ্টিবাসীৰ হিয়াৰ আমঠু। ইফালে, ইউ পি পি এলত যোগদান কৰা চম্পক দত্ত কিছুদিন আগত চোৰাং তেল সৰবৰাহ কৰি ৰঙাঘৰৰ আলহী হোৱা বুলিও উল্লেখ কৰে বাক্সা জিলা গণ সুৰক্ষা পাৰ্টী যুৱ মৰ্চাৰ সভাপতি নিতুল হালৈয়ে। আজিৰ সংবাদমেলত বাক্সা জিলা গণ সুৰক্ষা পাৰ্টী যুৱ মৰ্চাৰ সামাজিক মাধ্যম কোষৰ পৱিত্ৰ নাথ, দিহিঙা ব্লক যুৱ মৰ্চাৰ সভাপতি অজয় পাটগিৰী, কাঃসভাপতি জিতু বড়োকে ধৰি কেবাগৰাকীও নেতা উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰৰ যুৱক দীপাংকৰ দাসৰ 'যুৱ

কংগ্ৰেছৰ এগৰাকী অন্যতম সম্পাদক হিচাপে দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰি অহা যুৱ কংগ্ৰেছীগৰাকীৰ এনে কৃতিত্বত বিভিন্ন লোকে অভিনন্দনেৰে ওপচাই দিছে। যুৱ কংগ্ৰেছীগৰাকীয়ে মাতৃভাষা অসমীয়াৰ জৰিয়তে প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছিল। উল্লেখ্য, ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনিৰ ফলাফল কালি ঘোষণা কৰা হৈছিল। প্ৰতিযোগিতাৰ বিজয়ী যুৱ কংগ্ৰেছীগৰাকীক এটি স্মাৰক, প্ৰমাণ-পত্ৰ আদিকে ধৰি নগদ ২৫,০০০ টকাৰ এখন চেক আগবঢ়োৱা হয়। উল্লেখ্য, ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতাখনত নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সামাজিক মাধ্যমৰ অধ্যক্ষ পৱন খেৰা আৰু তথ্য আৰু প্ৰযুক্তি বিভাগৰ অধ্যক্ষা সুপ্ৰীয়া শ্ৰীনেটৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছপা আৰু বৈদ্যুতিক সংবাদ মাধ্যমৰ চাৰিগৰাকী জ্যেষ্ঠ সাংবাদিক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত উপস্থিত আছিল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চাহ শ্ৰমিকৰ সমস্যা সমাধানৰ দাবীৰে

সমস্যাসমূহৰ সমাধানৰ দাবীত আৰু বাগিচা কৰ্তৃপক্ষই শ্ৰমিকৰ ওপৰত চলোৱা শোষণ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ জনাই চেলেং চাহ বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া ধৰ্ণা কাৰ্যসূচী পালন কৰে। অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ চেলেংহাট উপ-শাখাই সমস্যাসমূহ সমাধানৰ বাবে পূৰ্ৱৱৰ্তী সময়ত জনোৱা স্মাৰক-পত্ৰৰ আলমত সমস্যাসমূহৰ সমাধান ক্ষেত্ৰত বাগিচা কৰ্তৃপক্ষই কোনোধৰণৰ সঁহাৰি নজনোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰ কাৰ্যসূচী পালন কৰা হয় বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিয়ে। প্ৰতিবাদকাৰীসকলে বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে চাহ শ্ৰমিকৰ শোষণ নীতি নচলিব, দালালগিৰী বন্ধ কৰক, উই ৱাণ্ট জাষ্টিচ, আট্‌ছা জিন্দাবাদ আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। দুঘণ্টীয়া প্ৰতিবাদ কাৰ্য্যসূচীৰ অন্তত মাজনৈ চাহ বাগিচাৰ সদ্যপ্ৰয়াত সুশীল দন্দাচীলৈ এককালীন ক্ষতিপূৰণ, মাজনৈ আৰু ৰনখাম বাগিচাত চাহ জনগোষ্ঠীয় শিক্ষিত যুৱক-যুৱতীক খালী হৈ থকা কৰ্মচাৰী পদত নিযুক্তি দিয়া, চেলেং চাহ বাগিচাৰ চিকিৎসালয়ত ৰোগী ৰখাৰ ব্যৱস্থা কৰা, বাগিচাৰ ৰোগীসকলৰ বাবে এম্বুলেঞ্চত দুজন স্থায়ী উপযুক্ত চালক ৰখাৰ ব্যৱস্থা কৰা, এম্বুলেঞ্চ সেৱা গ্ৰহণ কৰা শ্ৰমিকৰ পইচা কৰ্তন বন্ধ কৰা, বাগিচাত বহুবছৰ ধৰি কৰ্মৰত ব্যক্তিসকলক পদোন্নতিৰ ব্যৱস্থা কৰা, চেলেং, মাজনৈ, ৰনখাম আৰু চেলেং টেঙাবাৰী বাগিচাত বিশুদ্ধ পানীৰ ব্যৱস্থা কৰা, অতিশীঘ্ৰে ক্ৰেছ হাউছৰ ব্যৱস্থা কৰা, জনকল্যাণ বিষয়া নিযুক্তি দিয়াৰ ব্যবস্থা কৰা, স্থায়ী শ্ৰমিকসকলৰ বাসগৃহসমূহ মেৰামতিৰ ব্যৱস্থা কৰা আদিকে ধৰি মুঠ এঘাৰটা দাবী সম্বলিত আৰু চেলেংহাট উপ-শাখাৰ সভাপতি গুঞ্জন পাত্ৰ আৰু সম্পাদক শিৱা লস্কৰ তাঁতী স্বাক্ষৰিত এক স্মাৰক-পত্ৰ বাগিচা কৰ্তৃপক্ষক প্ৰদান কৰে। স্মাৰক-পত্ৰৰ দাবীসমূহ অতিশীঘ্ৰে পূৰণ নকৰিলে সমূহ চাহ শ্ৰমিক ৰাইজৰ সহযোগত জংগী আন্দোলনৰো হুংকাৰ প্ৰদান কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# উগ্ৰ হিন্দুত্ববাদীৰ আগ্ৰাসী কাৰ্যকলাপত

শ্ৰীভূমিৰ বাইপাছ অঞ্চলত দুজন হিন্দু মহিলাক আন এটা ধৰ্মৰ দুজন লোকৰ সৈতে থকা প্ৰত্যক্ষ কৰি হিন্দুত্ববাদী সংগঠনে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ পিছৰে পৰা উত্তেজনা অব্যাহত আছে। উত্তেজনা বৃদ্ধি পোৱাত আৰক্ষীয়ে চাৰিওজনক জিম্মাত লৈছে। আৰক্ষীয়ে দুজন পুৰুষ আৰু দুজন মহিলাক আটক কৰি সোধা-পোছাৰ বাবে আৰক্ষী চকীলৈ নিয়ে। হিন্দু সুৰক্ষা দলৰ নেতা-কৰ্মী আৰু স্থানীয় বাসিন্দাৰ মাজত সংঘাত লাগে যদিও পিছত দুয়োটা সম্প্ৰদায়ৰ লোকে বাইপাছত যুৱক-যুৱতীৰ অনাহক উচ্ছৃংখলিৰ বিৰুদ্ধে একেলগে কাম কৰাৰ সিদ্ধান্ত লয়। জানিব পৰা মতে, থিতিপাথাৰৰ বাইপাছৰ সমীপত এটা ইফতাৰ পাৰ্টি চলি আছিল। সেই সময়তে দুটা পক্ষৰ মাজতে সংঘাত লাগে। ইফতাৰ পাৰ্টি চলি থকাৰ সময়তে এটা দল উপস্থিত হৈ প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰিছিল। অঞ্চলটোৰ বাসিন্দাসকলে বাইপাছত নিশা অনৈতিক কাৰ্যকলাপ বৃদ্ধি সন্দৰ্ভত উদ্বেগ ব্যক্ত কৰিছে। সুবাৰ বটল সঘনাই উদ্ধাৰ হোৱাৰ লগতে মটৰচাইকেলত যুৱক-যুৱতীৰ সমাৱেশৰ কথা উল্লেখ কৰিছে। তেওঁলোকে যুক্তি দিয়ে যে এই স্থান এনে সমাৱেশৰ বাবে নহয় আৰু ভৱিষ্যতে এনে ধৰণৰ ঘটনা প্ৰতিহত কৰিবলৈ জিলা প্ৰশাসন আৰু হিন্দু আৰু মুছলমান লোকেম উভয়ে ব্যৱস্থা ল'ব।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# তিনিচুকীয়াৰ জাগুনত অপহৃত প্ৰকাশ ছেত্ৰীৰ সন্ধানৰ দাবীত ৰাজপথ অৱৰোধ



**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ মাৰ্চঃ** বিগত ২৩ অক্টোবৰত জাগুন দহ মাইলস্থিত হিমালয়া টি ফেক্টৰীৰ কৰ্মচাৰী গৌতম বসুমতাৰীক আলফা (স্বাধীন) ৰ দ্বাৰা অপহৰণ কৰা ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই যোৱা ১৮ ডিচেম্বৰৰ পুৱা প্ৰায় ১০ বজাত জাগুনৰ ন-মাইলৰ কৃষ্ণ ছেত্ৰী ওৰফে ভাই ছেত্ৰী নামৰ ব্যৱসায়ীজনৰ ব্যক্তিগত মালিকানাধীন এটা শিল ভঙা উদ্যোগৰ পৰা চিনেমাৰ কায়দাৰে ভাই ছেত্ৰী আৰু তেওঁৰ ভতিজা প্ৰকাশ ছেত্ৰীক এখন বগা ৰঙৰ ডাম্পাৰ গাড়ীত অহা এটা ৮ জনীয়া অত্যাধুনিক আগ্নেয়াস্ত্ৰৰে সুসজ্জিত আততায়ীৰ দলে অপহৰণ কৰি ভাই ছেত্ৰীৰ এ এছ ০১ বি এ ৩৩২৩ নম্বৰৰ ফৰ্চুনাৰ বিলাসী গাড়ীৰে অসম-অৰুণাচল সীমান্তৰ টিৰাপ নৈ পাৰ হৈ ৰাৱা গাঁৱৰ দিশে লৈ যোৱাৰ পিছত নৈৰ কাষত ভাই ছেত্ৰীক বাহনসহ এৰি দি ভতিজাক প্ৰকাশ ছেত্ৰীক লগত লৈ গভীৰ অৰণ্যৰ দিশে গুচি যায়। আততায়ীৰ দলটিয়ে দুয়োকে অপহৰণ কৰি নিয়াৰ সময়ত লৈ গৈছিল ভাই ছেত্ৰীৰ অনুজ্ঞা-পত্ৰযুক্ত ব্যক্তিগত পিষ্টল, এটা আইফোন আৰু গাত পৰিহিত সোণৰ অলংকাৰ। উক্ত চাঞ্চল্যকৰ ঘটনাৰ খবৰ পোৱাৰ লগে লগেই লেখাপানী আৰু জাগুন আৰক্ষীয়ে ভাৰতীয় সেনাৰ সহযোগত ঘটনাস্থলীত উপস্থিত হৈ ভাই ছেত্ৰীৰপৰা ঘটনাৰ সবিশেষ তথ্য গ্ৰহণ কৰি সীমান্তৱৰ্তী ৰাৱা, খামডু, নামপুং আদি ঠাইত অপহৰণকাৰীৰ বিৰুদ্ধে তীব্ৰ অভিযানত নামি পৰে। উক্ত অপহৰণ কাণ্ডত আলফা (স্বাঃ) জড়িত থকাৰ সন্দেহ কৰি খুৰাক ভাই ছেত্ৰী আৰু ভতিজাক প্ৰকাশ ছেত্ৰীৰ দুৰ্ভগীয়া পত্নীয়ে কোলাত দুমহীয়া কেঁচুৱা সন্তানক লৈ সংবাদ মাধ্যমৰ জৰিয়তে প্ৰকাশক মুকলি কৰি দিবলৈ আলফা (স্বাঃ)ৰ সেনাধ্যক্ষ পৰেশ অসমক কাতৰ আহবান জনাইছিল। দুৰ্ভাগ্যজনক কথা এয়ে যে উক্ত অপহৰণৰ ঘটনাই আজি ৯৬ টা দিন অতিক্ৰম কৰাৰ পাছতো অপহৃত প্ৰকাশ ছেত্ৰীৰ পৰিয়ালে প্ৰকাশক আলফা (স্বাঃ)য়ে মুকলি কৰি দিয়াৰ ক্ষেত্ৰত কোনোধৰণৰ সম্ভেদ লাভ নকৰাৰ উপৰিও প্ৰকাশক উদ্ধাৰ কৰাৰ ক্ষেত্ৰত খুৰাক কৃষ্ণ ছেত্ৰী আৰু অসম চৰকাৰ তথা আৰক্ষী প্ৰশাসনে কোনোধৰণৰ তৎপৰতা অৱলম্বন কৰা পৰিলক্ষিত নহ'ল। ইয়াৰ পৰিণতিত যোৱা শুকুৰবাৰে প্ৰকাশ ছেত্ৰীৰ পৰিয়ালে স্থানীয় ৰাইজৰ সহযোগত কৃষ্ণ ছেত্ৰীৰ ন-মাইলস্থিত বাসগৃহ ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে যিকোনো মূল্যৰ বিনিময়ত প্ৰকাশক মোকলাই আনিবলৈ তিনিদিনৰ সময়সীমা বান্ধি দিছিল। অন্যথা কৃষ্ণ ছেত্ৰীৰ নিজৰ নামত থকা সকলো সম্পত্তিৰ লগতে তেওঁৰ পৰিয়ালৰ সকলো সদস্যৰ নামত থকা সম্পত্তি ৰাইজে নিজৰ জিম্মাত লৈ বিক্ৰী কৰি হলেও প্ৰকাশক মুকলি কৰি অনাৰ বাবে নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰাৰো হুংকাৰ প্ৰদান কৰিছিল। কিন্তু আজি তিনিটা দিন উকলি যোৱাত প্ৰকাশৰ পৰিয়াল তথা স্থানীয় ৰাইজে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সহযোগত স্থানীয় জাগুন আৰক্ষী চকীৰ সন্মুখত ৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় তিনি ঘণ্টা সময় ধৰি চলি থকা প্ৰতিবাদৰ অন্তত প্ৰতিবাদস্থলীত মাৰ্ঘেৰিটা সমজিলাৰ কাৰ্য্যবাহী দণ্ডাধীশ আৰু জিলাৰ শীৰ্ষ আৰক্ষী বিষয়া উপস্থিত হৈ অপহৃত প্ৰকাশ ছেত্ৰীক মুকলি কৰি অনাৰ প্ৰক্ৰিয়া বৰ্তমানেও চলি থকা বুলি প্ৰতিবাদী ৰাইজক জানিবলৈ দিয়াৰ লগতে প্ৰতিবাদ স্থগিত ৰাখিবলৈ আহ্বান জনায় যদিও প্ৰতিবাদী ৰাইজে প্ৰথমে বিষয়া দুগৰাকীৰ ভাষ্যত আশ্বস্ত নহৈ কৃষ্ণ ছেত্ৰীক প্ৰতিবাদস্থলীত উপস্থিত কৰাই সমগ্ৰ বিষয়টো ৰাইজে আশ্বস্ত হ'ব পৰাকৈ ৰাজহুৱা কৰাৰ দাবী জনায়। প্ৰতিবাদী ৰাইজৰ এই দাবী মানি লোৱাত প্ৰশাসন সন্মত নোহোৱাত প্ৰতিবাদী ৰাইজ নিজৰ স্থিতিত অটল থাকে যদিও প্ৰশাসনৰ অনুৰোধত শেষত প্ৰতিবাদ সাময়িকভাৱে স্থগিত ৰাখে। প্ৰতিবাদস্থলীত প্ৰকাশ ছেত্ৰীৰ পত্নীয়ে প্ৰকাশক মুকলি কৰি দিবলৈ আলফা (স্বাঃ)ৰ সেনাধ্যক্ষ পৰেশ অসমক কাতৰ অনুৰোধ জনায়। প্ৰকাশ ছেত্ৰীক মুকলি কৰি অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কি পদক্ষেপ গ্ৰহণ কৰে সেয়া নিশ্চয় লক্ষণীয় হ'ব যদিও অঞ্চলটোত এটাৰ পিছত আনটো অপহৰণৰ ঘটনাক লৈ ৰাইজে এতিয়া বিনিদ্ৰ ৰজনী কটাবলগীয়া হোৱা বিষয়টোৱে অসম চৰকাৰৰ গৃহ বিভাগৰ ফোঁপোলা স্বৰূপটোক হে উদঙাই দিয়া বুলিব পাৰি।

# একশৰণ ভাগৱতী সমাজৰ বটদ্ৰৱা আঞ্চলিকৰ অধিৱেশন

**ই-সংবাদ, বেবেজীয়া, ২৪ মাৰ্চঃ** অসমৰ ধৰ্মীয় সংগঠন একশৰণ ভাগৱতী সমাজ, অসমৰ বটদ্ৰৱা আঞ্চলিক শাখাৰ ৪৪ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ২৮, ২৯ আৰু ৩০ মাৰ্চত তিনিদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জাজৰি বগৰিগুৰি বৰনামঘৰ প্ৰাংগণত উদযাপনৰ দিহা কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱা ৪ বজাত প্ৰাতঃপ্ৰসংগৰে অধিৱেশনৰ কাৰ্যসূচীৰ পাতনি মেলাৰ পিছতে ভকত আদৰণি আৰু ধৰ্মধ্বজা উত্তোলনৰ অন্তত বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব নগাঁও জিলা একশৰণ ভাগৱতী সমাজৰ নামাচাৰ্য প্ৰবীণ আতাই। বিয়লি ১ বজাৰপৰা অনুষ্ঠিত হ'ব প্ৰতিনিধি সভা। এই প্ৰতিনিধি সভাতে পৰৱৰ্তী দুবছৰৰ বাবে একশৰণ ভাগৱতী সমাজৰ বটদ্ৰৱা আঞ্চলিক সমিতিখন গঠন কৰা হ'ব। দ্বিতীয় দিনা পুৱাৰেপৰা একাদিক্ৰমে প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণ, ভকত আদৰণি, তৰুণ বিদ্যাৰ্থী সমাজৰ প্ৰাৰ্থনা সভা, খোল-প্ৰসংগ আৰু মধ্যাহ্ন প্ৰসংগৰ অন্তত বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব ধৰ্মালোচন সভা। বৰগীতেৰে শুভাৰম্ভ হ'বলগীয়া সভাখনি সঞ্চালনা কৰিব একশৰণ ভাগৱতী সমাজ, অসমৰ উপাচাৰ্য বালিৰাম আতাই। শৰণাচাৰ্য মুহিধৰ আতাৰ দ্বাৰা আচাৰ্য প্ৰণামৰ পিছতে সভাখনি উদ্বোধন কৰিব একশৰণ ভাগৱতী সমাজৰ নগাঁও জিলাৰ সভাপতি ভুৱনেশ্বৰ দাসে। একশৰণ ভাগৱতী সমাজৰ অধ্যক্ষ প্ৰতাপ চন্দ্ৰ মেধিয়ে নিৰ্দ্দিষ্ট বক্তাৰূপে ভাগ ল'বলগীয়া সভাখনিত বিশিষ্ট অতিথি হিচাপে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাস আৰু মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰী উপস্থিত থাকিব। সন্ধ্যা পাৰমাৰ্থিক সন্মিলনৰ সদস্য খগেন আতাৰ পৰিচালনাত গুণমালা কীৰ্তন আৰু খোল-প্ৰসংগৰ অন্তত নিশা মহা পালনাম কীৰ্তন আৰম্ভ হ'ব। তৃতীয় দিনা পুৱা ৫ বজাত মহা পালনাম কীৰ্তনৰ সামৰণি আৰু কৃপা প্ৰাৰ্থনাৰ পিছতে স্থানীয় অঞ্চলৰ মাজেৰে ভাগৱত ভ্ৰমণ কৰোৱা হ'ব। বিয়লি ধৰ্মধ্বজা অৱতৰণৰ দ্বাৰা উক্ত অধিৱেশনখনিৰ সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# যোৰহাটত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱসৰ অভ্যৰ্থনা সমিতি গঠন

**ই-সংবাদ, যোৰহাট, ২৪ মাৰ্চঃ** সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় বিষ্ণু ৰাভা দিৱস এইবাৰ যোৰহাটত অনুষ্ঠিত কৰা হ'ব। যোৰহাট জিলা ছাত্ৰ সন্থাৰ উদ্যোগত যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত কালি যোৰহাট জিলা পুথিভঁৰালৰ মুকলি মঞ্চত অভ্যৰ্থনা সমিতি গঠনৰ উদ্দেশ্যে এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰিয়াজ হুছেইনে আঁতধৰা অনুষ্ঠানটোত সভাপতিত্ব কৰে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰীতমজ্যোতি শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়াই সদৌ অসম ছাত্ৰ সন্থাৰ সাহিত্য সম্পাদক নিহাৰিকা শইকীয়া, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সংকল্প গগৈ, অসম উন্নতি সভাৰ উপ-সভাপতি জুল খাউণ্ড, অসম সেনাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰিতুল পাঠক, যোৰহাট জিলা উন্নতি সভাৰ সভাপতি নৰেন বৰঠাকুৰ, সম্পাদক আলোক বৰুৱা, অসম সেনাৰ যোৰহাট জিলা সমিতিৰ মুখ্য আহ্বায়ক অৰূপ পূজাৰীয়ে। যোৰহাট জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ প্ৰাক্তন আৰু বৰ্তমানৰ মুৰব্বী তথা শিক্ষক সমাজ, জ্যেষ্ঠ নাগৰিক, শিল্পী, সাংস্কৃতিক কৰ্মী, সাহিত্য সভা, বিভিন্ন মহিলা সংগঠনৰ সদস্য, বিভিন্ন জাতীয় আৰু জনগোষ্ঠীয় সংগঠন, সাংবাদিক, প্ৰাক্তন আছু কৰ্মী, ছাত্ৰ সন্থা, অসম সেনা, অসম উন্নতি সভাৰ সদস্যসকলে অংশগ্ৰহণ কৰা ৰাজহুৱা সভাখনত এক সহস্ৰাধিক লোকৰ সমাগম ঘটে। উক্ত সভাই সৰ্বসন্মতি ক্ৰমে অভ্যৰ্থনা সমিতিৰ সভাপতি হিচাপে যোগানন্দ বৰা, সাধাৰণ সম্পাদক হিচাপে নিহাৰিকা শইকীয়া, কাৰ্যকৰী সম্পাদক জুল খাউণ্ড, সংকল্প গগৈ, সম্পাদক ত্ৰয় জিতু নেওগ, অৰূপ পূজাৰী আৰু অনন্ত বৰঠাকুৰক লৈ শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। ৰাজহুৱা সভাই সাংস্কৃতিক উপ-সমিতিৰ মুখ্য আহ্বায়ক জয়ন্ত নাথকে ধৰি ২০ খন উপ-সমিতি গঠনৰ কৰ্তৃত্ব প্ৰদান কৰে। উপস্থিত ৰাইজে কাৰ্যসূচী সাফল্যমণ্ডিত কৰাত সম্পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। যোৰহাট জিলা ছাত্ৰ সন্থাই উপস্থিত সকলো ৰাইজৰ আৰু সমগ্ৰ জিলাখনৰ ৰাইজৰ অভিভাৱকত্ব কামনা কৰিছে।

# নগাঁৱত ব্যতিক্ৰমী ৰূপত অশীতিপৰ মহিলাৰ জন্মদিন উদযাপন

**ই-সংবাদ, বেবেজীয়া, ২৪ মাৰ্চঃ** নগাঁও জিলাৰ পোতনি ম'হৰটুপ গাঁৱৰ এগৰাকী মহিলাৰ ৯৬ সংখ্যক জন্মদিনটো বেচ উলহ-মালহেৰে দেওবাৰে ব্যতিক্ৰমভাৱে উদযাপন কৰা হয়। বিভিন্ন প্ৰান্তৰ পৰা আহি সমৱেত হোৱা আত্মীয়-স্বজন আৰু শুভাকাংক্ষীসকলৰ উপস্থিতিত ৯৫ বছৰ গৰকি ৯৬ বছৰত ভৰি দিয়া মালতী দেৱী নামৰ অশীতিপৰ মহিলাগৰাকীৰ জন্মদিন উপলক্ষে দুখীয়া মহিলাক বস্ত্ৰ দান কৰাৰ লগতে গছপুলি ৰোপণ, নৃত্য, গীত, কবিতা আৰু মুকলি সভা আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে তেখেতৰ পুত্ৰ আৰু কন্যাই। সেই উদ্দেশ্যে পোতনি ম'হৰটুপ গাঁৱৰ মহিলাগৰাকীৰ বাসগৃহত পুৱাৰেপৰা উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। পুৱা এটি গছপুলি ৰোপণেৰে উক্ত জন্মদিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছত দুপৰীয়া এখন সভা অনুষ্ঠিত হয়। সভাত আদৰণি ভাষণ প্ৰদান কৰে



নগাঁও জিলা ব্ৰাহ্মণ সমাজৰ সভাপতি তথা বৰপুত্ৰ নৰেন্দ্ৰ নাথ শৰ্মাই। উদ্দেশ্য ব্যাখ্যা কৰে কনিষ্ঠ পুত্ৰ প্ৰদীপ চন্দ্ৰ শৰ্মাই। বিশিষ্ট সমাজকৰ্মী ৰবীন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিত বিধায়ক জিতু গোস্বামী, মাজু পুত্ৰ জীৱন শৰ্মা, পূৰ্ণ শৰ্মা, জীয়ৰী সৰুমাই দেৱী, কিৰণ দেৱী, কৰুণা দেৱী, বীণা শৰ্মা, ৰীণা শৰ্মা, মঞ্জু কটকীকে আদি কৰি সহস্ৰাধিক লোক উপস্থিত থাকে। সভাৰ অন্তত নৃত্য-গীতেৰে এক মনোমোহা পৰিৱেশৰ সৃষ্টি হয়।

# তামুলপুৰত ডি ডি অ'ৰ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**ই-সংবাদ, তামুলপুৰ, ২৪ মাৰ্চঃ** আজি তামুলপুৰ জিলাৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত ফাণ্ডামেণ্টেল ৰুল, ছাবচিডিয়েৰী ৰুল আৰু ডি ডি অ'সকলৰ দায়িত্ব বিষয়ক এক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে অৱসৰপ্ৰাপ্ত এ এফ এছ বিষয়া নৰেন্দ্ৰনাথ বৰাই। সভাত বিষয়াসকলৰ বিভিন্ন দায়িত্ব সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰা হয়। বিশেষকৈ ডিউটী, লীভ, ছেলাৰী, নিযুক্তি, কাৰ্যালয়ত অনুপস্থিতি, নিলম্বন, অৱসৰ আদি সম্পৰ্কে গুৰুত্বপূৰ্ণ আলোচনা হয়। আজিৰ কাৰ্যসূচীত জিলা প্ৰশাসনৰ বিষয়াসকলৰ উপৰি বিভিন্ন বিভাগৰ ডি ডি অ'সকল উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ গুৰুত্বপূৰ্ণ আলোচনা

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ মাৰ্চঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণৰ সময়ত উজনি অসমৰ অন্যতম সাংবাদিক সংগঠন বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সৈতে এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। ডিব্ৰুগড়ৰ পল্টন বজাৰত নতুনকৈ নিৰ্মাণ হোৱা মুখ্যমন্ত্ৰী সচিবালয় তথা অসম সচিবালয়ত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে হোৱা আলোচনাৰ সময়ত বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি তথা জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰগোহাঞি, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু সাধাৰণ সম্পাদক ৰাতুল বুঢ়াগোহাঁই উপস্থিত থাকি প্ৰয়াত ৰাধাগোবিন্দ বৰুৱাৰ দিনৰেপৰা ডিব্ৰুগড়ৰ সাংবাদিকতাৰ এক ইতিহাস থকা বিষয়টো সন্দৰ্ভত আলোচনা কৰা লগতে বৰ্তমানেও সাংবাদিকতাৰ ক্ষেত্ৰখনত থকা বহুতো অভাৱৰ সন্দৰ্ভত আলোচনা কৰে। বিশেষকৈ ডিব্ৰুগড়ত এখন সাংবাদিক ক'লনি স্থাপন, ৰাজ্যৰ সাংবাদিকসকলৰ বাবে বীমা আঁচনিৰ প্ৰৱৰ্তন কৰা, এটা বছৰত কমেও ৫০ জন সাংবাদিকক সাংবাদিক পেঞ্চন প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা, মাননীৰ পৰিমাণ ২৫,০০০ টকালৈ বৃদ্ধি কৰা লগতে ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ ব্যৱস্থা কৰা, উজনি অসমৰ জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ডিব্ৰুগড়ত উচ্চ ন্যায়ালয়ৰ এখন বেঞ্চ স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰা, ডিব্ৰুগড়ৰ বাট-পথসমূহ বহল আৰু দ্বৈতপথযুক্ত ব্যৱস্থা কৰা, এ টি ৰোড আৰু কনভয় সংযোগী নিৰ্মিত উৰণসেতুখনৰ নাম অসমৰ এগৰাকী বৰেণ্য বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° লীলা গগৈৰ নামেৰে নামকৰণ কৰা আদিকে ধৰি সাংবাদিকৰ আৰু ডিব্ৰুগড়ৰ কেইবাটাও জ্বলন্ত সমস্যা সন্দৰ্ভত আলোচনা কৰা লগতে স্মাৰক-পত্ৰ প্ৰদান কৰে। আনহাতে, শেহতীয়াকৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ঐতিহাসিক ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানী হিচাপে গঢ়ি তোলাৰ আশ্বাস আৰু এই সন্দৰ্ভত কৰি যোৱা বিভিন্ন কাম-কাজৰ বাবে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ তৰফৰপৰা মুখ্যমন্ত্ৰীগৰাকীক ধন্যবাদ লগতে অভিনন্দন জ্ঞাপন কৰে।

# সন্তানক লৈ উধাও পিতৃ, থানাত এজাহাৰ

**ই-সংবাদ, গোলকগঞ্জ, ২৪ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত লক্ষীমাৰী তৃতীয় খণ্ড গাঁৱত এগৰাকী মাতৃৰ পৰা দুই সন্তানক লৈ পিতৃ উধাও হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে,
২০১৭ চনত গাঁওখনৰ ছৈয়দ আলীৰ কন্যা মৰিয়া খাতুনৰ বিয়া হয় ধুবুৰী আদাবাৰী প্ৰথম খণ্ড গাঁৱৰ আব্দুল ৰহিমৰ লগত। বিয়াৰ পিছৰে ৰহিমে পত্নীৰ ওপৰত চলায় চৰম শাৰীৰিক মানসিক নিৰ্যাতন। নিৰ্যাতন সহ্য কৰিব নোৱাৰি ন মাহ পূৰ্বে চাৰি আৰু পাঁচ বছৰীয়া দুই কন্যা সন্তানক লগত লৈ মৰিয়া আহে মাতৃ গৃহলৈ। লক্ষীমাৰীৰ মাতৃ গৃহত থাকি লোকৰ ঘৰত কাম কৰি দুই সন্তানক পোহপাল দি আছিল। কালি সন্তান এৰি লোকৰ ঘৰত কাম কৰিবলৈ যোৱাৰ সুযোগ লৈ পিতৃ ৰহিমে গোপনে আহি সন্তানক লৈ গুচি যায়। ঘৰত সন্তানক নাপাই হুৱাদুৱা লাগে। প্ৰত্যক্ষদৰ্শীৰ পৰা জানিবলৈ সক্ষম হয় ৰহিমে সন্তানক লৈ যোৱা বুলি। সন্তানক বিচাৰি নাপাই আজি গোলকগঞ্জ থানাত এজাহাৰ দিবলৈ আহে যদিও ভাৰপ্ৰাপ্ত বিষয়া উপস্থিত নথকাত মহিলাগৰাকীক ধুবুৰী থানাত এজাহাৰ দিব লাগিব বুলি পঠিয়াই দিয়ে। গোলকগঞ্জ থানা এলেকাত ঘটনাটো সংঘটিত হোৱা বাবে ধুবুৰীৰ পৰা পুনৰ গোলকগঞ্জ থানা লৈ ঘূৰাই পঠায়। আৰক্ষীৰ একাংশ লোকে নিৰীহ মহিলাগৰাকীক এনে অনাহক তাঁত-বাটি কৰোৱা ঘটনাত স্থানীয় ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে।

## জাগীৰোডত চতুৰ্থ বাৰ্ষিক ভাগৱত প্ৰৱচনৰ সামৰণি

**ই-সংবাদ, জাগীৰোড, ২৪ মাৰ্চঃ** মহাভাগৱতৰ ভক্তিৰসেৰে শুকুৰবাৰৰ পৰা তিনিদিনৰ বাবে মুখৰিত হৈ পৰে জাগীৰোডৰ ভেৰভেৰীৰ সমগ্ৰ অঞ্চল। বিগত বৰ্ষসমূহৰ দৰে এইবেলিও ভেৰভেৰী গাঁৱৰ ৰাইজৰ উদ্যোগত ভেৰভেৰী নামঘৰত ২১, ২২ আৰু ২৩ মাৰ্চত তিনিদিনীয়াকৈ আয়োজন কৰে চতুৰ্থ বাৰ্ষিক ভাগৱত প্ৰৱচন। সমগ্ৰ অঞ্চলবাসীৰ লগতে বিশ্ব শান্তিৰ কামনাৰে বিগত বৰ্ষসমূহৰ দৰে আয়োজন কৰে এই মহান অনুষ্ঠানৰ। প্ৰথম দিনা অৰ্থাৎ ২১ মাৰ্চ শুকুৰবাৰে পুৱা প্ৰথম কাৰ্যসূচী হিচাপে বন্তি প্ৰজ্বলন কৰি তিনিদিনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে গাঁৱৰ পূজাৰী ঘনকান্ত শইকীয়াই। তাৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতাই। তাৰ পিছতেই আৰম্ভ হয় মুখ্য কাৰ্যসূচী মহা ভাগৱত শোভাযাত্ৰা। এই শোভাযাত্ৰাৰ ভাগৱতৰ বাহক হিচাপে থাকে পূজাৰী যতীন শইকীয়া আৰু মুখ্য নামতি বিনন্দ শইকীয়া। আনহাতে, ভাগৱত শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক তথা বাঘজাপ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰদীপ দেউৰীয়ে। প্ৰায় ১০ কিলোমিটাৰ সামৰি উলিওৱা এই শোভাযাত্ৰাত অঞ্চলৰ প্ৰায় ১০/১২ খন গাঁৱৰ ৰাইজে অংশগ্ৰহণ কৰে। তাৰ পিছতেই আৰম্ভ হয় পূজা অৰ্চনা আৰু নিৰ্মালি প্ৰদান। পূজাৰ আৰম্ভণি কৰে ঘনকান্ত শইকীয়াই আৰু নিৰ্মালি প্ৰদান কৰে বলোৰাম ডেকাই। দুপৰীয়া নাম প্ৰসংগৰ আৰম্ভ কৰে নামাচাৰ্য তিথিৰাম শইকীয়াই। নাম সামৰণিৰ পিছতহে তিনিদিনৰ বাবে ধাৰাবাহিভাৱে আৰম্ভ হয় ভাগৱত প্ৰৱচনৰ। এই তিনিদিন এক আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰে সমগ্ৰ অঞ্চল। কেইবাগৰাকীও পাঠাচাৰ্য আৰু ব্যাখ্যাচাৰ্যই ভাগৱত প্ৰৱচনত অংশগ্ৰহণ কৰে। বিশেষকৈ ব্যাখ্যাচাৰ্য, অসম বৈদিক বৈষ্ণৱ মহাসভাৰ সভাপতি তথা গোমোঠা মহৰা সত্ৰৰ সত্ৰাধিকাৰ গৌতম গোস্বামীৰ অংশগ্ৰহণে সৌষ্ঠৱ বৃদ্ধি কৰে অনুষ্ঠানৰ। তিনিদিনীয়া এই অবিৰত ভাগৱত প্ৰৱচনত সকলো শ্ৰেণীৰ ৫ সহস্ৰাধিক ভক্তপ্ৰাণ লোকে অংশগ্ৰহণ কৰে। অন্তিম দিনা অশ্ৰশিক্ত নয়নেৰে নাম প্ৰসংগৰে সামৰণি কৰে এই মহান অনুষ্ঠানৰ। সভাপতি যতীন শইকীয়া, কাৰ্যকৰী সভাপতি হলিৰাম শইকীয়া, সম্পাদক দিপুমণি শইকীয়া, উপ-সভাপতি ৰমেন শইকীয়া, সহঃ সম্পাদক তিলক শইকীয়াৰ লগতে গাঁওবাসীয়ে কৰা আপ্যায়নত সন্তোষ প্ৰকাশ কৰে অঞ্চলৰসমূহ ভক্তপ্ৰাণ ৰাইজে। আনহাতে, তিনিদিনৰ এই কাৰ্যসূচীত সমগ্ৰ অঞ্চলৰ ৰাইজে সহায়-সহযোগিতা আগবঢ়োৱাৰ লগতে অংশগ্ৰহণ কৰি ৰাইজক উৎসাহিত কৰাত ধন্যবাদ জ্ঞাপন কৰে উদযাপন সমিতিৰ লগতে গাঁওবাসীয়ে।

## কামপুৰত প্ৰাচীন প্ৰত্নতাত্বিক সমল উদ্ধাৰ



**ই-সংবাদ, কামপুৰ, ২৪ মাৰ্চঃ** নগাঁও জিলাৰ কামপুৰৰ বৰগাঁৱত উদ্ধাৰ হৈছে প্ৰাচীন প্ৰত্নতাত্বিক সমল। বৰগাঁৱৰ পথাৰৰ ওখ টিলা মাটি এডোখৰ খেতি মাটিৰ বাবে উপযোগী হোৱাকৈ খনন কৰোঁতে কেইবাটাও ভগ্ন মূৰ্তি আৰু শিলত খোদিত বহু ভগ্নাৱশেষ উদ্ধাৰ হৈছে। ভগ্ন শিল আৰু মূৰ্তি উদ্ধাৰ হোৱাত অঞ্চলবাসী কৌতুহলী হৈ পৰিছে। উল্লেখ্য যে উক্ত অঞ্চলৰ কাৰৈমাৰীত ৬০ দশকত এটা পুখুৰী খান্দোতে বিষ্ণুৰ চতুৰ্ভূজ মূৰ্তি উদ্ধাৰ হৈছিল আৰু তাৰ পাছত প্ৰত্নতাত্বিক বিভাগে চলোৱা খনন কাৰ্যত বহু প্ৰত্নতাত্বিক সমল উদ্ধাৰ হৈছিল। তদ্ৰুপ বৰগাঁৱৰ উক্ত স্থানতো সমসাময়িক বহু সমল উদ্ধাৰ হোৱাৰ সন্দেহ কৰা হৈছে। স্থানীয় ৰাইজে উক্ত ঠাইখিনিত খনন কাৰ্য চলাই তাৰ লগত জড়িত ইতিহাস উদঘাটন কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিবৰ বাবে প্ৰত্নতাত্বিক বিভাগক অনুৰোধ জনাইছে।

## শ্ৰীমন্ত শংকৰদেৱ সংঘ কামপুৰ জিলাৰ নিজ নাৰিকলিত মাংগলিক অনুষ্ঠান

**ই-সংবাদ, কামপুৰ, ২৪ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কামপুৰ জিলাৰ সেৱা বাহিনীৰ প্ৰাক্তন সেনাধিনায়ক তথা সংঘৰ একনিষ্ঠ সেৱক নিজ নাৰিকলি গাঁৱৰ অলকানন্দ লস্কৰৰ গৃহত আজি খোল প্ৰসংগ, নাম প্ৰসংগৰে হৰি কীৰ্তনৰ এক মাংগলিক অনুষ্ঠান সম্পন্ন হয়। সংঘৰ একনিষ্ঠ সেৱক অলকানন্দৰ মাতৃ বৈকুণ্ঠগামী অমিয়া লস্কৰৰ সোঁৱৰণত অনুষ্ঠিত মাংগলিক অনুষ্ঠানভাগৰ পাছতে গ্ৰন্থ উন্মোচনী এখন ধৰ্মীয় সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কামপুৰ জিলা শাখাৰ সভাপতি মুণীন্দ্ৰ নাথ বৰাই। সভাৰ আঁত ধৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে অলকানন্দ বৰাই। উক্ত সভাতে বিশিষ্ট সমাজসেৱক দিজেন্দ্ৰ নাথ লস্কৰে সম্পাদনা কৰা বৈকুণ্ঠগামী অমিয়া লস্কৰৰ আত্মজীৱনীমূলক টোকা 'মৰম মজিয়াৰ স্মৃতি' গ্ৰন্থখনি উন্মোচন কৰে সংঘৰ কামপুৰ জিলা শাখাৰ সভাপতি মুণীন্দ্ৰ নাথ বৰাই। উন্মোচনী ভাষণত মুণীন্দ্ৰ নাথ বৰাই বৈকুণ্ঠগামী অমিয়া লস্কৰৰ আত্মজীৱনীমূলক গ্ৰন্থখনিয়ে সামাজিক, সাংস্কৃতিক, ধৰ্মীয় ক্ষেত্ৰখনলৈ এক সুস্থ চিন্তা-চেতনা জাগ্ৰত কৰিব বুলি কৈ বৃহত্তৰ কামপুৰৰ কপিলীপৰীয়া অঞ্চলটোৰ শৈক্ষিক, আৰ্থ-সামাজিক ক্ষেত্ৰখনৰ লগত জড়িত লোকসকলৰ উন্নতিৰ লগতে ধৰ্মীয়, সামাজিক ভাৱধাৰা, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি পালনত সহায় কৰিব বুলি মন্তব্য কৰে। সম্পাদক দিজেন্দ্ৰ নাথ লস্কৰে গ্ৰন্থখন সম্পাদনা কৰিবলৈ পাই নিজকে গৌৰৱবোধ কৰা বুলি কৈ ইয়াৰ পৰা সকলো উপকৃত হব বুলিও কয়।

# ঐতিহাসিক শুৱালকুছি অশোকাষ্টমী মহামেলাৰ আয়োজন

**ই-সংবাদ, শুৱালকুছি, ২৪ মাৰ্চঃ** প্ৰায় পাঁচ শ বছৰীয়া কামৰূপৰ শুৱালকুছিৰ ঐতিহাসিক অশোকাষ্টমী মহামেলা অহা ৫ আৰু ৬ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। সদৌ শুৱালকুছি অশোকাষ্টমী পৰিচালনা সমিতিৰ উদ্যোগত আয়োজিত সমন্বয়ৰ প্ৰতীক অশোকাষ্টমী পৰিচলনাৰ বাবে ইতিমধ্যে আঠখন শাখা সমিতি গঠন কৰি শাখাসমূহে বিভাগীয় কামত অগ্ৰসৰ হৈছে। প্ৰায় তিনি লাখ টকা আনুমানিক বাজেট নিৰ্ধাৰণ কৰা মেলা পৰিচালনা সমিতিৰ কাৰ্যসূচী অনুসৰি ৫ এপ্ৰিলৰ পুৱা ধৰ্মীয় পতাকা উত্তোলন কৰিব সদৌ শুৱালকুছি অশোকাষ্টমী পৰিচালনা সমিতিৰ সভাপতি পুলক কলিতাই। চ'ত মাহৰ ৰোহিনী অষ্টমী তিথিত প্ৰতি বছৰে অনুষ্ঠিত এইবাৰৰ সপ্তবেদী ক্ৰমে শ্ৰীশ্ৰী হয়গ্ৰীৱমাধৱ, শ্ৰীশ্ৰী কেদাৰেশ্বৰ, শ্ৰীশ্ৰী গণেশ, শ্ৰীশ্ৰী কামেশ্বৰ, বংশৰৰ শ্ৰীশ্ৰী ভৃংগেশ্বৰ, বামুন্দী শিলগুৰিৰ শ্ৰীশ্ৰী ধাৰেশ্বৰ, শুৱালকুছিৰ শ্ৰীশ্ৰী সিদ্ধেশ্বৰ মহাপ্ৰভুৰ বেদীত বন্তি প্ৰজ্বলন কৰিব স্থানীয় জ্যেষ্ঠ নাগৰিক ক্ৰমে নাৰায়ণ দাস (দক্ষিণ সিদ্ধেশ্বৰ পাহাৰ), ফটিক নাথ(ভাঙানগৰ), বাদল বৈশ্য (মিনি বজাৰ ৰোড), ৰজৎ বৈশ্য (ন-পাৰা), প্ৰফুল্ল কলিতা (পশ্চিম ফুলবাৰী), তীৰ্থনাথ কাকতি (চমুৰা টোল) আৰু উপেন কলিতা (কুমাৰ পাৰা)ই। ন বজাত সম্বৰ্ধনাৰ পিছতে মহামেলা আৰম্ভ হ'ব। উল্লেখ্য যে সমান্তৰালভাৱে ভক্তপ্ৰাণ ৰাইজে মৃত আত্মীয়ৰ ব্ৰহ্মপুত্ৰত অস্থি বিসৰ্জন দিব। দিনটো চলা মেলাৰ মাজতে উক্ত গোঁসাই প্ৰভুসকলক মহাবাহু ব্ৰহ্মপুত্ৰত স্নান কৰাব। প্ৰথমদিনা সন্ধিয়া সাত বজাত মেলা সামৰণি পৰাৰ পিছত নিশা অৱগাহন মিনি থিয়েটাৰৰ দ্বাৰা যাত্ৰাভিনয়। মঞ্চ উদ্বোধন কৰিব ভাৰতীয় জনতা পাৰ্টীৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ দাসে। ৬ এপ্ৰিলত পুৱাৰে পৰা অশোকাষ্টমী মেলা পুনৰ আৰম্ভ হৈ সন্ধিয়া ৭.৩০ বজাত পতাকা অৱতৰণৰ লগে লগে অশোকাষ্টমী মহামেলাৰ সামৰণি পৰিব।



সুতাৰপাৰাত বিধায়ক আব্দুৰ ৰশিদ মণ্ডলৰ উদ্যোগত সমূহীয়া ইফতাৰ পাৰ্টিৰ আয়োজন

# বৰমাত সমন্বয়ী কলাকেন্দ্ৰত উদ্যোগত সপ্তম বাৰ্ষিকী বিহুৰ কৰ্মশালা

**ই-সংবাদ, বৰমা, ২৪ মাৰ্চঃ** চাওতে চাওতে পদূলিমুখ পালেহি হেঁপাহৰ ৰঙালী, ৰঙালীক আদৰিবলৈ সাজু প্ৰতিজন অসমীয়া। বাক্সা জিলাৰ বৰমাৰ মৰা পাগলাদিয়া নৈৰ পাৰত আজিৰে পৰা আৰম্ভ হয় বিহু কৰ্মশালা। বৰমাৰ সমন্বয়ী কলাকেন্দ্ৰৰ উদ্যোগত ছয়দিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে সপ্তম সংখ্যক বিহু নাচ আৰু বিহু ঢোলৰ কৰ্মশালা। তিনিবছৰীয়া কণমানিয়েও অংশ লৈছে এই কৰ্মশালাত। কৰ্মশালাত প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিহু সম্ৰাজ্ঞী প্ৰতীক্ষা বৰগোহাঁই। ঢোলৰ প্ৰশিক্ষণ প্ৰদান কৰে প্ৰখ্যাত ঢুলীয়া জ্যোতিবিকাশ বৰাই। আজিৰে পৰা আৰম্ভ হোৱা কৰ্মশালাত শতাধিক প্ৰশিক্ষাৰ্থীয়ে বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত উপস্থিত হৈ এই কৰ্মশালাত অংশগ্ৰহণ কৰে। কৰ্মশালাখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে বৰমা মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বৰমাৰ সমাজকৰ্মী দিলীপ কুমাৰ শৰ্মাই। বন্তি প্ৰজ্বলন কৰে বৰমা উচ্চতৰ মাধ্যমিক বিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যক্ষা অনু দেৱীয়ে। বৰমা সমন্বয়ী কলাকেন্দ্ৰৰ তত্ত্বাৱধায়ক আম্বিয়া আহমেদৰ নেতৃত্বত পৰিচালিত কৰ্মশালাখনে বৰমাত বিহুৰ ক্ষেত্ৰখনক আগুৱাই নিব বুলি উপস্থিত ব্যক্তিসকলে মত প্ৰকাশ কৰে।

# ৰঙিয়াৰ বদিৰ আলীৰ নৃশংস হত্যাকাণ্ড, হত্যাকাৰীৰ স্বীকাৰোক্তিত ৰহস্য উদঘাটন

**ই-সংবাদ, ৰঙিয়া, ২৪ মাৰ্চঃ** পত্নীৰ পৰকীয়া প্ৰেমৰ বাবে নৃশংস হত্যাকাণ্ডৰ বলি হোৱা বদিৰ আলীৰ মৃত্যুৰ তদন্ত আজি সম্পূৰ্ণ কৰিবলৈ সক্ষম হয় ৰঙিয়া আৰক্ষীয়ে। মৃতকৰ পত্নীসহ ৪ অভিযুক্তক আটক কৰি অব্যাহত ৰখা তদন্তৰ ফলশ্ৰুতিত তিনিমাহ পাছত আজি আৰক্ষীয়ে হত্যাকাণ্ডৰ পটভূমি আৰু জড়িত অভিযুক্তসকলৰ স্বীকাৰোক্তি আদায় কৰি Ccrime Scene Reconstruction সম্পন্ন কৰে। ৰঙিয়াৰ পিতাম্বৰ হাটবজালীত ডিচেম্বৰ মাহত সংঘটিত বদিৰ আলীৰ লোমহৰ্ষক হত্যাকাণ্ডত জড়িত আছিল পত্নী চেমিমা আখতাৰ, পুত্ৰ ৰমজান আলী, পত্নীৰ অবৈধ প্ৰেমিক নেকিব আলী আৰু গাঁৱৰে আন এজন যুৱক মিৰাজুল আজাদ। চেমিমা আখতাৰৰ নেকিব আলীৰ সৈতে থকা অবৈধ সম্পৰ্কৰ তথ্য স্বামীয়ে লাভ কৰিবলৈ লৈছিল। এই সম্পৰ্কৰ কথা পোহৰলৈ অহাৰ ভয়তে বদিৰ আলীক শুই থকা অৱস্থাতে নিশা হত্যাৰ ষড়যন্ত্ৰ ৰচনা কৰে ঘাতকৰ দলে। ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিত নাথৰ নেতৃত্বত চলাই অহা তদন্তৰ ফলশ্ৰুতিত হত্যাকাণ্ডটোত জড়িত চাৰিওজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষী। কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত আৰক্ষীয়ে হত্যাকাণ্ড সংঘটিত কৰা ঘটনাস্থলীত চাৰিওগৰাকী অভিযুক্তক উপস্থিত কৰাই দিয়া স্বীকাৰোক্তি ভিডিঅ'গ্ৰাফীৰ মাধ্যমেৰে সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

# ডিব্ৰুগড়ৰ নগাঘুলিত দুৰ্ভগীয়া পৰিয়ালৰ কাষত মন্ত্ৰী পীযুষ হাজৰিকা

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ মাৰ্চঃ** ডিব্ৰুগড়ৰ নগাঘুলিত শনিবাৰে জিঅ' বেগৰ কাম কৰি থকা অৱস্থাত ৰহমৰীয়াৰ বুঢ়াপাৰৰ যুৱক বুবু ওৰফে ৰাজীৱ বৰুৱাৰ মৃত্যুৰ বাতৰিয়ে চাঞ্চল্য সৃষ্টি কৰি থকা সময়তে ২৩ মাৰ্চত দুৰ্ভগীয়া পৰিয়ালটোৰ বাসগৃহত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত হয়। প্ৰয়াত ৰাজীৱ বৰুৱাৰ পত্নীয়ে কণমানি কন্যাক পঢ়া-শুনা কৰিবলৈ এটি চৰকাৰী সংস্থাপনৰ দিবলৈ কান্দি কান্দি মন্ত্ৰী পীযুষ হাজৰিকাক অনুৰোধ জনায়। মন্ত্ৰীগৰাকীয়ে এই বিষয়ত বিবেচনা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ৰাজীৱ বৰুৱা ওৰফে বুবুৰ অকাল মৃত্যুত মন্ত্ৰী পীযুষ হাজৰিকাই গভীৰ দুখ প্ৰকাশ কৰি পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে। আনহাতে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজীৱ বৰুৱাৰ মৃত্যু খবৰ পোৱা লগে লগে দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ পৰা চাবুৱা ৰাজহ চক্ৰ বিষয়াৰ যোগেদি ২ লাখ টকা এককালীন সাহায্য প্ৰদান কৰে। মন্ত্ৰীগৰাকীক বিজেপি দলৰ কৰ্মকৰ্তাসকলে সংগ প্ৰদান কৰে।

# চতিয়াত ড্ৰাগছসহ আটক এজন

**ই-সংবাদ, চতিয়া, ২৪ মাৰ্চঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ গেৰেকীৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত চতিয়া আৰক্ষীয়ে আটক কৰে ড্ৰাগছসহ এক সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীটোৰ নাম মনিষ চেত্ৰী বুলি জানিব পৰা গৈছে। ধৃত মনিষ চেত্ৰীৰ পৰা দুটা কৈ কণ্টেইনাৰত ২.৬০ গ্ৰাম হে'ৰইন জব্দ কৰিবলৈ সক্ষম হয়। এই অভিযান চতিয়া থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী ত্ৰিলোচন দাসৰ নেতৃত্বত চলিছিল।

# দৰঙৰ নিজ খাৰুপেটীয়াত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত দুই

**ই-সংবাদ, খাৰুপেটীয়া, ২৪ মাৰ্চঃ** দৰঙৰ নিজ খাৰুপেটীয়াস্থিত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা ৭ মান বজাত এক শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত ২০ জনৰো অধিক হতাহত হয়। থিতাতে নিহত হয় ২ জনকৈ বাছ যাত্ৰী। ইয়াৰে এজন নাৰায়ণ বৰা বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে, AS-20 2289 নম্বৰৰ আলট্ৰা বাছ এখন তেজপুৰৰ পৰা গুৱাহাটীলৈ যোৱাৰ পথত খাৰুপেটীয়া কলেজ ৰোড পাৰ হৈ নিজ খাৰুপেটীয়াস্থিত ১৫ নং ৰাষ্ট্ৰীয় পথত বিপৰীত দিশৰ পৰা অহা এখন তীব্ৰ বেগী ডি আই গাড়ী যাত্ৰীবাহী আলট্ৰা বাছ এখনক খুন্দিয়াই ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাৰ খবৰ পাই ধূলা আৰক্ষী থানাৰ আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাত পতিত বাছখন থানালৈ নিয়ে আৰু মৃতদেহ এম্বুলেন্সত উঠাই মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসায়লৈ প্ৰেৰণ কৰে। অতি ভয়ংকৰ দুৰ্ঘটনাটোত বাছৰ ভিতৰত মৃতদেহ ওলমি আছিল বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে নিজ খাৰুপেটীয়াস্থিত দলগাঁও ব্লকৰ সন্মুখত ১৫ নং ৰাষ্ট্ৰীয় পথত সংঘটিত হয় এই দুৰ্ঘটনা। ইফালে, থিতাতে নিহত হোৱা দুজন বাছ যাত্ৰীৰ এজন নাৰায়ণ বৰা বুলি জানিব পৰা গৈছে যদিও আন এজন চিনাক্ত হোৱা নাই। জানিব পৰা মতে, বাছখনত ৩৫ গৰাকী যাত্ৰী আছিল। ইয়াৰ ভিতৰত অধিকাংশ যাত্ৰীয়েই কম বেছি পৰিমাণে আহত হৈছে। ইয়াৰ কেইজনমানৰ অৱস্থা সংকটজনক। প্ৰত্যেক্ষদৰ্শীয়ে জানিবলৈ দিয়া মতে, মৃতকৰ সংখ্যা আৰু বৃদ্ধি হ'ব পাৰে।

## গুৱাহাটীত ডঃ দয়ানন্দ শ্বাহক 'সুৰ্দশন বঁটা' প্ৰদান

**ই-সংবাদ, গুৱাহাটী, ২৪ মাৰ্চঃ** ওৱে জীৱন সমাজৰ হকে কাম কৰা ৰাজ্যৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ ডঃ দয়ানন্দ শ্বাহক প্ৰদান কৰা হৈছে 'সুৰ্দশন বঁটা'। গুৱাহাটীৰ ৰুক্মীগাঁও প্ৰেক্ষাগৃহত অনুষ্ঠিত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাজ্যৰ কেবাগৰাকী বিশিষ্ট নাগৰিকৰ সন্মুখত এই বঁটা গ্ৰহণ কৰিছে ডঃ শ্বাহে। নিউজ অসম লাইভ নামৰ এটা সংবাদ সংস্থাই এই বঁটা প্ৰদান কৰিছে শ্বাহক। শিক্ষাক্ষেত্ৰ আৰু সমাজসেৱা খণ্ডত কৰা কামৰ বাবে এই সন্মান প্ৰদান কাৰ হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডঃ শ্বাহে সন্মান গ্ৰহণ কৰি কয় - 'এই সন্মানে মোক সাহস আৰু প্ৰেৰণা দিছে বুলি কয়। কিয়নো এটা সংবাদ সংস্থাৰ পৰা মই এই বঁটা গ্ৰহণ কৰিছো। সংবাদ সংস্থা বা সাংবাদিক সমাজ সমাজৰ আইনা স্বৰূপ। সংবাদ গোষ্ঠীয়ে যিহেতু এই বঁটা দিলে তাৰ বাবে মোৰ সমাজৰ প্ৰতি দায়িত্ব বৃদ্ধি পালে। এতিয়াৰ পৰা মোৰ দায়িত্ব বাঢ়িল আৰু এই বঁটাই সমাজৰ বাবে দুগুন উৎসাহেৰে কাম কৰিবলৈ সাহস দিছে।' বিশিষ্ট সমাজকৰ্মী তথা এছকেএছ ইংলিছ একাডেমিৰ মুখ্য পৰিচালন সঞ্চালক ডঃ দয়ানন্দ শ্বাহ ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ডিব্ৰুৱাল চাংমাই গাঁৱৰ সন্তান। প্ৰয়াত শিৱকান্ত শ্বাহ আৰু প্ৰয়াত লক্ষীদেৱী শ্বাহৰ সুযোগ্য সন্তান ডঃ দয়ানন্দ শ্বাহে শিক্ষাৰ ক্ষেত্ৰৰ লগতে চাহ জনগোষ্ঠীৰ হকে দীৰ্ঘ সময় ধৰি কাম কৰি আহিছে।

## চাবুৱাৰ খাৰজানত বিধ্বংসী অগ্নিকাণ্ড

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ মাৰ্চঃ** চাবুৱাৰ খাৰজানত আজি এক বিধ্বংসী অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত জুইত জাহ যায় সঞ্জয় গগৈ নামৰ ব্যক্তিজনৰ বাসগৃহ আৰু দোকান। কথমপি প্ৰাণ ৰক্ষা পৰে বৃদ্ধাসহ তিনিগৰাকীৰ ব্যক্তিৰ। চাবুৱাৰ খাৰজান তিনিআলিত থকা ব্যক্তিজনৰ দোকানখন সম্পূৰ্ণ ৰূপে ভস্মীভূত হয় আৰু বাসগৃহৰো অৰ্ধাংশ ভস্মীভূত হয়। আনহাতে, ঘৰখনত থকা এখন স্কুটী সম্পূৰ্ণৰূপে জ্বলি ধ্বংস হৈ যোৱাৰ লগতে প্ৰায় লক্ষাধিক টকাৰ সা-সম্পত্তি লোকচান হয় বুলি অনুমান কৰা হৈছে। প্ৰণিধানযোগ্য যে ঘৰৰ গৰাকী সঞ্জয় গগৈ আৰু পত্নী মায়ামৰা সমাজৰ শৰণ গ্ৰহণ কৰিবলৈ ঐতিহাসিক বগৰিতলীয়া সত্ৰলৈ ২৩ মাৰ্চত পুৱাই ওলাই গৈছিল আৰু সমীপৰ এগৰাকী বৃদ্ধাক সঞ্জয় গগৈৰ দুটি সন্তানসহ ঘৰৰ দায়িত্ব দি থৈ গৈছিল। তেনে পৰিৱেশতে বিধ্বংসী জুয়ে বিধ্বস্ত কৰি পেলায় সম্পূৰ্ণ ঘৰখন। সেইসময়ত ঘৰত থকা বৃদ্ধাসহ সঞ্জয় গগৈৰ দুটি সন্তান ভাগ্যক্ৰমে ৰক্ষা পৰে বুলি জানিব পৰা গৈছে। অগ্নিকাণ্ডৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই।

## সোণাৰিত চিআৰপিএফৰ জনসম্পৰ্ক অভিযান

**ই-সংবাদ, সোণাৰি, ২৪ মাৰ্চঃ** নাগৰিকৰ জীৱন উন্নত কৰা তথা জনসাধাৰণৰ লগত আৰক্ষী তথা অসামৰিক বাহিনীৰ সম্পৰ্ক ৰক্ষাৰ উদ্দেশ্যে কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ উদ্যোগত অলপতে এক বিশেষ কাৰ্যসূচী সম্পন্ন কৰা হয়। সোণাৰিৰ খামলুং মজলীয়া বিদ্যালয়ত অনুষ্ঠিত এই অনুষ্ঠানতে বিদ্যালয়খনলৈ ১৪৯ নং বেটেলিয়নৰ তৰফৰপৰা আগবঢ়োৱা বিশুদ্ধ পানী যোগান প্ৰকল্প আৰু খামলুং অঞ্চলত স্থাপন কৰা সৌৰশক্তি চালিত বিজুলিবাতিৰ শুভ উদ্বোধন কৰা হয়। চিআৰপিএফৰ ডিব্ৰুগড়স্থিত ডিআইজি প্ৰভাকৰণ ত্ৰিপাঠী মুখ্য অতিথি হিচাপে উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত চিআৰপিএফৰ ১৪৯ নং বেটেলিয়নৰ কামাণ্ডেণ্ট আশীষ যাদৱৰ লগতে বহু কেইগৰাকী বিষয়াৰ তথা জোৱান উপস্থিত থাকে। এই উদ্দেশ্যে খামলুং মজলীয়া বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি প্ৰভাকৰণ ত্ৰিপাঠীয়ে জনসাধাৰণৰ সৈতে চিআৰপিএফৰ সম্পৰ্ক সদায় অক্ষুণ্ণ ৰাখিবলৈ বিভিন্ন কৰ্ম পন্থা গ্ৰহণ কৰাৰ বিষয়ে জানিবলৈ দিয়ে।

## সোণাৰিত বিশ্ব যক্ষ্মা দিৱস পালন


**ই-সংবাদ, সোণাৰি, ২৪ মাৰ্চঃ** দেশৰ অন্যান্য ঠাইৰ লগতে আজি সোণাৰিতো বিশ্ব যক্ষ্মা দিৱস পালন কৰা হয়। চৰাইদেউ জিলা স্বাস্থ্য সমিতি আৰু চৰাইদেউ জিলা যক্ষ্মা কেন্দ্ৰৰ উদ্যোগত এই উপলক্ষে সোণাৰিৰ কাষৰীয়া নাফুক চাহ বাগিচা পূজা ঘৰত এখনি সভাৰ আয়োজন কৰা হয়। জ্যেষ্ঠ স্বাস্থ্য কৰ্মী মৃত্যুঞ্জয় দাসে আঁত ধৰা সভাৰ আৰম্ভণিতে জিলা যক্ষ্মা বিষয়া ডাঃ সোণালী চেতিয়াই বিশ্ব যক্ষ্মা দিৱস আয়োজনৰ তাৎপৰ্য সম্পৰ্কে ভাষণ দিয়ে ইয়াৰ পিছত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা উপ-জিলা আয়ুক্ত (স্বাস্থ্য) সোণতৃষ্ণা ঘৰফলিয়া, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱা, নাফুক বাগিচাৰ অতিৰিক্ত মহাপ্ৰবন্ধক দেৱশীষ বৰুৱা আৰু এন এইচ এমৰ জিলা আঁচনি পৰিচালক অভিজিত শৰ্মাই ভাষণ দিয়ে। অনুষ্ঠানত স্থানীয় শিল্পীসকলে গীত নৃত্যৰ অনুষ্ঠান পৰিৱেশন কৰে।

## লাহোৱালৰ ঘোঁৰামৰাত পথ দুৰ্ঘটনা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ মাৰ্চঃ** লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত ঘোঁৰামৰা তিনিআলিত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বাইক আৰু টাটা এচি বাহনৰ মুখামুখি সংঘৰ্ষত এজন লোক গুৰুতৰভাৱে আহত হয়। আহতজনক সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰা হয়। লাহোৱালৰ ঘোঁৰামৰা তিনিআলিত ডিব্ৰুগড় পৰা আহি থকা ডিব্ৰুগড় পৌৰ নিগমৰ টাটা এচি বাহনখনে টেঙাখাট দিশৰ পৰা আহি থকা এখন কেটিএম মটৰ চাইকেলত খুন্দা মাৰে। ফলত মটৰ চাইকেল আৰোহীজনক অতি সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰে ঘোঁৰামৰা আৰক্ষীয়ে। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, ডিব্ৰুগড় পৌৰ নিগমৰ বাহনখনৰ চালকজনৰ চালকৰ অনুজ্ঞাপত্ৰ নাছিল লগতে তেওঁ সুৰামত্ত অৱস্থা আছিল।

# সাংবাদিক হাকিম উদ্দিন আকন্দৰ দেহাৱসান

**ই-সংবাদ, পৰ্বতঝোৰা, ২৪ মাৰ্চঃ** ধুবুৰীৰ সীমান্তৱৰ্তী সাপটগ্ৰাম চহৰৰ জ্যেষ্ঠ সাংবাদিক হাকিম উদ্দিন আকন্দই যোৱা নিশা ১০.৩০ বজাত নিজা বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। সাপটগ্ৰাম অঞ্চলৰ পৰা বিভিন্ন কাকতত স্থানীয় সংবাদদাতা হিচাপে কাম কৰাৰ লগতে অঞ্চলটোৰ সামাজিক কাম-কাজৰ লগত তেওঁ জড়িত আছিল। নম্ৰ, শান্ত স্বভাৱৰ বাবে তেওঁ সকলোৰে মাজত জনপ্ৰিয় আছিল। তেওঁ সাপটগ্ৰাম শাখা সাহিত্য সভা, সাপটগ্ৰাম প্ৰেছ ক্লাবৰ কোষাধ্যক্ষ আছিল। তেওঁৰ মৃত্যুৰ খবৰ লাভ কৰি বহু গুণমুগ্ধ তেওঁৰ বাসভৱনত উপস্থিত হয়। তেওঁৰ মৃত্যুত সাপটগ্ৰাম প্ৰেছ ক্লাবৰ সভাপতি প্ৰদীপ কুমাৰ দে, কলিতা সমাজ আৰু অসম সাহিত্য সভাৰ সাপটগ্ৰাম শাখাৰ সভাপতি নিখিল ৰঞ্জন দাস, ব্যৱসায়ী সমিতিৰ সভাপতি মুকুল দত্ত, বিলাসীপাৰা প্ৰেছ ক্লাব, পৰ্বতঝোৰা প্ৰেছ ক্লাবে শোক প্ৰকাশ কৰিছে।






**কৃত্ৰিম বানপানী সমস্যা সমাধানৰ দাবীত গেলেকীত পথ অৱৰোধ টাইপাৰ**

# সৰভোগত উদণ্ড ডাম্পাৰ চালকৰ অতপালি

**ই-সংবাদ, বৰপেটাৰোড, ২৪ মাৰ্চঃ** ডাম্পাৰৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰিছে ৰাইজ। বিভিন্ন সময়ত ঘাতক ৰূপী ডাম্পাৰে জীৱন কাঢ়ি নিছে বিভিন্নজনৰ। তেনে এক ঘটনা পুনৰ সংঘটিত হৈছে সৰভোগত। তীব্ৰবেগী ডাম্পাৰে এক কিলোমিটাৰ দূৰলৈ চোঁচোৰাই নিলে এখন মটৰ চাইকেল। ডাম্পাৰৰ খুন্দাত গুৰুতৰভাৱে আহত হয় মাছ ব্যৱসায়ী নুৰ হুছেইন। নুৰ হুছেইনক লগে লগে চিকিৎসাৰ বাবে সৰভোগ সমূহীয়া স্বাস্থ্য কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয়। সৰভোগৰ নুনতোলাত থকা চকচকা উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সন্মুখত সংঘটিত হয় এই দুৰ্ঘটনা। নুৰ হুছেইনে মটৰ চাইকেলেৰে মাছ বিক্ৰী কৰি থকা সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। ইতিমধ্যে ঘটনাস্থলীত সৰভোগ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখন জব্দ কৰাৰ লগতে ডাম্পাৰ চালকজনক আটক কৰিছে। সৰভোগত বেঁকী মহলৰ পৰা শিল-বালি কঢ়িওৱা ডাম্পাৰ চালকৰ অতপালিত সাধাৰণ নাগৰিকৰ যাতায়াত বিঘ্নিত হৈ পৰা বুলি অভিযোগ কৰিছে ৰাইজে। এইক্ষেত্ৰত উদণ্ড ডাম্পাৰ চালকক নাকী লগাবলৈ আৰক্ষীক দাবী জনাইছে ৰাইজে।

# গণেশকুৱঁৰীত কেতেকী সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদযাপনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুমুনিচকী, ২৪ মাৰ্চঃ** দৰং জিলাৰ গণেশকুৱঁৰীস্থিত কেতেকী সাহিত্য সভাৰ ৰূপালী জয়ন্তী অহা ৪ আৰু ৫ এপ্ৰিলত উদযাপনৰ বাবে বাহঁগড়া গণেশকুঁৱৰী জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। শাখা সাহিত্য সভাৰ সম্পাদক দিলদাৰ হুছেইন আৰু নৱ নিৰ্বাচিত সম্পাদক পদুম নাথে জানিবলৈ দিয়া অনুসৰি ৪ এপ্ৰিলত পুৱা ৮.৫৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব কেতেকী সাহিত্য সভাৰ সভাপতি অৰুণ চন্দ্ৰ দাসে। ইয়াৰ পিছত অঞ্চলৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৰূপালী জয়ন্তীৰ ২৫ খন পতাকা উত্তোলন কৰা হ'ব। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী সমাপন কৰাৰ পিছত সাহিত্য প্ৰতিযোগিতা আৰম্ভ হ'ব। সন্ধিয়া ২৫ গছি বন্তি প্ৰজ্বলন কৰা হ'ব স্থানীয় বিশিষ্ট ব্যক্তিৰ দ্বাৰা। নিশাৰ সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ গীত-মাত, দৰঙী কলা-কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। উদ্বোধন কৰিব দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক মুকুট হাজৰিকাই। ৫ এপ্ৰিলত পুৱা ৮ বজাত পৰিৱেশ নিকাকৰণৰ পিছতে ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বেহাৰবাৰী ধাৰাবাহিকৰ 'মোহন' খ্যাত কৌতুক অভিনেতা দীপজ্যোতি কেওটে। দুপৰীয়া ২ বজাত মুকলি সভাত সভাপতিত্ব কৰিব উদযাপনৰ সমিতিৰ সভাপতি তথা ছিপাঝাৰৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে। আদৰণি ভাষণ প্ৰদান কৰিব শাখাৰ প্ৰাক্তন সভাপতি দয়াৰাম দাসে। মুখ্য অতিথি হিচাপে উপস্থিতি থাকিব অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা। নিৰ্দিষ্ট বক্তাদ্বয় ড০ দিগন্ত বিশ্ব শৰ্মা আৰু ডাঃ আলেক্ষ বৰুৱা, দৰং জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদক সহিতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। নিশা সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ কণ্ঠশিল্পী মৰ্মিতা মিত্ৰৰ গীত পৰিৱেশনৰ পিছতে অন্ত পৰিব কেতেকী সাহিত্য সভাৰ ৰূপালী জয়ন্তী। সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# বঙৰাত পৰাগজ্যোতি প্ৰকাশনৰ গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন


**ই-সংবাদ, গুৱাহাটী, ২৪ মাৰ্চঃ** মহানগৰীৰ পশ্চিম প্ৰান্তৰ বৰঝাৰ বিমানবন্দৰৰ সমীপৰ বঙৰাৰ আমৰতলস্থিত 'জনকল্যাণ পুথিভঁৰাল আৰু সংঘ' প্ৰাংগণত অহা ৩০ মাৰ্চ, দেওবাৰে দিনৰ যথাসময় দিনৰ ১১ বজাত ৰাজ্যৰ আভিজাত্য প্ৰকাশন অনুষ্ঠান 'পৰাগজ্যোতি প্ৰকাশন'ৰ উদ্যোগত দুই লেখকৰ তিনিখন গ্ৰন্থ উন্মোচনৰ আয়োজন কৰা হৈছে বুলি প্ৰকাশনৰ সচিব দীপক শৰ্মাই এক প্ৰেছ বিবৃতিযোগে জানিবলৈ দিছে। উক্ত দিনা বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ গৌৰীকান্ত নাথৰ কবিতা সংকলন 'হিয়াৰ বতৰা', প্ৰবীণ কবি-লেখক ৰমেশ চন্দ্ৰ তালুকদাৰৰ প্ৰবন্ধ সংকলন 'জালীয়া শাল' আৰু কবিতা সংকলন 'সপোন সন্ধানী' উন্মোচন কৰা হ'ব। অনুষ্ঠানত ভালেকেইজন বিশিষ্ট সাহিত্যিক, সাংবাদিক, বুদ্ধিজীৱীয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। অনুষ্ঠানত সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# বৰপেটাৰোডৰ ঐতিহ্যমণ্ডিত বৰদৈচিলা বিহুৱা দলৰ ৪৮ বছৰত পদাৰ্পণ

**ই-সংবাদ, বৰপেটাৰোড, ২৪ মাৰ্চঃ** বৰপেটাৰোডত ৰঙালীক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। চেনেহৰ ৰঙালীক আদৰিবলৈ সাতখন-আঠখন অসমীয়াৰ গা! চ'তত ভৰি দিয়া লগে লগেই ৰঙালীক আদৰিবলৈ ব্যস্ত হৈ পৰিছে ডেকা-গাভৰু। ব্যতিক্ৰম নহয় বৰপেটাৰোডো! ব্যস্ত হৈ পৰিছে বৰপেটাৰোডৰঐতিহ্যমণ্ডিত বৰদৈচিলা বিহুৱা দল। বিহুৱা দলটোৱে এইবাৰ ৪৮ বছৰত পদাৰ্পণ কৰিলে।
আগন্তুক ৰঙালী বিহুক আদৰৰ বাবে দলটোৱে আজি বৰপেটাৰোড সাহিত্য সভা ভৱনত আনুষ্ঠানিকভাৱে পূজা-অৰ্চনা আৰু ভাগৱত পাঠৰে আখৰাৰ শুভাৰম্ভ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে বৰপেটাৰোড সাহিত্য সভাৰ সভাপতি অৰূপ বায়ন, সম্পাদক ৰমেন শৰ্মা, বিশিষ্ট সমাজ সেৱীকা নিপা কলিতা, হিমাংশু ভৰালী, জিণ্টু দাস, সুনীল দাস, অঞ্জন জ্যোতি নাথ, কমল তালুকদাৰ, দীপু দাস আৰু দীপাংকৰ দাসৰ লগতে ভালে কেইগৰাকী বিশিষ্ট ব্যক্তি।

# বিশিষ্ট লেখক মুহাম্মাদ ফাৰুক আব্দুল্লাহ্ নূৰীৰ আৰবী ভাষা বিজ্ঞান বিষয়ত ডিপ্লমা লাভ

**ই-সংবাদ, দুমুনিচকী, ২৪ মাৰ্চঃ** বিশিষ্ট ইছলামী গৱেষক, লেখক, কবি মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰীয়ে নেচনেল কাউন্সিল ফৰ প্ৰমোচন অব উৰ্দু লেংগুৱেজ, শিক্ষা মন্ত্ৰালয়, ভাৰত চৰকাৰৰ অধীনত ২০২৩-২৪ ত অনুষ্ঠিত চাৰ্টিফিকেট ক'ৰ্চ ইন আৰবীক লেংগুৱেজৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ এ গ্ৰেড প্ৰাপ্তিৰে ডিপ্লমা লাভ কৰিছে। অন্যান্য ডিগ্ৰীৰ লগতে তেওঁ এই ডিপ্লমা লাভ কৰাৰ লগে লগে শুভাকাংক্ষীসকল উৎফুল্লিত হৈ পৰিছে আৰু তেওঁক শুভেচ্ছা জনাইছে। এই সম্পৰ্কত নূৰীয়ে মন্তব্য প্ৰকাশ কৰি কয় যে হাদীচ শ্বৰীফত আছে যে, ইছলামে প্ৰত্যেক মুছলমান নৰ-নাৰীৰ বাবে শিক্ষা আহৰণ কৰা ফৰজ (বাধ্যতামূলক) কৰিছে আৰু ই এক জীৱনজোৰা প্ৰক্ৰিয়া। শিক্ষা আহৰণৰ জৰিয়তে ব্যক্তিৰ ব্যক্তিত্ব সূৰ্যৰ পোহৰৰ দৰে জিলিকি উঠে। সেয়ে তেওঁ অবিৰতভাৱে শিক্ষা আহৰণত ব্ৰতী হৈ আছে। তেওঁৰ এই ডিপ্লমা গ্ৰহণৰ পিছত আহলে ছুন্নত ওৱাল জামাআত অসম, অসম ছুন্নী মাদ্ৰাছা শিক্ষা ব'ৰ্ড, জামাআতে ৰাজা-ই-মুস্তাফা, দৰং, সদৌ অসম ছুন্নী উলামায়ে কাউন্সিল, ইছলামিক ইডুকেশ্বনেল ব'ৰ্ড অব ইণ্ডিয়া, অসম শাখাৰ সভাপতি, সম্পাদকসকলে শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছে।



**সৰভোগত উদণ্ড ডাম্পাৰ চালকৰ উদ্ভণ্ডালি ৰৈ থকা মটৰ চাইকেল আৰোহীক তীব্ৰবেগী ডাম্পাৰৰ খুন্দা**

# কৃত্ৰিম বানপানী সমস্যা সমাধানৰ দাবীত গেলেকীত পথ অৱৰোধ টাইপাৰ

**ই-সংবাদ, গেলেকী, ২৪ মাৰ্চঃ** কৃত্ৰিম বানপানী সমস্যা সমাধানৰ দাবীত টাই আহোম যুৱ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু গেলেকীৰ স্থানীয় ৰাইজৰ সহযোগত গেলেকী নাজিৰা সংযোগী মূল ঘাইপথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰা হয়। পুৱা ৫ বজাৰ পৰা পথ অৱৰোধ কৰাৰ ফলত উক্ত পথছোৱাত সম্পূৰ্ণৰূপে যান-বাহনৰ চলাচল বন্ধ হৈ পৰে। গেলেকীৰ মৰাণ গাঁও, লাহন গাঁও, ৰঙাগড়া আদি কেইবাখনো গাঁৱত কৃত্ৰিম বানপানী সমস্যা ৰোধ কৰাৰ দাবীত এই পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ
কৰে টাইপাই। তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ অ' এন জি চিৰ বিৰুদ্ধে সৰব হৈ পৰে প্ৰতিবাদকাৰীসকল। এক দীঘলীয়া সময় ধৰি গেলেকী অঞ্চলৰ পৰা মহাৰত্ন কোম্পানী অ' এন জি চিয়ে তেল খনন কৰি মুনাফা অৰ্জন কৰি আহিছে যদিও এই অঞ্চলৰ আটাইতকৈ ডাঙৰ সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়োৱা নাই বুলিঅভিযোগ কৰিছে টাইপাই।
প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা মতে, ধাৰাবাহিকভাৱে তেল আৰু প্ৰাকৃতিক গেছ নিগমে এই গেলেকী অঞ্চলত খনন কৰি আহিছে। এই খনন ৰিগৰ পৰা খাৰুৱা তেল আৰু কেমিকেল যুক্ত পানী ওলাই আহি বিভিন্ন সময়ত খেতি-মাটি নষ্ট কৰাৰ লগতে ভয়াৱহ প্ৰদূষণৰ সৃষ্টি কৰি জীৱকুললৈ বিপদ নমাই আনিছে। লগতে বিভিন্ন সময়ত খনন ৰিগ স্থাপনৰ নামত মাটি পেলাই বহু ঠাইত পথ নিৰ্মাণ কৰাৰ ফলত অধিকাংশ ঠাইৰ পৰা বাৰিষাত পানী ওলাই যাব নোৱাৰা হ'ল। যাৰ বাবেও বাৰিষাত কৃত্ৰিম বানপানী সৃষ্টি হৈ এই অঞ্চলৰ ৰাইজে জীয়াতু ভুগিবলগীয়া হয়। সংগঠনটোৱে এই কৃত্ৰিম বানপানীৰ সমস্যাটো স্থায়ী সমাধান কৰি দিব নোৱাৰাৰ বাবে বৰ্তমানৰ শাসনাধিষ্ঠিত চৰকাৰখনৰবিৰুদ্ধেও ক্ষোভ ওজাৰে।
প্ৰতিবাদকাৰীসকলে অসম চৰকাৰ হায় হায়, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা হায় হায়, সাংসদ গৌৰৱ গগৈৰ কামনাই ,স্থানীয় বিধায়ক দেৱব্ৰত শইকীয়া মুৰ্দাবাদ আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰতিবাদস্থলীত যথেষ্ট আৰক্ষী মোতায়েন কৰে মহকুমা প্ৰশাসনে। টাইপাৰ শিৱসাগৰ জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে গেলেকীৰ ৰাইজে অংশগ্ৰহণ কৰে এই পথ অৱৰোধ কাৰ্যসূচীত। পৰৱৰ্তী সময়ত দণ্ডাধীশৰ উপস্থিতিত স্মাৰক-পত্ৰ প্ৰদান কৰি সমস্যা সমাধানৰ বাবে দাবী জনাই সাময়িকভাৱে প্ৰতিবাদ স্থগিত ৰাখে। অতি সোনকালে চৰকাৰ আৰু অ' এন জি চি কৰ্তৃপক্ষই এই সমস্যা সমাধানৰ ব্যৱস্থা নল'লে জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰে প্ৰতিবাদকাৰীসকলে।

# বটদ্ৰৱাৰ নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ নিৰ্মালি প্ৰদান অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৪ মাৰ্চঃ** শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ প্ৰ-পৌ পুত্ৰীৰ ৰক্ত প্ৰৱাহিত চাৰি মহাপুৰুষীয়া সত্ৰৰ অন্যতম নৰোৱা সত্ৰৰ দ্বাদশ জনা সত্ৰাধিকাৰ হিচাপে অম্লানজ্যোতি দেৱগোস্বামীৰ ধূপ নিৰ্মালি প্ৰদান আৰু অভিষেক উৎসৱ অনুষ্ঠানটি আজি বটদ্ৰৱা থানত অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে বিগত বৰ্ষৰ ২৩ মাৰ্চত নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামীৰ আকস্মিকভাৱে মহাপ্ৰয়াণ ঘটিছিল। সেইহেতু তেখেতৰ স্থানত বৰপুত্ৰ উচ্চশিক্ষিত যুৱক, শিল্পী অম্লানজ্যোতি দেৱগোস্বামীক সত্ৰখনৰ দ্বাদশ জনা সত্ৰাধিকাৰ হিচাপে সত্ৰাধিকাৰ নিৰ্মালী প্ৰদান কৰা হয়। এই উদ্দেশ্যে নৰোৱা সত্ৰৰ বংশ-পৰিয়াল, শিষ্য-প্ৰশিষ্য আৰু ভকত-বৈষ্ণৱৰ উপস্থিতিত মংগল উৰুলি, হৰিধ্বনি, হৰ্ষধ্বনীৰ মাজেৰে সৃষ্ট এক আধ্যাত্মিক পৰিৱেশত সত্ৰীয়া পৰম্পৰাৰে নিৰ্মালি প্ৰদান কৰে বটদ্ৰৱাৰ শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্ত, নৰোৱা কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামী, নতুন চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ বাসুদেৱ মহন্ত, চুপহা সত্ৰৰ সত্ৰাধিকাৰ হিৰণ্য মহন্ত, ভোগবাৰী দীঘলী সত্ৰৰ সত্ৰাধিকাৰ লীলা মহন্ত, কালশিলা সত্ৰৰ সত্ৰাধিকাৰ কুসুম কুমাৰ মহন্ত আৰু শুকদল সৰুৱৰী সত্ৰৰ সত্ৰাধিকাৰ প্ৰদীপ মহন্তই। নেত্ৰ কমল মহন্তই আঁতধৰা অনুষ্ঠানটিত সত্ৰভাগৰ ইতিবৃত্ত, ক্ৰম বিকাশ, বংশ পৰম্পৰা আদিৰ সম্পৰ্কত তথ্যসহ বিৱৰণ ডাঙি ধৰে ভকত তৰুণ পাঠকে। অনুষ্ঠানত ডেকা সত্ৰীয়া দিলীপ গোস্বামীয়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে।

# বিধায়ক আব্দুৰ ৰশিদ মণ্ডলৰ উদ্যোগত সমূহীয়া ইফতাৰ পাৰ্টিৰ আয়োজন

**ই-সংবাদ, নগৰবেৰা, ২৪ মাৰ্চঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত সূতাৰপাৰা বজাৰ আঞ্চলিক জামে মছজিদ প্ৰাংগণত আজি পশ্চিম গোৱালপাৰা সমষ্টিৰ বিধায়ক তথা পূব গোৱালপাৰা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী আলহাজ আব্দুৰ ৰশিদ মণ্ডলৰ উদ্যোগত সমূহীয়া ইফটাৰ মেহফিলৰ লগতে চেহেৰীৰ আয়োজন কৰা হয়। ইফটাৰ পাৰ্টিৰ প্ৰাক মুহূৰ্তত বিশ্ব শান্তি ৰক্ষাৰ বাবে সমূহীয়া মোনাজাত কৰা হয়।অইন বছৰৰ দৰেএইবেলিও পৱিত্ৰ ৰমজান মাহত চল্লিশ দিনৰ বাবে চলি আছে দশম এতেকাফ। উক্ত এতেকাফ পৰিচালনা সমিতিৰ সম্পাদক তথা সমাজ কৰ্মী জবেদ আলীৰ তত্বাৱধানত বিভিন্ন অঞ্চলৰ ভালেসংখ্যক ধৰ্মপ্ৰাণ ব্যক্তি এতেকাফত অংশগ্ৰহণ কৰে। ইফটাৰ পাৰ্টি অনুষ্ঠানত এতেকাফত বহা সত্তৰ গৰাকী লোকৰ উপৰি বিভিন্ন পৰ্যায়ৰ লোকক নিমন্ত্ৰণ জনায় আৰুসেই হিচাপে ৰাইজেও সঁহাৰি জনায়। উক্ত ইফটাৰ পাৰ্টিত জাকিৰ হুছেইন মোল্লা, সাইজুদ্দিন ভূঞা, জাকিৰ হুছেইন, নজৰুল ইছলামৰ লগতে ভালেসংখ্যক লোকে সহায়-সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে পৱিত্ৰ ৰমজান মাহ উপলক্ষে ইফটাৰ পাৰ্টিৰ আয়োজন কৰা বিধায়ক আব্দুৰ ৰশিদ মণ্ডলক উপস্থিত সকলোৱে ধন্যবাদ জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গঁড় সুৰক্ষাত ব্যৰ্থ কংগ্ৰেছ!

আকৌ চৰ্চিত হ'ল চুপাৰি চিণ্ডিকেটৰ প্ৰসংগ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চুপাৰি চিণ্ডিকেট সন্দৰ্ভত উত্থাপিত হোৱা অভিযোগৰ উত্তৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে নিজৰ ভাষণত কয় যে, "এজন বিধায়ক মোৰ ওচৰলৈ আহি কৈছে যে অসমৰ মাজেৰে চুপাৰি কিয় অন্য ৰাজ্যলৈ প্ৰেৰণ কৰিব নোৱাৰি? এনে কৰিলে অসমৰ খেতিয়কসকলৰে লাভ হ'ব। মোৰ প্ৰশ্নটো হৈছে, আমি অসমত কিয় চুপাৰি উদ্যোগ প্ৰতিষ্ঠা কৰিব নোৱাৰো?" মুখ্যমন্ত্ৰীয়ে লগতে কয়, এডভাণ্টেজ আছাম ২.০ৰ সময়ত দুটা উদ্যোগিক প্ৰতিষ্ঠানে অসমতে চুপাৰিৰ উদ্যোগ স্থাপনৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ইয়াৰ ফলত অসমৰ চুপাৰি বাহিৰলৈ নপঠোৱাকৈয়ে অসমৰ কৃষকে লাভ উঠাব পাৰিব। কেৱল এয়াই নহয়, মুখ্যমন্ত্ৰীয়ে চুপাৰি চিণ্ডিকেট সন্দৰ্ভত জনৈক হৰেণ মহন্ত নামৰ ব্যক্তিগৰাকীৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰো কোনো উত্তৰ প্ৰদান নকৰিলে। বৰঞ্চ তেওঁ মহন্ত, কলিতা, বড়ো 0 আদি উপাধি আঙুলিয়াই দি অভিযোগৰ উত্তৰ প্ৰদানৰ পৰা পলায়ন কৰাহে দেখা গ'ল। অসমত চিণ্ডিকেট নেদেখা বা চিণ্ডিকেটৰ কথা গম নাপাও বুলি দাবী কৰা মুখ্যমন্ত্ৰীয়ে কিন্তু অভিযোগ আনিলে কংগ্ৰেছৰ প্ৰতিহে।

মুখ্যমন্ত্ৰীয়ে কয়, "আমি মুঠ ৪,৩০০ গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছো। যদি বিৰোধীয়ে যুক্তি দিয়ে যে পূৰ্বৰ চৰকাৰসমূহেও এই বিষয়ত কাম কৰিছিল, তেন্তে মই তেওঁলোকক সোঁৱৰাই দিওঁ যে ২০১০ চনৰ পৰা ২০১৬ চনলৈকে কংগ্ৰেছ চৰকাৰে মাত্ৰ ৭৭ জন চোৰাং সৰবৰাহকাৰীকহে গ্ৰেপ্তাৰ কৰিছিল। কেৱল এয়াই নহয়, গড় হত্যক লৈও পূৰ্বৰ চৰকাৰক দোষাৰোপ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। মুখ্যমন্ত্ৰীৰ বিধানসভাত মন্তব্য, "গঁড় অসমৰ গৌৰৱ আৰু ইয়াক কেতিয়াও টকাৰ বিনিময়ত বিক্ৰী কৰিব নোৱাৰি। আমাৰ চৰকাৰ গঁড় চোৰাং চিকাৰৰ লগত জড়িত হোৱাহেঁতেন আমি এটা গঁড়ৰ খড়গৰ পৰা কোটি টকা উপাৰ্জন কৰিব পাৰিলোহেঁতেন। বছৰি ২৫টা গঁড় হত্যাৰ অনুমতি দিয়া হ'লে আমি ২৫০ কোটি টকা উপাৰ্জন কৰিলোঁহেঁতেন। কিন্তু পৰিসংখ্যা চাওক, ২০২১ চনত মাত্ৰ তিনিটা গঁড়ৰ চোৰাং চিকাৰ হৈছিল। ২০২২ চনত দুটা, ২০২৩ চনত এটাও নাছিল, আৰু ২০২৪ চনত তিনিটা গড়ৰ চোৰাং চিকাৰ হৈছে। একেই বিষয়া, একেই বনৰক্ষী। তেনেহ'লে পূৰ্বৰ চৰকাৰে কিয় গড় হত্যা ৰোধ কৰিব পৰা নাছিল? পূৰ্বৰ চৰকাৰৰ শাসন কালত গঁড়ৰ চোৰাং চিকাৰৰ গোচৰ ২০ বা তাতোকৈ অধিক বৃদ্ধি পাইছিল। এতিয়া বছৰত এটা বা দুটালৈ হ্ৰাস পাইছে। ৰাজ্যত ইমানবোৰ গঁড় কিয় হত্যা কৰা হৈছিল? চোৰাং চিকাৰ বন্ধ কৰাৰ ৰাজনৈতিক ইচ্ছাশক্তি তেওঁলোকৰ নাছিল নেকি? নিৰ্বাচনৰ বিত্তীয় সাহায্য লাভৰ বাবে এনে কৰা হৈছিল নেকি? চিণ্ডিকেটৰ কথা গম নাপাও বুলি কোৱা মুখ্যমন্ত্ৰীয়ে এনেকৈয়ে পূৰ্বৰ চৰকাৰক গৰুৰ চোৰাং সৰবৰাহ বা গড় হত্যাক লৈ আক্ৰমণ কৰিবলৈ নাপাহৰিলে।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

## ৰসায়ন বিজ্ঞান বিভাগৰ আই আই টি-জে এ এম পৰীক্ষাত উত্তীৰ্ণ চাৰি ছাত্ৰক সম্বৰ্ধনা

# দুলীয়াজান মহাবিদ্যালয়ত বিশ্ব জল দিৱস পালন




**ই-সংবাদ, বিশেষ, দুলীয়াজান, ২৪ মাৰ্চঃ** সমগ্ৰ বিশ্বৰ লগতে দুলীয়াজান মহাবিদ্যালয়তো ৰসায়ন বিজ্ঞান বিভাগ, ভুগোল বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ উদ্যোগত বিশ্ব জল দিৱস পালন কৰে। এই উপলক্ষে সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোকবিকাশ গগৈ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° জিতুমণি বড়াই সাম্প্ৰতিক সময়ৰ জলপ্ৰদূষণ, জলসংকট তথা সংৰক্ষণ বিষয়ক কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সামৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকি অইল ইণ্ডিয়া লিমিটেড, দুলিয়াজানৰ ৰসায়ন বিভাগৰ মুখ্য ৰসায়নবিদ পংকজ কলিতাই এই বৰ্ষৰ জল দিৱসৰ মূল বিষয় "Water Towers: Mountains and Glaciers"ৰ লগত সংগতি ৰাখি জল সংৰক্ষণৰ লগত জড়িত আধুনিক প্ৰযুক্তি তথা শক্তিৰ সংযোগৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ উপযোগী এক তত্বগধুৰ বক্তব্য ডাঙি ধৰে। ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° মনচুমী গগৈয়ে অনুষ্ঠানটো আঁত ধৰাৰ লগতে ভুগোল বিভাগৰ অধ্যাপিকা তুলিকা বৰুৱাই শলাগৰ শৰাই আগবঢ়ায়। ইয়াৰ পিছতে সদ্যঘোষিত IIT-JAM 2025 পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৰসায়ন বিজ্ঞান বিভাগৰ চাৰিজন ছাত্ৰ ক্ৰমে অৰূপ কুমাৰ, নয়নজ্যোতি চেতিয়া, মুনমুন হাজৰিকা আৰু জিন্টু গগৈক বিভাগৰ ফালৰ পৰা অধ্যক্ষ তথা সমল ব্যক্তিৰ উপস্থিতিত অভিনন্দন জনোৱা হয়। অভিনন্দন অনুষ্ঠানটি আঁত ধৰা ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° কল্যাণী ৰাজকুমাৰীয়ে ৰসায়ন বিজ্ঞান বিভাগৰ পৰা ধাৰাবাহিকভাৱে ২০১৯, ২০২২, ২০২৩ আৰু এইবাৰ পুনৰ ২০২৫ বৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এই প্ৰতিযোগিতামূলক পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ শলাগ লয় আৰু অনাগত বৰ্ষসমূহতো বিভাগৰ ছাত্ৰ- ছাত্ৰীসকলে এনে ধাৰাবাহিকতা ৰক্ষা কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্যযোগ্য যে দুলীয়াজানৰ বিজ্ঞান শাখাৰ একমাত্ৰ মহাবিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবছৰে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত ভাল ফলাফল প্ৰদৰ্শন কৰি দেশৰ বিভিন্ন বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰি আহিছে।

# ধূপধৰাত টংকেশ্বৰ ৰাভাৰ ৰাভা হাছং পৰিষদৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, ধূপধৰা, ২৪ মাৰ্চঃ** সমাগত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে মিত্ৰজোঁটৰ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে নিৰ্বাচনী প্ৰচাৰ ক্ৰমান্বয়ে তীব্ৰতৰ কৰি তুলিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য হিচাপে লৈ ৰাভা হাছঙৰ নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটৰ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি, বিজেপি তথা অগপ দলে প্ৰচাৰ অভিযান চলোৱা পৰিলক্ষিত হৈছে। ৰাভা হাছং পৰিষদৰ ১ নং ধূপধৰা সাধাৰণ পৰিষদীয় সমষ্টিৰ যৌথ সংগ্ৰাম সমিতিৰ মনোনীত আৰু বিজেপি সমৰ্থিত প্ৰাৰ্থী অনাদী সৰকাৰৰ হৈ আজি ধূপধৰাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পাৰিষদ টংকেশ্বৰ ৰাভাই প্ৰচাৰ চলায়। ধূপধৰাৰ শ্ৰীশ্ৰী মা বিষহৰি মন্দিৰ প্ৰাংগণত আয়োজন কৰা এখন নিৰ্বাচনী সভাত তেওঁ কংগ্ৰেছ দলৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাক তীব্ৰ ভাষাৰে সমালোচনা কৰে। ভাষণ প্ৰসংগত তেওঁ ২০১৩ চনৰ পূৰ্বে গোৱালপাৰা জিলা আৰু ৰাভা হাছং এলেকাত সেই সময়ৰ ভয়ংকৰ পৰিৱেশৰ কথা সোঁৱৰাই তদানীন্তন কংগ্ৰেছ চৰকাৰ আৰু গৃহ বিভাগৰ সংসদীয় সচিবৰ দায়িত্বত থকা ভূপেন বৰাক চোকা ভাষাৰে সমালোচনা কৰে। সেইজন ভূপেন বৰাই এতিয়া ৰাভা হাছঙত নিৰ্বাচনী প্ৰচাৰ চলাব আহি শান্তিৰ বাবে, ৰাভাসকলক ন্যায় দিয়াৰ স্বাৰ্থত কংগ্ৰেছক ভোট দিয়াৰ আহ্বান জনোৱা সন্দৰ্ভত টংকেশ্বৰ ৰাভাই প্ৰশ্ন কৰে। ৰাভা হাছঙত শান্তি, উন্নয়ন আৰু ৰাভা হাছং এলেকাৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰ ৰাজনৈতিক অধিকাৰ সুৰক্ষাৰ স্বাৰ্থতেই ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীক ভোট দিয়াৰ বাবে ৰাইজক টংকেশ্বৰ ৰাভাই আহ্বান জনায়। ইয়াৰ পূৰ্বে ১ নং ধূপধৰা পৰিষদীয় সমষ্টিৰ যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থী অনাদী সৰকাৰেও ভাষণ দিয়ে। আনহাতে, সভাত যৌথ সংগ্ৰাম সমিতি ক্ষমতালৈ আহিলে আধৰুৱা হৈ থকা ধূপধৰাৰ শ্ৰীশ্ৰী মা বিষহৰি মন্দিৰটো সম্পূৰ্ণ কৰাৰ বাবে দহ লাখ টকা অনুদান দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই নিৰ্বাচনী প্ৰচাৰ সভাত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক সুভাষ ৰাভা গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সম্পাদক তিলক ৰাভা, ৰংজুলি বিজেপিৰ মণ্ডল সমিতিৰ সভাপতি শংকৰ কলিতা, ধূপধৰা তিনিদলীয়া ৰাইজৰ সভাপতি সুনীল ৰাভা, মুছলিম ৰাইজৰ উপদেষ্টা তাজমহল হুছেইন, শ্ৰীশ্ৰী জগতগুৰু নামঘৰৰ সম্পাদক সৰ্বেশ্বৰ ৰায়, ধূপধৰা ব্যৱসায়ী সন্থাৰ সম্পাদক মইনুল হক প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নাহৰ ফুল শীৰ্ষক বিহুগীত মুকলি



**ই-সংবাদ, শুৱালকুছি, ২৪ মাৰ্চঃ** কণ্ঠশিল্পী অনুৰাগ পলৰ বিহুগীতৰ ভিডিঅ' 'নাহৰ ফুল' আজি আবেলি উন্মোচন কৰা হয়। উন্মোচন কৰে অসম টাইমৰ পৰিচালন সম্পাদক কমলেশ শৰ্মাই। উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে মুখ্য সম্পাদক এম মহিবৰ ৰহমান, সমন্বয়ক নৰেন ৰাজবংশী, বিশিষ্ট লেখক নুৰুল ইছলাম, জাহিদুল হক চৌধুৰী, সাংবাদিক চুনু সঞ্জয়, উদীয়মান অভিনেতা,নৃত্য পৰিচালক বিশ্বজিৎ বৈশ্য, অভিনেত্ৰী মৌচুমী কলিতা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল। গীতটোৰ কৰিঅ'গ্ৰাফী-মনোজ দাসৰ, কেমেৰা আৰু সম্পাদনা-চাইফুলৰ, মেকআপ-চুমিৰ। গুৱাহাটীৰ আশে-পাশে বিভিন্ন লোকেচনত গীতটোৰ দৃশ্যগ্ৰহণ কৰা হৈছে। গীতটো অসমৰ ৰাইজে আদৰি ল'ব বুলি আশাপ্ৰকাশ কৰিছে শিল্পী, অভিনেতা-অভিনেত্ৰী আৰু কলা-কুশলীসকলে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# দলগাঁৱৰ টাংনি নদীৰ ওপৰত হ'ব দলং
# মন্ত্ৰী চন্দ্ৰমোহনৰ আশ্বাসে কঢ়িয়াইছে আশাৰ ৰেঙণি

**ই-সংবাদ, দলগাওঁ, ২৪ মাৰ্চঃ** সমাধানৰ পথত দীৰ্ঘদিনীয়া সমস্যা। দলগাঁও সমষ্টিৰ অন্তৰ্গত ১/২ নং বৰুৱাঝাৰ আৰু পশ্চিম দিশৰ কেবাখনো গাঁও ক্ৰমে গলন্দি, শিমলুগুৰি, মৌচিঠা আদি ঠাইৰ মাজত যোগাযোগ বিচ্ছিন্ন হোৱা হেতুকে দীৰ্ঘদিন ধৰি যমৰ যাতনা ভুগি আছিল বৃহত্তৰ অঞ্চলৰ ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলে। ২০০৩ চনত প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ১/২ নং বৰুৱাঝাৰৰ এক নিৰ্বাচনী সভাত টাংনি নদীৰ ওপৰত দলং নিৰ্মাণৰ আশ্বাস দিছিল যদিও সময়ত সেয়া ফুটুকাৰ ফেন হোৱাত প্ৰাক্তন বিধায়ক ইলিয়াচ আলীৰ বিৰুদ্ধে জনতাৰ ক্ষোভৰ উদ্গিৰণ হৈছিল। টাংনি নৈৰ খহনীয়াত দুবছৰ পূৰ্বে ১/২ নং বৰুৱাঝাৰ প্ৰাথমিক বিদ্যালয়ৰ জাহ যোৱাৰ পিছত উক্ত ঠাই পৰিদৰ্শন কৰিবলৈ তেতিয়াৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক লগত লৈ বিধায়ক মজিবুৰ ৰহমানে নৈখনৰ ভয়াবহ খহনীয়া পৰিদৰ্শন কৰাইছিল। সমান্তৰালভাৱে, আমতলাতৰপৰা কলাইগাঁৱক সংযোগ কৰাকৈ এখন দলং নিৰ্মাণৰ দাবী জনোৱাত মন্ত্ৰীজনে মুখ্যমন্ত্ৰীক বিষয়টো অৱগত কৰিব বুলি কথা দিছিল। দুবছৰ পাৰ হ'ল যদিও চৰকাৰে কোনো ব্যৱস্থা নোলোৱাত পৰহি অসম বিধান সভাৰ ১৫ তম বাজেট অধিৱেশনত বিধায়কজনে দলং নিৰ্মাণৰ প্ৰসংগ উত্থাপন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। বিধায়কজনে সমষ্টিটোত কেবাখনো পথ মেৰামতি আৰু দলং নিৰ্মাণৰ দাবী কৰাৰ সময়তে গুৰুত্বপূৰ্ণ টাংনি নদীৰ ওপৰৰ দলংখনৰো কথা উল্লেখ কৰিছিল। অলপতে দলগাঁৱক সমজিলা ঘোষণা কৰিছে যদিও নতুনকৈ দলগাঁৱত সংযোজন হোৱা কলাইগাঁও সমষ্টিৰ এক বৃহত এলেকাৰ লগতে পশ্চিম দিশৰ ৰাইজ দলঙৰ অৱভাত দলগাঁৱৰ লগত পোনপটীয়া যোগাযোগৰপৰা বঞ্চিত হোৱাৰ কথাও উল্লেখ কৰিছিল বিধায়ক মজিবুৰে। ইফালে, আজি পুনৰ এই বিষয়টো লিখিতভাৱে বিভাগীয় মন্ত্ৰীৰপৰা জানিব বিচৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সদনত বিধায়ক মজিবুৰক আশ্বাস দি কয়-- মই নিজে উক্ত ঠাই পৰিদৰ্শন কৰিছো। বিষয়টো মুখ্যমন্ত্ৰীক অৱগত কৰা হৈছে। উক্ত দলং নিৰ্মাণৰ বাবে বিচৰাতকৈ অধিক ধন ব্যয় কৰা হব বুলিও সদনক অৱগত কৰে পাটোৱাৰীয়ে। ভোট লাভৰ বাবে বিগত দিনত কংগ্ৰেছে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা নকৰা দলংখন বিজেপি চৰকাৰৰ দিনত নিৰ্মাণ হ'ব বুলি সদনত আশ্বাস দিয়াত স্বাভাৱিকতে নৈখনৰ দুয়োপাৰৰ ৰাইজৰ মাজত আশাৰ ৰেঙণি দেখা গৈছে। এই ক্ষেত্ৰত দল-মত নিৰ্বিশেষে বিধায়কজনৰ দাবীক সমৰ্থন জনোৱা পৰিলক্ষিত হৈছে। প্ৰশ্ন হৈছে-- চলিত চৰকাৰখনৰ কাৰ্যকাল এবছৰমানহে আছে। এনেক্ষেত্ৰত দলংখনৰ মঞ্জুৰি, বাজেট নিৰ্ধাৰণ আৰু অন্যান্য কাম কেতিয়া হৈ উঠিব সেয়া সময়ত লক্ষণীয় হ'ব।

# ঝুমুইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা শিল্পীক সম্বৰ্ধনা

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ মাৰ্চঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ মটক চাহ বাগিচাৰ কৰম ভৱনত অনুষ্ঠিত হৈ যায় এখনি সম্বৰ্ধনা অনুষ্ঠান। উক্ত অনুষ্ঠানত চাবুৱা-লাহোৱাল বিধান সভা সমষ্টিৰপৰা ঝুমুইৰ বিনন্দিনী-২০২৫ শীৰ্ষক অনুষ্ঠানত গুৱাহাটী সৰুসজাই খেলপথাৰত অংশগ্ৰহণ কৰা নৃত্যশিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। চাবুৱা-লাহোৱাল সমষ্টিৰপৰা সৰুসজাইত অনুষ্ঠিত ঝুমুইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণ কৰা ৪৪৬ গৰাকী নৃত্যশিল্পী আৰু ঢুলীয়াক ২৩ মাৰ্চত সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি চাবুৱা বিধান সভা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই নৃত্যশিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰে। ভাষণত বিধায়কগৰাকীয়ে তেওঁ সৰুৰেপৰা বাগিচা অঞ্চলত ডাঙৰ দীঘল হোৱা তথা ঝুমুইৰ বিনন্দিনী অনুষ্ঠান চাবুৱা বিধান সভাত অনুষ্ঠিত কৰাৰ ঘোষণা কৰে। ইফালে ঝুমুইৰ বিননীক ঝুমুইৰ বিনন্দিনীলৈ পৰ্যবেক্ষিত কৰা অনুষ্ঠানৰ আয়োজক নবীন নাগে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত অসম গৌৰৱ বঁটাৰে সন্মানিত ৰাম চাচনী, অসম চাহ মজদুৰ সংঘৰ বিবেক চাহু, আদিবাসী ছাত্ৰ সন্থাৰ অজয় দাস আদি উপস্থিত থাকে।

# শিশু লেখিকা ৰুহিকা শইকীয়াৰ ইংৰাজী কবিতা আৰু ছবিৰ সংকলন উন্মোচন

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৪ মাৰ্চঃ** তিনিচুকীয়াৰ শিশু লেখিকা ৰুহিকা শইকীয়াৰ এখন ইংৰাজী কবিতা আৰু ছবিৰ সংকলন ৰুহিকাজ মজাইক-১ দেওবাৰে উন্মোচন কৰে বিশিষ্ট সাহিত্যিক অলকানন্দা শ্ৰীকুমাৰী কাকতিয়ে। তিনিচুকীয়াৰ বৰদলৈ নগৰস্থিত জ্যেষ্ঠ নাগৰিক আৱাসগৃহত এই উপলক্ষে অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উপস্থিত থাকে তিনিচুকীয়া জিলাৰ বিশিষ্ট সাংবাদিক অভিজিত খাটনিয়াৰ। উল্লেখ্য যে ৰুহিকাৰ পিতৃ-মাতৃৰ দ্বাৰা প্ৰকাশিত সংকলনখনত সন্নিৱিষ্ট কবিতা আৰু ছবিসমূহ ইংৰাজী দৈনিক কাকত দ্য আছাম ট্ৰিবিউনৰ শিশু পৰিপূৰিকাত ইতিমধ্যে প্ৰকাশ পাইছে। অনুষ্ঠানৰ আৰম্ভণিতে ৰুহিকাৰ মাতৃ বীনা তৰ্গোত্ৰ শইকীয়াই অতিথিসকলক আদৰণি জনোৱাৰ উপৰিও ৰুহিকাই বৃদ্ধাশ্ৰমখনত থকা ১৯ গৰাকী আৱাসিকক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ আশীৰ্বাদ বিচাৰে। ৰুহিকাই এটা মাটিৰ টেকেলীত কৰা তেওঁৰ ক্ষুদ্ৰ সঞ্চয়ৰ ধনৰাশি উক্ত অনুষ্ঠানতে বৃদ্ধাশ্ৰমখনৰ আৱাসীসকলৰ হাতত তুলি দি উঠি অহা প্ৰজন্মৰ অৱক্ষয়ৰ বিপৰীত চানেকী দাঙি ধৰে। শিক্ষয়িত্ৰী জিতামনি বৰদলৈয়ে আঁতধৰা অনুষ্ঠানটিত বিশিষ্ট সাংবাদিক অভিজিত খাটনিয়াৰেও বক্তব্য ৰাখে। অনুষ্ঠানৰ শেষত ৰুহিকাৰ পিতৃ প্ৰণৱ কুমাৰ শইকীয়াই সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# উৰিয়ামঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ উদযাপন সমিতি গঠন

**ই-সংবাদ, সৰুপথাৰ, ২৪ মাৰ্চঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত উৰিয়ামঘাটত আগন্তুক ৩৬ সংখ্যক বিহু সন্মিলন উদযাপন সন্দৰ্ভত কালি উৰিয়ামঘাট আঞ্চলিক সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ ৰংগমঞ্চত উৰিয়ামঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনৰ সভাপতি সৰ্বেশ্বৰ শইকীয়াৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত উদ্দেশ্য ব্যাখ্যা কৰে উৰিয়ামঘাট কেন্দ্ৰীয় বিহু সন্মিলনৰ সম্পাদক ৰুহিনী গগৈয়ে। টিকেন্দ্ৰজিৎ বৰাক সভাপতি, শিক্ষক বিমান গগৈক সম্পাদক, প্ৰকাশ শইকীয়াক কৃষ্টি সম্পাদক হিচাপে লৈ ৩৬ সংখ্যক উৰিয়ামঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন উদযাপন সমিতিখন গঠন কৰা হয়। ২০২৫ বৰ্ষৰ ১০ আৰু ১১ মে' তাৰিখে দুদিনীয়াকৈ বিভিন্ন



কাৰ্যসূচীৰে উৰিয়ামঘাট ৰাজহুৱা খেলপথাৰত এই বিহু সন্মিলন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। আজিৰ সভাত বৃহত্তৰ উৰিয়ামঘাট অঞ্চলৰ ভালেসংখ্যক ৰাইজ উপস্থিত থাকে।

# মৈৰাবাৰীৰ সমাজসেৱিকা মিচিৰা বেগমলৈ 'শক্তি বঁটা'

**ই-সংবাদ, মৈৰাবাৰী ২৪ মাৰ্চঃ** মৰিগাঁও জিলাৰ বৃহত্তৰ মৈৰাবাৰী অঞ্চলত দীৰ্ঘসময় ধৰি সমাজৰ হিতে বিভিন্ন কৰ্মৰে সেৱা আগবঢ়াই অহা সমাজসেৱী মহিলা মিচিৰা বেগমলৈ যোৱা ২১ মাৰ্চত অংকুৰাম ফাউণ্ডেচনৰ উদ্যোগত 'শক্তি বঁটা' প্ৰদান কৰা হয়। গুৱাহাটীত অৱস্থিত Pwd Convention and Training চেন্টাৰৰ প্ৰেক্ষাগৃহত আয়োজন হোৱা বঁটা প্ৰদান অনুষ্ঠানটোত অসমৰ পাঁচগৰাকী মহিলাৰ লগতে মৈৰাবাৰীৰ মিচিৰা বেগমক অংকুৰাম ফাউণ্ডেচনৰ তৰফৰপৰা প্ৰদান কৰা হয় উক্ত বঁটা। মুছলমান অধ্যুষিত অঞ্চলত মহিলাৰ বিভিন্ন সমস্যা তথা কু-প্ৰথাসমূহ যেনে- বাল্য বিবাহ, নাৰী নিৰ্যাতন, শিশু শ্ৰমিক আদি ৰোধৰ লক্ষ্যৰে নাৰী সবলীকৰণত অঞ্চলটোত অগ্ৰণী ভূমিকা পালন কৰি আহিছে মিচিৰা বেগমে।



অংকুৰাম ফাউণ্ডেচন আৰু The Royal Affairৰ তৰফৰপৰা উক্ত বঁটাপ্ৰদান অনুষ্ঠানটোত বিশেষ ভূমিকা পালন কৰে আস্থা খণ্ডালৱাল, ড০ ৰীতা ভূঞা, টিনাত আতিফা মাছুদ, ড০ ৰিমা মালিক, প্ৰতিভা দাস হাতীবৰুৱা, ৰামায়ানা ভাজনকা আৰু অসমৰ প্ৰখ্যাত ৰেডিঅ জ'কি আলিয়াই। বঁটা প্ৰদান অনুষ্ঠানটোত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি বঁটা প্ৰদান কৰে বিশিষ্ট সমাজকৰ্মী তথা চিত্ৰনিৰ্মাতা গোপাল জ্বলা, প্ৰতিদিন টাইমৰ বিজ্ঞাপন শাখাৰ মুৰব্বী উৱাহিদুৰ ৰহমান, ড০ জিয়াওল ইছলামকে আদি কৰি কেইবাজনো গণ্যমান্য ব্যক্তি। উক্ত বঁটা প্ৰদান কৰা বাবে অনুষ্ঠানটোত জড়িতসকলৰ লগতে তেওঁৰ নাম উক্ত বঁটাৰ বাবে মনোনীত কৰাত মৈৰাবাৰী প্ৰেছ ক্লাবৰ সম্পাদক শ্বৰীফুল হক তথা অনান্য সাংবাদিকসকলক কৃতজ্ঞতা জ্ঞাপন কৰি মিচিৰা বেগমে কয় যে এনেদৰে উৎসাহ-উদ্দীপনা দি থাকিলে অনাগত দিনতো তেওঁ সমাজত এনে সেৱা আগবঢ়াই যাব।

# পি এমশ্ৰী বিদ্যালয় আৰু উন্নয়ন সমিতিৰ তিনিদিনীয়া প্ৰশিক্ষণ

**ই-সংবাদ বিশেষ, দুলীয়াজান, ২৪ মাৰ্চঃ** সমগ্ৰ শিক্ষা অভিযান , ডিব্ৰুগড়ৰ উদ্যোগত টেঙাখাত শিক্ষাখণ্ডৰ অন্তৰ্গত টিংৰাই চাৰিআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলাখনৰ ১১ খন নিৰ্বাচিত বিদ্যালয়ৰ ৭ খন পৰিচালনা সমিতিৰ ১০ জনকৈ প্ৰতিনিধিৰ অংশ গ্ৰহণৰে তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হয় । ১৮ মাৰ্চৰ পৰা অনুষ্ঠিত হোৱা প্ৰধান মন্ত্ৰীৰ নিজস্ব আৰু অত্যাধুনিক মান সম্পন্ন এই পি এমশ্ৰী বিদ্যালয়ৰ অন্তৰ্গত বিদ্যালয় সমূহৰ উক্ত প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰে টেঙাখাত শিক্ষাখণ্ডৰ অৱসৰপ্ৰাপ্ত ৰাজিক কৃতী শিক্ষক নলিনী কুমাৰ মজুমদাৰ , টেঙাখাত শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি সন্তোষ গুপ্তা আৰু মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক অনাদি অনন্ত ফুকনে। প্ৰশিক্ষণত সমাজ জড়িতকৰণৰ জিলা আচনি বিষয়া জোনালী কাকতী উপস্থিত থাকি পৰামৰ্শ প্ৰদান কৰে । জিলাখনৰ জয়পুৰ, টেঙাখাত আৰু পানীতোলা শিক্ষাখণ্ডৰ প্ৰায় ৭০ জন প্ৰতিনিধিয়ে প্ৰশিক্ষণত অংশগ্ৰহণ কৰে ।

# তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা স্থাপন



**ই-সংবাদ, তামুলপুৰ, ২৪ মাৰ্চঃ** তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনৰ ৬২ সংখ্যক ৰঙালী বিহু উদযাপনৰ লাইখুঁটা আজি পুৱা স্থাপন কৰা হয়। পুৱা দহ বজাত তামুলপুৰ শ্ৰীমন্ত শংকৰদেৱৰ শাখা সত্ৰ প্ৰাংগণত এক মাংগলিক পৰিৱেশত লাইখুঁটা স্থাপন কৰে ৰঙালী বিহু উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি জ্যোতিশ চন্দ্ৰ দাসে। লাইখুঁটা স্থাপন কৰি দিয়া ভাষণত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতিগৰাকীয়ে কয়-- তামুলপুৰ মহকুমা ৰঙালী বিহু সন্মিলনে এইবাৰ গৌৰৱোজ্বল ৬২ বছৰত ভৰি দিছে। অহা সোতৰ আৰু ওঠৰ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন হ'বলগীয়া ৰঙালী বিহুত সকলোৱে সহযোগ কৰি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে কাৰ্যকৰী সভাপতিগৰাকীয়ে আহ্বান জনায়। আজিৰ লাইখুঁটা স্থাপন অনুষ্ঠানত উদযাপন সমিতিৰ সাধাৰণ সম্পাদক হিতেশ ডেকা, স্থায়ী সমিতিৰ সাধাৰণ সম্পাদক অভিজিৎ দাস, উদযাপন সমিতিৰ প্ৰাক্তন সভাপতি আৰু সম্পাদকসকল, উদযাপন সমিতি আৰু স্থায়ী সমিতিৰ বিষয়ববীয়াসকল, সাংবাদিক উৎপল ডেকা, নিতুল দাস, অভিজিত তালুকদাৰ আৰু নয়নজ্যোতি দাস, শ্ৰীমন্ত শংকৰদেৱৰ শাখা সত্ৰৰ বিষয়ববীয়া আৰু তামুলপুৰ জ্যেষ্ঠ নাগৰিক সন্থাৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# লাহোৱালৰ ধৰ্মপ্ৰাণ ব্যক্তি খগেন দত্ত মৃত্যুত শোক

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ মাৰ্চঃ** লাহোৱাল মৌজাৰ অন্তৰ্গত বকুল মাজগাঁও নিবাসী ধৰ্মপ্ৰাণ ব্যক্তি তথা পানী যোগান আঁচনিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী খগেন দত্ত (৭৫)ৰ আজি বিয়লি প্ৰায় ৩.৩০ বজাত ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। তেখেত বহুদিন ধৰি ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেখেতে পত্নী, তিনি পুত্ৰ-বোৱাৰী, এগৰাকী জীয়াৰী-জোঁৱাই, এজন ভাতৃ, নাতি-নাতিনীক এৰি গৈছে। সন্ধিয়া ৬ বজাত মায়ামৰা সমাজৰ ৰীতি-নীতিৰে তেখেতৰ অন্তোষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। তেখেতৰ মৃত্যুত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ কলাক্ষেত্ৰ পৰিচালনা সমিতি, ডিব্ৰুগড় নৱজাগৃতি যুৱক সংঘ, মটক স্বায়ত্তশাসিত পৰিষদৰ সদস্য দীপজয় শইকীয়াকে ধৰি বহুজনে গভীৰ শোকপ্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# হাওৰাঘাট মহকুমা কেৰম প্ৰতিযোগিতাৰ সামৰণি

**ই-সংবাদ, হাওৰাঘাট, ২৪ মাৰ্চঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাট কেৰম ক্লাবৰ সুব্যৱস্থাপনাত তিনিদিনীয়া কাৰ্যসূচীৰে ২১, ২২ আৰু ২৩ মাৰ্চত আয়োজিত হয় মহকুমা কেৰম প্ৰতিযোগিতা। প্ৰথমবাৰৰ বাবে হাওৰাঘাট কেৰম ক্লাবৰ উদ্যোগত অনুষ্ঠিত হয় "অপেন কেটেগৰী হাওৰাঘাট ছাব-ডিভিজন কেৰম টুৰ্ণামেণ্টখনিৰ। খেলখনৰ শুভ উদ্বোধন কৰে হাওৰাঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া এছ শ্যামে। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কাৰ্বি আংলং কেৰম সংস্থাৰ সাধাৰণ সম্পাদক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ কেৰম খেলুৱৈ উৎপল দত্তৰ লগতে হাওৰাঘাটৰ ক্ৰীড়াপ্ৰেমী ৰাইজ। হাওৰাঘাট কেৰম ক্লাবৰ সভাপতি বিভূতি বৰকটকী আৰু সম্পাদক ৰেনন ক্ৰ'ৰ নেতৃত্বত ১৭ জনীয়া সদস্যৰ সহযোগিতাত এই খেলৰ আয়োজন কৰা হয়। প্ৰতিযোগিতাত বহু খেলুৱৈয়ে অংশগ্ৰহণ কৰে। তৃতীয় দিনত ডাবলছৰ ফাইনেলত জেনছ বসুমতাৰী আৰু বিনয় শৰ্মা (লাংহিন)ৰ সৈতে শৰত বৰা আৰু মুকুল হাজৰিকা (হাওৰাঘাট)ৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰ অন্তত প্ৰথম পুৰস্কাৰ হিচাপে ট্ৰফী আৰু নগদ ৩০০০ টকা লাভ কৰে লাংহিন দলটোৱে। দ্বিতীয় পুৰস্কাৰ হিচাপে ট্ৰফী আৰু নগদ ১৫০০ টকা লাভ কৰে হাওৰাঘাট দলটোৱে। আমন্ত্ৰিত অতিথিসকলে বিজয়ীসকলক বঁটাসমূহ প্ৰদান কৰে।

# ৰঙিয়াত ছোৱালী হেণ্ডবল প্ৰতিযোগিতা

**ই-সংবাদ, ৰঙিয়া, ২৪ মাৰ্চঃ** ৰঙিয়াৰ সোনেশ্বৰত অসম হেণ্ডবল সংস্থাৰ তত্বাৱধানত আৰু কামৰূপ জিলা হেণ্ডবল সংস্থাৰ সৌজন্যত ৩০সংখ্যক অমূল্য দাস সোঁৱৰণী আন্তঃজিলা ছোৱালী (জুনিয়ৰ) হেণ্ডবল চেম্পিয়নশ্বিপৰ আয়োজন কৰা হৈছে। স্থানীয় পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই চেম্পিয়নশ্বিপত ২৪খনৰো অধিক জিলাৰ প্ৰায় ৩৫০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়াৰ লগতে, ক্ৰীড়াপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক সতীশ কুমাৰ শৰ্মা আৰু কোষাধ্যক্ষ চাকিল আহমেদে।



আইপিএল ২০২৫: দিল্লী কেপিটেলছৰ বিৰুদ্ধে এটা দৰ্শনীয় শ্বট লক্ষ্ণৌ ছুপাৰ জায়েণ্টৰ নিকোলাছ পুৰনৰ

## উপস্থিত থাকিব জিমনাষ্টিকছ ফেডাৰেচনৰ দুগৰাকী বিষয়া

# নগাঁৱত সদৌ অসম জিমনাষ্টিক প্ৰতিযোগিতাৰ বাবে ব্যাপক প্ৰস্তুতি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৪ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত অহা ২৮ মাৰ্চৰ পৰা ৩০ মাৰ্চলৈকে ৩৩ সংখ্যক সদৌ অসম আন্তঃজিলা জিমনাষ্টিকছ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি অসম জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদক উজ্জল বৰুৱাই জানিবলৈ দিয়ে। অসম জিমনাষ্টিকছ সন্থাই নগাঁও ক্ৰীড়া সংস্থাৰ সৌজন্যত আয়োজন কৰা এই প্ৰতিযোগিতাত পুৰুষ-মহিলা উভয়ৰে আৰ্টিছটিক আৰু ৰিডমিক দুয়োটা বিভাগতে কেডেট, মিনি, ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ শাখাৰ খেল অনুষ্ঠিত হ'ব। ইতিমধ্যে প্ৰতিযোগিতাৰ সফল ৰূপায়নৰ বাবে আয়োজকসকলে কেইবাখনো উপ সমিতি গঠনৰে প্ৰস্তুতি পূৰ্ণোদ্যমে আগবঢ়াই নিছে। আনহাতে, অভিজ্ঞতাসম্পন্ন নগাঁৱৰ হুচনে কামাল মাহমুদুৰ ৰহমান কাৰিকৰী সঞ্চালকৰূপে থকা এই প্ৰতিযোগিতাৰ খেলসমূহ পৰিচালনা কৰিবলৈ অসম জিমনাষ্টিকছ সন্থাই আমন্ত্ৰণ কৰা বিচাৰকসকল হ'ল- গিৰিমা শইকীয়া ( নগাঁও ), ঘনজ্যোতি দাস, স্বৰূপানন্দ দাস, বিজেতা দেৱী, আলিচা খান, ইভা দত্ত, অমৰ নাথ (গুৱাহাটী), পাৰ্থপ্ৰতিম ভড়ালী (অসম পুলিচ), কৌস্তুভ কাশ্যপ গগৈ আৰু কৃষ্ণাপ্ৰিয়া গগৈ (শিৱসাগৰ)। ইয়াৰোপৰি সৰ্বভাৰতীয় জিমনাষ্টিকছ ফেডাৰেচনৰ পৰা দুগৰাকী বিষয়ববীয়াও পৰ্যবেক্ষকৰূপে উপস্থিত থাকিব বুলি জিমনাষ্টিকছ সন্থাৰ সাধাৰণ সম্পাদকে লগতে জানিবলৈ দিয়ে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতাৰ সফল সামৰণি

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ মাৰ্চঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে ডিব্ৰুগড় জিলা কাৰাটে সংস্থা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে ২১ আৰু ২২ মাৰ্চত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বিষ্ণুৰাভা ৰংগমঞ্চত অনুষ্ঠিত বনৰীয়া ঘোঁৰা সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতাৰ সফল সামৰণি পৰে। এই প্ৰতিযোগিতাত অসমৰ ১৭খন জিলাৰ ৫০০ৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰে। পতাকা উত্তোলন কাৰ্যসূচীৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পতাকা উত্তোলন কৰে ছাত্ৰ পৰিক্ৰমা গুৰু প্ৰাধ্যাপক সুৰজিত বৰকটকীয়ে আৰু ডিব্ৰুগড় জিলা কাৰাটে সংস্থাৰ পতাকা উত্তোলন কৰে সভাপতি নিৰেণ ফুকনে। প্ৰতিযোগিতাখন শুভ উদ্বোধন কৰে উপাচাৰ্য জীতেন হাজৰিকাই। মুখ্য অতিথি হিচাপে উপস্থিত থাকে পঞ্জীয়ক পৰমানন্দ সোণোৱাল, জিলা সহকাৰী আয়ুক্ত ৰীমা তৃষ্ণা হালৈ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলা ক্ৰীড়া সংস্থাৰ সভাপতি তথা অসম অলিম্পিক সংস্থাৰ যুটীয়া সম্পাদক নিৰঞ্জন শইকীয়াসহ বিশিষ্ট ব্যক্তিসকল। সভাত ক্ৰীড়া সংগঠক তথা সদৌ অসম কাৰাটে সংস্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীক অসম কাৰাটে সংগঠক বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতাত ১৩টা সোণ, ৬টা ৰূপ আৰু ১০টা ব্ৰঞ্জৰ পদকেৰে দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে মৰিয়নীয়ে। ১৩টা সোণ, ৮টা ৰূপ আৰু ৭টা ব্ৰঞ্জৰ পদকেৰে বিজিত খিতাপ লাভ কৰে গুৱাহাটীয়ে। আনহাতে, ৭৯টা সোণ, ৮২টা ৰূপ আৰু ১৬১টা ব্ৰঞ্জৰ পদকেৰে শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰে ডিব্ৰুগড় জিলাই। সামৰণি অনুষ্ঠানত জিলা কাৰাটে সংস্থাৰ কাৰ্যকৰী সভাপতি অনন্ত বৰা, উপসভাপতি দীপক শইকীয়া, জীৱকান্ত বৰগোহাঁই, জিৎবাহাদুৰ ৰায়, যুটীয়া সম্পাদক বিশ্বজিত সোণোৱাল, বাবুল দত্ত, সুনীল দত্ত, দীপজ্যোতি গগৈ, নিৰেণ ফুকন আদিয়ে পুৰস্কাৰসমূহ বিতৰণ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি